**সেৱা, সুশাসন, গৰীৱ কল্যাণৰ ১১ বছৰ**

কেন্দ্ৰীয় মন্ত্ৰী ৰেলৱে, তথ্য আৰু সম্প্ৰচাৰ আৰু ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি



বিশেষ প্ৰবন্ধ


পৃষ্ঠা ৬-৯

৬ষ্ঠ খণ্ড, সংখ্যা ০১

০১-১৫ জুলাই, ২০২৫

নিউ ইণ্ডিয়া সমাচাৰ

# নিউ ইণ্ডিয়া সমাচাৰ



## অৰ্থনীতিৰ বাবে এক বৃহৎ উত্থান

ভাৰতে জাপানক ৪.১৯ ট্ৰিলিয়ন ডলাৰৰ জি ডি পিৰে চেৰ পেলাই চতুৰ্থ বৃহত্তম অৰ্থনীতিৰ দেশ হিচাপে নতুন ইতিহাস সৃষ্টি কৰিছে

বিশ্ব জনসংখ্যা দিৱস - ১১ জুলাই

লোকপিয়ল ২০২৭

# আমি, ভাৰতৰ জনসাধাৰণ, ১৬ বছৰৰ পিছত লোকপিয়লৰ অংশ হ'ম

১৯৮৯ চনত ৰাষ্ট্ৰসংঘই বিশ্ব জনসংখ্যা দিৱস পালন কৰাৰ কথা ঘোষণা কৰিছিল; তেতিয়াৰ পৰাই সমগ্ৰ বিশ্বতে প্ৰতি বছৰে ১১ জুলাইত এই দিৱস পালন কৰা হয়। বিশ্বৰ প্ৰায় এক পঞ্চমাংশ জনসংখ্যা ভাৰতত বাস কৰে। শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটৰ ৰাজনৈতিক পৰিক্ৰমা সমিতিয়ে পৰৱৰ্তী লোকপিয়লত জাতিভিত্তিক গণনা অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সিদ্ধান্তই অৰ্থনৈতিক আৰু সামাজিকভাৱে পিছপৰা শ্ৰেণীক শক্তিশালী কৰিব আৰু অন্তৰ্ভুক্তিক প্ৰসাৰিত কৰিব...



**লোকপিয়ল ২০২১**

দুটা পৰ্যায়ত প্ৰস্তাৱ কৰা হৈছিল যদিও বিশ্বব্যাপী ক'ভিড-১৯ মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ বাবে লোকপিয়ল পিছুৱাই দিব লগা হৈছিল।





**লোকপিয়ল-২০২৭**

- দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব।
- কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰ, লাডাখ আৰু বৰফেৰে আবৰি থকা অ-সমকালীন অঞ্চলসমূহৰ লগতে হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ড ৰাজ্যৰ বাবে প্ৰসংগ তাৰিখ ১ অক্টোবৰ, ২০২৬ কৰা হৈছে।
- দেশৰ বাকী অংশৰ বাবে প্ৰসংগ তাৰিখ হ'ব ১ মাৰ্চ, ২০২৭।

# নিউ ইণ্ডিয়া সমাচাৰ

৬ষ্ঠ খণ্ড, ০১ সংখ্যা, জুলাই ০১-১৫, ২০২৫

মুখ্য সম্পাদক
**ধীৰেন্দ্ৰ ওজা**
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
**সন্তোষ কুমাৰ**

পৰামৰ্শদাতা সম্পাদক
**বিভোৰ শৰ্মা**

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
**পৱন কুমাৰ**


সহকাৰী পৰামৰ্শদাতা সম্পাদক
**অখিলেশ কুমাৰ**
**চন্দন কুমাৰ চৌধুৰী**

ভাষা সম্পাদক
**সুমিত কুমাৰ (ইংৰাজী)**
**ৰজনীশ মিশ্ৰ (ইংৰাজী)**
**নাদীম আহমেদ (উৰ্দু)**

জ্যেষ্ঠ ডিজাইনাৰ
**শ্যাম তিৱাৰী**

জ্যেষ্ঠ ডিজাইনাৰ
**ফুল চন্দ তিৱাৰী**

ডিজাইনাৰ
**অভয় গুপ্তা**
**সত্যম সিং**

https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক

https://newindiasamachar pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

# ভিতৰৰ পৃষ্ঠাত...



## অৰ্থনীতিৰ এক অমৃত যাত্ৰা

স্বাধীনতাৰ ৬৭ বছৰৰ পাছত ২০১৪ চনলৈকে দেশৰ জিডিপি মাত্ৰ ২.০৪ ট্ৰিলিয়ন ডলাৰহে আছিল। দেশৰ অৰ্থনৈতিক অৱস্থা শক্তিশালী কৰাই নহয়, শক্তিশালী অৰ্থনীতি গঢ়ি তুলিব পৰাকৈ ভেটি স্থাপন কৰিব পৰাকৈ ধাৰাবাহিক সংস্কাৰৰ প্ৰয়োজন আছিল... |১৪-২৭

## জম্মু আৰু কাশ্মীৰৰ আন্তঃগাঁথনিয়ে স্পৰ্শ কৰিলে নতুন উচ্চতা



প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ উত্থানশীল আন্তঃগাঁথনিৰ নতুন আশ্চৰ্য হিচাপে বিশ্বৰ সৰ্বোচ্চ চেনাব ৰেল দলং উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰেল সংযোগ আৰু প্ৰথমখন কেবল দলং অঞ্জি অংশৰ উদ্বোধন কৰে... | ২৮-৩১


সংক্ষিপ্ত সংবাদ |৪-৫

১১ বছৰৰ সমাৱেশী বিকাশ
কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ বিশেষ প্ৰবন্ধ |৬-৯

ব্যক্তিত্ব- চন্দ্ৰ শেখৰ
ৰাজনীতিৰ যুৱ পৰিবৰ্তনকাৰী |১০

সৰ্বদলীয় প্ৰতিনিধি দলে ভাৰতৰ কণ্ঠ বিশ্ববাসীৰ আগত আগবঢ়াই দিলে
প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতিনিধি দলৰ সদস্যসকলক সাক্ষাৎ |১১-১৩

কৌশল ভাৰত মিছন
দক্ষতা বিকাশ... ভৱিষ্যতৰ বাবে ৰোডমেপ |৩২-৩৪

কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত
সংযোগ বৃদ্ধি আৰু দূৰত্ব হ্ৰাস কৰাৰ বাবে দুটা ৰেলৱে প্ৰকল্পৰ অনুমোদন |৩৫

আন্তৰ্জাতিক - আই চি ডি আৰ আই ২০২৫
পৃথিৱীয়ে যাতে দুৰ্যোগৰ বিৰুদ্ধে একেলগে থিয় হয় |৩৬-৩৭

ৰাষ্ট্ৰপতি ভৱনে আতিথ্য প্ৰদান কৰে মধুবনী শিল্পীক
ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে শিল্পীসকলক সাক্ষাৎ কৰে |৪০


বিশ্ব বিমান পৰিবহণ সন্মিলন

## বিমান মানচিত্ৰত ভাৰতৰ বিশাল উত্থান আঞ্চলিক সংযোগৰ পৰা বিশ্ব সম্প্ৰসাৰণলৈ






আন্তঃৰাষ্ট্ৰীয় বিমান পৰিবহণ সংস্থাৰ বৈঠক আৰু বিশ্ব বিমান পৰিবহণ সন্মিলনত বিশ্বৰ প্ৰধান বিমান কোম্পানীসমূহক প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ভাৰতত বিনিয়োগৰ এক বৃহৎ সুযোগ আছে... | ৩৮-৩৯


**Published & Printed by :** Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
**Printed at :** Chandu Press, 469, Patparganj Industrial Estate, Delhi 110 092.
**Communication Address :** Room No–316, National Media Centre, Raisina Road, New Delhi -110001.
**E-Mail :** response-nis@pib.gov.in, **RNI No. :** DELASS/2020/78827

# সম্পাদকৰ মেজৰ পৰা...

# ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ পথত

নমস্কাৰ!

স্বাধীনতাৰ ছয় দশকৰ পাছত ভাৰত বিশ্বৰ একাদশ বৃহত্তম অৰ্থনীতিৰ দেশ আছিল যদিও বিগত ১১ বছৰৰ বিপ্লৱী সংস্কাৰৰ বাবে ভাৰত এতিয়া চতুৰ্থ বৃহত্তম অৰ্থনীতিলৈ পৰিণত হৈছে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আই এম এফ)ৰ প্ৰতিবেদনত দেখা গৈছে যে বিগত দশকত ভাৰত বিশ্বৰ একমাত্ৰ প্ৰধান অৰ্থনীতি, যিয়ে জি ডি পি দুগুণ বৃদ্ধি কৰিছে। ইয়াৰ আটাইতকৈ ডাঙৰ প্ৰভাৱ হৈছে ২৫ কোটি লোক দৰিদ্ৰতাৰ পৰা ওলাই আহিছে, যাৰ ফলত এটা নতুন মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি হৈছে। এই নতুন মধ্যবিত্ত শ্ৰেণীয়ে উল্লেখযোগ্য অৱদান আগবঢ়াই অৰ্থনীতিক সজীৱ কৰি তুলিছে। দেশখন দূৰদৰ্শী অৰ্থনৈতিক নীতিৰে বিকাশিত ভাৰত @ ২০৪৭ৰ সংকল্পৰে অমৃত কালৰ যাত্ৰাৰ দিশে আগবাঢ়িছে।

ভাৰতৰ পৰা বিশ্বই বহু আশা কৰে। এতিয়া বিশ্বইও স্বীকাৰ কৰিছে যে এয়া ভাৰতৰ শতিকা, যি দ্ৰুতগতিত আৰু নিৰ্ভীকভাৱে আগবাঢ়িছে।

ভাৰতৰ প্ৰাপ্তি আৰু সফলতাই সমগ্ৰ বিশ্বতে নতুন আশাৰ সঞ্চাৰ কৰিছে। যোৱাটো দশকত ভাৰত একাদশ স্থানৰ পৰা ৫ম বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হৈছে, আৰু শেহতীয়াকৈ আই এম এফে প্ৰকাশ কৰিছে যে ভাৰত এতিয়া জাপানক চেৰ পেলাই বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। লগতে ভাৰত এতিয়া বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ দিশত দ্ৰুতগতিত আগবাঢ়িছে। সেইবাবে অৰ্থনীতিৰ দীঘলীয়া উত্থান আৰু এক ৰাষ্ট্ৰ-এক কৰ ব্যৱস্থাৰ জি এছ টিৰ ৮ বছৰীয়া জয়ন্তী, এইবাৰ আমাৰ প্ৰচ্ছদ নিবন্ধ হৈ পৰিছে।

ব্যক্তিত্ব বিভাগত, প্ৰাক্তন প্ৰধান মন্ত্ৰী চন্দ্ৰশেখৰৰ বিষয়ে তেখেতৰ মৃত্যু বাৰ্ষিকী উপলক্ষে পঢ়ক। লগতে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সিদ্ধান্ত, জম্মু-কাশ্মীৰৰ ৰেল সংযোগ, আৰু দেশলৈ উভতি অহাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে ভাৰতীয় প্ৰতিনিধি দলৰ বৈঠক, যিসকলক পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত অপাৰেচন সিন্দুৰ সম্পৰ্কে ভাৰতৰ স্থিতি আগবঢ়াবলৈ বিদেশলৈ প্ৰেৰণ কৰা হৈছিল, সেই বিষয়েও এই সংখ্যাত অন্তৰ্ভুক্ত কৰা হৈছে।


ইয়াৰ উপৰিও ১১ জুলাইত উদযাপন কৰা বিশ্ব জনসংখ্যা দিৱসৰ বিশেষ বিষয়বস্তু ভিতৰৰ পৃষ্ঠাত, আৰু চিকিৎসক দিৱস, ভাৰত ৰত্ন ড° বিধান চন্দ্ৰ ৰায়ৰ জন্ম বাৰ্ষিকীত উদযাপনৰ সবিশেষ শেষ পৃষ্ঠাৰ প্ৰচ্ছদত উপাস্থাপন কৰাটো হৈছে আন আন উল্লেখযোগ্য দিশ।

আপোনাৰ পৰামৰ্শ আমালৈ প্ৰেৰণ কৰি থাকিব।

(ধীৰেন্দ্ৰ ওজা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https: //newindiasamachar.pib.gov.in/

# মেইল বক্স






### নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ সকলো দললৈ আন্তৰিক ধন্যবাদ

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ গুজৰাটী সংস্কৰণ পালো। এই আলোচনীখনত সাম্প্ৰতিক পৰিস্থিতি, বৈদেশিক নীতি, ব্যক্তিত্ব আৰু অন্যান্য অনুষ্ঠানৰ বিষয়ে পঢ়িবলৈ সুযোগ পালোঁ। এই আলোচনীখনৰ সমগ্ৰ দললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। এই সংখ্যাৰ পৰা মোৰ ভাল লগা বাস্তৱিক লেখাবোৰ সংগ্ৰহ কৰাৰ সিদ্ধান্ত লৈছো।

অমৰভাই হৰচেংগাভাই পেটেল
tramarpatel@gmail.com

### নিউ ইণ্ডিয়া সমাচাৰ আলোচনীয়ে আঁচনিসমূহৰ বিষয়ে বিতং তথ্য প্ৰদান কৰে

পযেকীয়া আলোচনী নিউ ইণ্ডিয়া সমাচাৰৰ পাঠক হোৱাৰ প্ৰায় এবছৰ হ'ল। আলোচনীখনত প্ৰকাশিত প্ৰবন্ধসমূহে ভাৰত চৰকাৰৰ বিভিন্ন বিভাগৰ দ্বাৰা পৰিচালিত আঁচনিসমূহৰ বিষয়ে তথ্য বিতংভাৱে প্ৰদান কৰে। আলোচনীখনে মোক নতুন নতুন আঁচনি আৰু সেইবোৰৰ লগত জড়িত তথ্যৰ সৈতে পৰিচয় কৰাই দিছে। আলোচনীখনৰ ভাষা মই সুস্পষ্ট পালোঁ।

kumar.diwakar16@gmail.com

### নিউ ইণ্ডিয়া সমাচাৰ এক জ্ঞান-বৰ্ধক প্ৰকাশন

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ ২০২৫ বৰ্ষৰ এপ্ৰিল সংখ্যাৰ মাৰাঠী ভাষাত পঢ়িবলৈ সুযোগ পালোঁ। এই আলোচনীখনে ৰাইজৰ বাবে তথ্যসমৃদ্ধ আৰু তথ্যভিত্তিক প্ৰবন্ধ আগবঢ়ায়। ইয়াত চৰকাৰৰ নীতি-নিয়ম আৰু আঁচনিৰ বিষয়ে তথ্য দিয়া হয়। এই আলোচনীখনত তথ্যসমৃদ্ধ লেখা প্ৰকাশ কৰাৰ বাবে ধন্যবাদ।

এছ পি ঠাকুৰ
spthakurfamily@gmail.com

### নিউ ইণ্ডিয়া সমাচাৰ এখন তথ্যভিত্তিক আলোচনী

শেহতীয়াকৈ নিউ ইণ্ডিয়া সমাচাৰ আলোচনীৰ কানাড়া সংস্কৰণটো পাইছো। এই আলোচনীখনৰ লেখাবোৰ পঢ়িবলৈ পাইছিলোঁ। এইখন এখন ভাল আলোচনী। এই আলোচনীখন তথ্যভিত্তিক আৰু আকৰ্ষণীয়।

বসন্ত কুমাৰ পেৰলা
vasanthkumarperla@gmail.com

### ই চৰকাৰৰ উন্নয়নমূলক পদক্ষেপৰ বিষয়ে অন্তৰ্দৃষ্টি প্ৰদান কৰে

নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন নিয়মিতভাৱে পঢ়োঁ। ই তথ্যসমৃদ্ধ। ইয়াত চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ তথ্য দিয়া হয়। মোৰ ব্যক্তিগত বিকাশ, জ্ঞান আৰু দক্ষতা বিকাশতো ই সহায় কৰে। এই আলোচনীখন পঢ়ি আৰু ইয়াৰ পৰা শিকিব পাৰি মোৰ ভাল লাগে।

mr.devkant@gmail.com


যোগাযোগ ঠিকনা: কোঠা নং ৩১৬, ৰাষ্ট্ৰীয় মিডিয়া কেন্দ্ৰ, ৰাইচিনা ৰোড, নতুন দিল্লী-১১০০০১
ই-মেইল response-nis@pib.gov.in



অল ইণ্ডিয়া ৰেডিঅ'ত নিউ ইণ্ডিয়া সমাচাৰ শুনিবলৈ কিউআৰ কোড স্কেন কৰক

# সংক্ষিপ্ত সংবাদ

## ৰেলৰ তৎকাল টিকট বুকিং সহজ কৰি তোলা হ'ল: এজেণ্টৰ বাবে নিষেধাজ্ঞা




ৰে'ল যাত্ৰীসকলৰ বাবে যাতে ন্যায্য আৰু স্বচ্ছ পদ্ধতিৰে তৎকাল টিকট উপলব্ধ হয় তাৰ বাবে ৰে'ল মন্ত্ৰালয়ে তৎকাল টিকট বুকিং ব্যৱস্থাত গুৰুত্বপূৰ্ণ সালসলনি কৰিছে। ১ জুলাইৰ পৰা ভাৰতীয় ৰেলৱে কেটাৰিং এণ্ড টুৰিজিম নিগমৰ ৱেবছাইট আৰু এপত কেৱল আধাৰ পৰীক্ষিত ব্যৱহাৰকাৰীয়েহে তৎকালৰ টিকট বুকিং কৰিব পাৰিব। লগতে কম্পিউটাৰাইজড পেচেঞ্জাৰ ৰিজাৰ্ভেচন চিষ্টেম (পি আৰ এছ) কাউণ্টাৰ আৰু অনুমোদিত এজেণ্টৰ জৰিয়তে তৎকালৰ টিকট বুকিং কৰাৰ বাবে ১৫ জুলাইৰ পৰা ব্যৱহাৰকাৰীৰ মোবাইল নম্বৰত অ' টি পি পৰীক্ষণৰ প্ৰয়োজন হ'ব। তৎকাল টিকটৰ বাল্ক বুকিং ৰোধ কৰিবলৈ ৰে'লৱেই বুকিং উইণ্ড'ৰ প্ৰথম ৩০ মিনিটৰ ভিতৰত অনুমোদিত টিকট এজেণ্টক টিকট বুকিং কৰিবলৈ দিয়া নাই। এই নিষেধাজ্ঞা এচি শ্ৰেণীৰ বাবে পুৱা ১০ বজাৰ পৰা ১০.৩০ বজালৈ আৰু নন-এচি শ্ৰেণীৰ বাবে পুৱা ১১ বজাৰ পৰা ১১.৩০ বজালৈ প্ৰযোজ্য হ'ব। ৰেলৱেই যাত্ৰীসকলক আহ্বান জনাইছে যে আই আৰ চি টি চি ব্যৱহাৰকাৰীসকলে তেওঁলোকৰ প্ৰফাইল আধাৰ নম্বৰৰ সৈতে লিংক কৰিব লাগিব।

## বৈদ্যুতিক বাছে দিল্লীক স্বচ্ছ আৰু সেউজীয়া কৰি তুলিব

দিল্লী চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰেও দেশৰ ৰাজধানী দিল্লীক স্বচ্ছ আৰু সেউজীয়া কৰি তুলিবলৈ অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। উদ্যোগসমূহত নিয়ম-চৰ্তসমূহ মানি চলাটো নিশ্চিত কৰাৰ পৰা আৰম্ভ কৰি যমুনা পৰিষ্কাৰ কৰা বা পৰিবহণ ব্যৱস্থাত সেউজ শক্তি ব্যৱহাৰ কৰালৈকে, চৰকাৰে প্ৰদূষণ হ্ৰাস কৰাৰ বাবে সকলো ক্ষেত্ৰতে অহৰহ কাম কৰি আছে। এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি বিশ্ব পৰিৱেশ দিৱস '৫ জুন'ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দীৰ্ঘম্যাদী উন্নয়ন আৰু সেউজ নগৰ পৰিবহণৰ প্ৰসাৰৰ লক্ষ্যৰে দিল্লী-এন চি আৰত যাত্ৰা কৰা লোকসকলৰ বাবে বৈদ্যুতিক বাছৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। এতিয়া দিল্লীৰ পথত অতিৰিক্ত ২০০খন নতুন বৈদ্যুতিক বাছ চলিব। যোৱা বছৰ বিশ্ব পৰিবেশ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে আৰাৱালীৰ অংশ 'দিল্লী ৰিজ'ত অৱস্থিত বুদ্ধ জয়ন্তী উদ্যানৰ পৰা 'এক পেড় মা কে নাম' অভিযানৰ আৰম্ভ কৰিছিল।



## প্ৰথম ছাবমেৰিন-প্ৰতিৰোধী শ্বেল' ৱাটাৰ ক্ৰাফ্‌ট 'আৰ্নালা' উদ্বোধন



প্ৰথম ছাবমেৰিন-প্ৰতিৰোধী শ্বেল' ৱাটাৰ ক্ৰাফ্‌ট, 'আৰ্ণালা', ১৮ জুনত বিশাখাপট্টনমৰ নৌবাহিনীৰ সমৰশক্তিৰ লগতে সামুদ্ৰিক খণ্ডত উদয় হোৱা প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হোৱাৰ বাবে ভাৰতক জলমণ্ডলত উদ্ভৱ হোৱা বিপদসমূহৰ পৰা ৰক্ষাৰ উদ্দেশ্যে নৌসেনাৰ বহৰত অন্তৰ্ভুক্ত কৰা হৈছে। ১৪৯০ টনতকৈ অধিক ওজনৰ আৰু ৭৭.৬ মিটাৰ দৈৰ্ঘ্যৰ এই যুদ্ধজাহাজখন ভাৰতীয় নৌসেনাৰ আটাইতকৈ ডাঙৰ ডিজেল ইঞ্জিন-ৱাটাৰজেট কম্বিনেচন চালিত যুদ্ধজাহাজ। ৰাজহুৱা-ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত এই জাহাজখন নিৰ্মাণ কৰা হৈছে। প্ৰতিৰক্ষা উৎপাদনত আত্মনিৰ্ভৰ ভাৰতৰ পদক্ষেপৰ সফলতাৰ প্ৰমাণ 'আৰ্ণলা', কিয়নো ইয়াক ৮০% থলুৱা প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে। ৫৫টাতকৈও অধিক ক্ষুদ্ৰ, সৰু আৰু মজলীয়া উদ্যোগ এই প্ৰকল্পৰ সৈতে জড়িত হৈ ঘৰুৱা উদ্যোগক উন্নীত কৰিছে আৰু আনুষংগিক অৰ্থনৈতিক কাৰ্যকলাপৰ সৃষ্টি কৰিছে। ই ভাৰতৰ নৌসেনাৰ সামৰ্থ্য বৃদ্ধি কৰিব, উপকূলীয় নিৰাপত্তা শক্তিশালী কৰিব আৰু কৌশলগতভাৱে গুৰুত্বপূৰ্ণ ভাৰত মহাসাগৰীয় অঞ্চলত স্বাৱলম্বী সামুদ্ৰিক শক্তি হিচাপে দেশৰ স্থিতি অধিক সুদৃঢ় কৰিব।

## ১৮ লাখৰো অধিক কৃষকে গ্ৰহণ কৰিব প্ৰাকৃতিক কৃষি-কৰ্ম

'বিকশিত কৃষি সংকল্প অভিযান'ৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয় যে এইবাৰ চৰকাৰে দেশৰ চাৰে সাত লাখ হেক্টৰ মাটিত প্ৰাকৃতিক কৃষিৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই অভিযানৰ সময়ত ১৬ হাজাৰ বিজ্ঞানীৰ ২,১৭০টা দল গঠন কৰা হয়, যিয়ে গাঁৱে গাঁৱে গৈ কৃষকৰ সৈতে পোনপটীয়াকৈ যোগাযোগ কৰি গৱেষণাৰ সঠিক তথ্য প্ৰদান কৰিছে। অঞ্চলটোৰ জলবায়ুৰ অৱস্থা আৰু পথাৰখনৰ প্ৰয়োজনীয়তাৰ কথা মনত ৰাখি কৃষকসকলক বৈজ্ঞানিক তথ্য প্ৰদান কৰা হয়। কৃষকসকলক সঠিক পৰিমাণৰ সাৰ আৰু কীটনাশক ব্যৱহাৰৰ বিষয়ে অৱগত কৰা হয়। এই অভিযানৰ এটা ডাঙৰ সাফল্য হৈছে দেশত ১৮ লক্ষাধিক কৃষকক প্ৰাকৃতিক কৃষিৰ বাবে সাজু কৰা হৈছে। এই অভিযানৰ সময়ত এক কোটি ১২ লাখ কৃষকৰ সৈতে যোগাযোগ কৰা হয়। ৫৫ হাজাৰৰো অধিক স্থানত আলোচনা কাৰ্যসূচীৰো আয়োজন কৰা হয়।






## এটা দশকত সামাজিক সুৰক্ষাৰ কভাৰেজ প্ৰায় চাৰে তিনিগুণ বৃদ্ধি পাইছে

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস'ৰ দৃষ্টিভংগীৰ দ্বাৰা পৰিচালিত হৈ ভাৰতে সামাজিক সুৰক্ষা কভাৰেজৰ ক্ষেত্ৰত এক ঐতিহাসিক মাইলৰ খুঁটি অৰ্জন কৰিছে, যিটোৱে বিশ্বজুৰি অন্যতম উল্লেখযোগ্য সম্প্ৰসাৰণ অভিলেখ ৰচনা কৰিছে। আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থা (আই এল অ')ৰ শেহতীয়া তথ্য অনুসৰি ভাৰতৰ সামাজিক সুৰক্ষাৰ কভাৰেজ ২০১৫ চনত ১৯%ৰ পৰা ২০২৫ চনত ৬৪.৩%লৈ বৃদ্ধি পাইছে, যিটো বিগত দশকত অভূতপূৰ্ব ৪৫ শতাংশ পইণ্টৰো অধিক। প্ৰধানমন্ত্ৰী মোদীয়ে এই বৃদ্ধিৰ প্ৰশংসা কৰি কয় যে এয়া চৰকাৰৰ জনকল্যাণকেন্দ্ৰিক প্ৰতিশ্ৰুতিৰ ফল। চৰকাৰৰ কল্যাণমূলক আঁচনিসমূহে সৰ্বাধিক লোকৰ কাষ চাপিছে। আই এল অ'ৰ সঞ্চালক প্ৰধানগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দৰিদ্ৰ আৰু শ্ৰমিক শ্ৰেণীৰ বাবে ভাৰতৰ কেন্দ্ৰীভূত কল্যাণমূলক নীতিৰ প্ৰশংসা কৰি কয় যে এতিয়া ৯৪ কোটিতকৈ অধিক লোক কমেও এটা সামাজিক সুৰক্ষাৰ সুবিধাৰ অধীনলৈ আহিছে। হিতাধিকাৰীৰ সংখ্যাৰ ক্ষেত্ৰত ভাৰত এতিয়া বিশ্বৰ ভিতৰতে দ্বিতীয় স্থানত আছে।



## আমদানিকৃত খাৰুৱা খাদ্য তেলৰ ওপৰত প্ৰাথমিক সীমা শুল্ক ১০% লৈ হ্ৰাস

কেন্দ্ৰীয় চৰকাৰে খাদ্য তেল, যেনে- সূৰ্যমুখী, সৰিয়হ আৰু পাম তেলৰ ওপৰত প্ৰাথমিক সীমা শুল্ক ২০%ৰ পৰা ১০%লৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে। এই পৰিৱৰ্তনৰ উদ্দেশ্য হৈছে খাদ্য তেলৰ মূল্য বৃদ্ধিৰ সমাধান বিচাৰি উলিওৱা। ইয়াৰ সমান্তৰালভাৱে খাদ্য তেল সংস্থা আৰু উদ্যোগটোৰ সৈতে জড়িত লোকসকলকো চৰকাৰে কয় যে শুল্ক হ্ৰাসৰ সম্পূৰ্ণ সুবিধা যাতে গ্ৰাহকক দিয়া হয়। চৰকাৰৰ এই সিদ্ধান্তই উপভোক্তাক কম মূল্যত খাদ্য তেল প্ৰদান কৰাই নহয়, মুদ্ৰাস্ফীতি হ্ৰাসতো সহায় কৰিব। শুল্ক হ্ৰাসে ঘৰুৱা শোধনকো প্ৰসাৰিত কৰিব। ●

# ১১ বছৰৰ সমাৱেশী বৃদ্ধি



অশ্বিনী বৈষ্ণৱ
কেন্দ্ৰীয় ৰে'ল, ইলেক্ট্ৰনিকছ
আৰু তথ্য প্ৰযুক্তি তথা
তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰিলে। এই উপলক্ষে কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ এটা প্ৰবন্ধ প্ৰকাশ পায়। ১১ বছৰীয়া সমাৱেশী বিকাশ আৰু ৰাষ্ট্ৰীয় সবলীকৰণৰ ওপৰত আলোকপাত কৰা এটা প্ৰবন্ধ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে ছ'চিয়েল মিডিয়া এক্সত লিখিছে, "কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ১১ বছৰীয়া সমাৱেশী বিকাশৰ ওপৰত চিন্তা-চৰ্চা কৰিছে, যিটো যাত্ৰাই নাগৰিকসকলক একাধিক দিশত উপকৃত কৰিছে আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, এক বিশ্বাসৰ জন্ম দিছে। এটা বিশ্বাস, যিয়ে দেশক শক্তিশালী কৰে, উৰ্ধগামী কৰে আৰু আগুৱাই লৈ যায়।" কেন্দ্ৰীয় ৰে'লৰে, ইলেক্ট্ৰনিকছ আৰু তথ্য প্ৰযুক্তিআৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীৰ এই প্ৰবন্ধটোত ১১ বছৰীয়া সমাৱেশী বিকাশৰ পৰিৱৰ্তনশীল প্ৰভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ই এনে এক যাত্ৰা যিয়ে দেশক শক্তিশালী কৰি তোলাৰ লগতে উল্লেখযোগ্যভাৱে আগুৱাই লৈ গৈছে। সংবাদ মাধ্যমত প্ৰকাশিত তেওঁৰ লেখাটো ইয়াত দিয়া হ'ল...

**আমাৰ উন্নয়ন আৰ্হিৰ আটাইতকৈ ডাঙৰ শক্তি হ'ল ই কোটি কোটি মানুহৰ জীৱন উন্নত কৰিছে।**

এখন নতুন ভাৰত গঢ় লৈ উঠিছে - য'ত প্ৰগতি কেৱল জিডিপিতে নহয়, মৰ্যাদা আৰু সুযোগৰ দ্বাৰা জুখিব পাৰি। কদাপাৰ গৃহিণী অন্নম লক্ষ্মী ভৱানীয়ে মৰাপাটৰ বেগৰ এটা সফল নিৰ্মাণ গোট আৰম্ভ কৰিবলৈ মুদ্ৰা ঋণ লাভ কৰে। হাৰিয়ানাৰ জগদেৱ সিঙে এআই এপ ব্যৱহাৰ কৰি নিজৰ শস্যৰ সৈতে জড়িত বিষয়ৰ সিদ্ধান্ত লয়। আৰু, মীৰা মাঝিয়ে উজ্জ্বলাৰ অধীনত এলপিজি সংযোগ লাভ কৰিলে, যাৰ ফলত তেওঁৰ পাকঘৰটো ধোঁৱাহীন হৈ পৰে আৰু সন্তানৰ সৈতে মূল্যবান সময় কটাব পাৰিছে। এইবোৰ সমগ্ৰ ভাৰতবৰ্ষৰ গাঁও, চহৰ-নগৰৰ দৈনন্দিন বাস্তৱ ঘটনা। এই পৰিৱৰ্তনসমূহ গাঁথনিগত সংস্কাৰ আৰু প্ৰান্তীয় নাগৰিকক সবলীকৰণত বিশ্বাস কৰা নেতৃত্বৰ পৰাই উদ্ভৱ হৈছে।




## স্তম্ভ ১: আন্তঃগাঁথনিত বিনিয়োগ

- যোৱা ১১ বছৰত মূলধনী ব্যয় যথেষ্ট পৰিমাণে বৃদ্ধি পাই ২০২৪-২৫ চনত ১১.২ লাখ কোটি টকা হৈছে। ৰাজহুৱা বিনিয়োগৰ এই উত্থান ভাৰতৰ বাস্তৱিক, ডিজিটেল আৰু সামাজিক আন্তঃগাঁথনিত আটাইতকৈ বেছি দেখা যায়।
- ভাৰতৰ বাস্তৱিক আন্তঃগাঁথনি বিগত ১১ বছৰত দ্ৰুত গতিত বৃদ্ধি পাইছে। প্ৰায় ৫৯,০০০ কিলোমিটাৰ ঘাইপথ নিৰ্মাণ কৰা হৈছে আৰু ৩৭,৫০০ কিলোমিটাৰৰো অধিক ৰে'লপথ স্থাপন কৰা হৈছে।
- শেহতীয়াকৈ চেনাব আৰু আঞ্জি দলং উদ্বোধন কৰা হয় - যিবোৰ আধুনিক ভাৰতৰ প্ৰতীক। কাশ্মীৰৰ জনসাধাৰণৰ বাবে এই দলংসমূহৰ মাজেৰে বন্দে ভাৰতৰ আগমন সপোন যেন লাগিছিল। এজন যাত্ৰীয়ে আনন্দৰ চকুলো টুকি কৈছিল যে এই দিনটো আহিব বুলি তেওঁ কেতিয়াও ভবা নাছিল।
- এই সংযোগৰ উদ্যম ৰে'লৰেৰ ঊৰ্দ্ধত গৈ ডিজিটেল ঘাইপথলৈ সম্প্ৰসাৰিত হৈছে। ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি (ডিপিআই) বিশ্ব মাপকাঠীত পৰিণত হৈছে। ইউপিআই, আধাৰ আৰু ডিজিল'কাৰৰ পৰিসৰ আৰু বিত্তীয় অন্তৰ্ভুক্তি সম্পৰ্কে এতিয়া বিশ্বজুৰি অধ্যয়ন চলি আছে। প্ৰতিদিনে ১৪১ কোটিৰো অধিক আধাৰ পঞ্জীয়ন আৰু ৬০ কোটি ইউপিআই লেনদেনে ইয়াৰ প্ৰসাৰতা আৰু গ্ৰহণযোগ্যতাক প্ৰতিফলিত কৰে। ইয়াৰ আঁৰৰ ধাৰণাটো সহজ: সকলোৰে বাবে প্ৰযুক্তিৰ গণতান্ত্ৰিকীকৰণ।
- এই দৃষ্টিভংগীয়ে ইণ্ডিয়া এ আই অভিযানক পৰিচালিত কৰে। জিপি ইউ নামেৰে জনাজাত ৩৪, ০০০ৰো অধিক হাই-স্পীড কম্পিউটাৰ চিপ এতিয়া সকলোৰে বাবে উপলব্ধ। সেইটোও বিশ্ব খৰচৰ মাত্ৰ এক তৃতীয়াংশতে উপলব্ধ। এই চিপসমূহৰ এআই বিকাশৰ অংশ হিচাপে, বিশেষকৈ এআই মডেলৰ প্ৰশিক্ষণৰ বাবে প্ৰয়োজন। ইয়াক অধিক সমৰ্থন কৰিবলৈ, 'AIKosha' প্লেটফৰ্মে শিক্ষণ আৰু উদ্ভাৱনৰ বাবে ৩৭০টাতকৈও অধিক ডাটাছেট আৰু ২০০টা ব্যৱহাৰৰ বাবে সাজু এআই আৰ্হি প্ৰদান কৰে।
- এই প্ৰসাৰ প্ৰযুক্তিৰ বাহিৰেও শিক্ষা, স্বাস্থ্যসেৱা আৰু মৌলিক সেৱালৈকে বিস্তৃত। ১১ বছৰত চিকিৎসা মহাবিদ্যালয় ৩৮৭খনৰ পৰা ৭৮০খন আৰু এইমছ প্ৰতিষ্ঠান ৭খনৰ পৰা ২৩খনলৈ বৃদ্ধি পাইছে। এমবিবিএছ আৰু স্নাতকোত্তৰ আসনো দুগুণৰো অধিক বৃদ্ধি পাইছে। ইয়াৰ দ্বাৰা গুণগত শিক্ষা আৰু স্বাস্থ্যসেৱা সকলোৰে বাবে সুলভ কৰি তোলাৰ এক শক্তিশালী প্ৰতিশ্ৰুতি প্ৰতিফলিত হয়।

### অন্ত্যোদয়াৰ সক্ৰিয়তা

আৰম্ভণিৰে পৰাই অন্ত্যোদয়া আমাৰ মাৰ্গদৰ্শক হৈ আহিছে-যাৰ জৰিয়তে সমাজৰ একেবাৰে নিম্নস্তৰৰ লোকসকলৰ উত্থান হৈছে। যোৱা ১১ বছৰত প্ৰতিটো নীতি, প্ৰতিটো বিনিয়োগ আৰু প্ৰতিটো উদ্ভাৱন এই দৃষ্টিভংগীৰ দ্বাৰা গঢ় লৈ উঠিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ



## দ্বিতীয় স্তম্ভঃ সমাৱেশী বিকাশ

- আমাৰ উন্নয়ন আৰ্হিৰ আটাইতকৈ শক্তিশালী প্ৰতিশ্ৰুতিটো হ'ল ই মানুহৰ জীৱনক স্পৰ্শ কৰিছে। ৫৩ কোটিৰো অধিকজন ধন একাউণ্ট খোলা হৈছে, যিটো ইউৰোপৰ জনসংখ্যাতকৈ অধিক। ৪ কোটি ঘৰ, ১২ কোটি শৌচাগাৰ নিৰ্মাণ কৰা হৈছে, ১০ কোটি পৰিয়ালে এতিয়া খৰিৰ জুইৰ সলনি স্বচ্ছৰন্ধন গেছেৰে খাদ্য ৰান্ধিছে।
- হৰ ঘৰ জলৰ অধীনত ১৪ কোটি পৰিয়াললৈ নলযোগে পানী সংযোগো প্ৰদান হৈছে। আয়ুষ্মান ভাৰতৰ অধীনত স্বাস্থ্য বীমাই ৩৫ কোটি লোকক সামৰি লৈছে আৰু ১১ কোটি কৃষকে এতিয়া পিএম-কিষাণৰ জৰিয়তে প্ৰত্যক্ষ আয়ৰ সহায় লাভ কৰিছে।
- ১০ কোটি উজ্জ্বলা হিতাধিকাৰীৰ ভিতৰত অন্যতম মীৰা মাঝিৰ দৰে কাহিনীৰ জৰিয়তে এই সংখ্যাবোৰ সজীৱ হৈ উঠে। তেওঁব্যাখ্যা কৰে যে কেনেকৈ কোনো মধ্যভোগী নোহোৱাকৈ তেওঁৰ বেংক একাউণ্টত পোনপটীয়াকৈ ২.৫ লাখ টকা জমা হৈছিল। তেওঁৰ এতিয়া হৰ ঘৰ জলৰ জৰিয়তে টেপৰ পানী, প্ৰতিমাহে বিনামূলীয়া ৰেচন আৰু উজ্জ্বলাৰ অধীনত ধোঁৱাবিহীন পাকঘৰ আছে।
- আমাৰ বিগত সময়ৰ ইতিহাসৰ কেতিয়াও নেদেখা এয়া এক সমাৱেশী বিকাশ।

## তৃতীয় স্তম্ভঃ উৎপাদন আৰু উদ্ভাৱন

- ২০১৫ চনত আমি চাকৰি সৃষ্টি আৰু ঔদ্যোগিক বিকাশৰ পুনৰুজ্জীৱিতকৰণৰ বাবে মেক ইন ইণ্ডিয়া আৰম্ভ কৰিলোঁ। আজি ইলেক্ট্ৰনিকছ সামগ্ৰী উৎপাদন ৬গুণ বৃদ্ধি পাই ১২ লাখ কোটি টকা অতিক্ৰম কৰিছে। ইলেক্ট্ৰনিকছৰ ৰপ্তানি ৮গুণ বৃদ্ধি পাই ৩ লাখ কোটি টকা অতিক্ৰম কৰি শীৰ্ষ ৰপ্তানিকৃত সামগ্ৰীৰ ভিতৰত অন্যতম হৈ পৰিছে। ভাৰত এতিয়া দ্বিতীয় বৃহত্তম মোবাইল ফোন উৎপাদনকাৰী দেশ।
- আমি এতিয়া নতুন ইলেক্ট্ৰনিক উপাদান উৎপাদন আঁচনিৰ অধীনত ইলেক্ট্ৰনিক উপাদান উৎপাদন কৰি উৎপাদন মূল্য শৃংখল শক্তিশালী কৰি তুলিছো।
- ইয়াৰ সমান্তৰালভাৱে ভাৰতৰ অৰ্ধপৰিবাহী অভিযান ব্লুপ্ৰিণ্টৰ পৰা সফলতাৰ দিশত আগবাঢ়িছে। দেশৰ প্ৰথমটো বাণিজ্যিক ফেব নিৰ্মাণৰ কাম চলি আছে। পাঁচটা অ'এছএটি গোট কাৰ্যক্ষম হৈ আছে। আৰু ভাৰতৰ ছাত্ৰ-ছাত্ৰী আৰু অভিযন্তাসকলে থলুৱা আই পি থকা ২০টাতকৈও অধিক চিপছেট ডিজাইন কৰিছে। আমি বিশ্বমানৰ ইডিএ সঁজুলিৰে ২৭০খন বিশ্ববিদ্যালয় স্থাপন কৰিছো। ইয়াৰ দ্বাৰা বিশ্বই নিৰ্ভৰ কৰিব পৰা অৰ্ধপৰিবাহী প্ৰতিভাৰ পাইপলাইনৰ ভেটি স্থাপন কৰা হৈছে।



## চতুৰ্থ স্তম্ভ ঃ আইনৰ সৰলীকৰণ

বিগত দশকত প্ৰশাসন ব্যৱস্থাত এক নীৰৱ বিপ্লৱ পৰিলক্ষিত গৈছে। ১৫০০ৰো অধিক প্ৰাচীন আইন বাতিল কৰা হয় আৰু ৪০,০০০ৰো অধিক অনুপালন ব্যৱস্থা নাইকিয়া কৰা হয়। টেলিকম আইন আৰু ডিপিডিপি আইনৰ দৰে নতুন আইন বিশ্বাস আৰু সৰলতাৰ ওপৰত ভিত্তি কৰি নাগৰিকক সন্দেহৰ দৃষ্টিৰে নহয়, সন্মানেৰে ব্যৱহাৰ কৰা হৈছে। ইয়াৰ ফলত বিনিয়োগ, উদ্ভাৱন আৰু আনুষ্ঠানিককৰণক ইন্ধন যোগাইছে, যাৰ ফলত বিকাশৰ এক ফলপ্ৰসূ চক্ৰৰ সৃষ্টি হৈছে।

## মোদী মতবাদ

- বিগত ১১ বছৰত সন্ত্ৰাসবাদৰ প্ৰতি ভাৰতৰ দৃষ্টিভংগী সলনি হৈছে। ছাৰ্জিকেল ষ্ট্ৰাইক, এয়াৰ ষ্ট্ৰাইক আৰু এতিয়া অপাৰেচন সিন্দূৰৰ পৰা আৰম্ভ কৰি ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত স্পষ্টতা আৰু সাহস দেখুৱাইছে। প্ৰতিটো প্ৰত্যুত্তৰে দ্ৰুত, নিৰ্ণায়ক পদক্ষেপ প্ৰতিফলিত কৰে, যিটো আমাৰ নিজৰ চৰ্তমতে হয়।
- সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ দিয়াৰ এই নতুন পদ্ধতি মোদী মতবাদৰ অংশ। ই তিনিটা স্তম্ভৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে। ভাৰতৰ চৰ্তত নিৰ্ণায়ক প্ৰতিশোধ, পাৰমাণৱিক ভাবুকিৰ প্ৰতি শূন্য সহনশীলতা আৰু সন্ত্ৰাসবাদী আৰু তেওঁলোকৰ পৃষ্ঠপোষকৰ মাজত কোনো পাৰ্থক্য নৰখা।
- এইবাৰ আমাৰ প্ৰত্যুত্তৰে থলুৱা প্ৰযুক্তি আৰু সামৰ্থ্য ব্যৱহাৰ কৰি ইয়াক আৰু অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিলে। যি দেশে উন্নত হোৱাৰ আকাংক্ষা ৰাখে, সেই দেশে কেৱল নিজৰ জনসাধাৰণক সুৰক্ষা দিয়াই নহয়, আত্মনিৰ্ভৰশীলতাৰে সেয়া কৰিব লাগিব আৰু ভাৰতে ঠিক সেইটোৱেই কৰিছে।

## বিশ্বাস

- ইয়াৰ পূৰ্বে বিকাশৰ জোখ-মাখ সংখ্যাত কৰা হৈছিল। আজি ইয়াক ৰূপান্তৰিত জীৱনৰ সহায়ত জুখিব পাৰি। য'ত এগৰাকী গৃহিণী হৈ পৰে নিয়োগকৰ্তা। কৃষিক্ষেত্ৰত এআই এপ ব্যৱহাৰ কৰে এজন কৃষকে। এনে এগৰাকী মাতৃ যাৰ পাকঘৰ আৰু ধোঁৱাৰে ভৰি নাথাকে। এইবোৰ দেশজুৰি হোৱা এক নীৰৱ বিপ্লৱ।
- ২০০৪ চনত অটলজীৰ কাৰ্যকালৰ শেষত ভাৰত বিশ্বৰ একাদশ বৃহত্তম অৰ্থনীতিৰ দেশ আছিল। ২০০৪ চনৰ পৰা ২০১৪ চনৰ ভিতৰত ভাৰত একাদশ স্থানতে থাকিল, যিয়ে এটা দশকৰ হেৰোৱা গতিকে সূচালে। বিগত দশকত প্ৰধানমন্ত্ৰী মোদীৰ সংস্কাৰমূলক নীতিৰ বাবেই ভাৰতে গতি লাভ কৰিলে। আজি আমি বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ পথত দৃঢ়তাৰে আগবাঢ়িছো।
- প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত এই ১১ বছৰীয়া সমাৱেশী বিকাশে মানুহক ৰাজসাহায্য বা সেৱাতকৈও অধিক মূল্যৱান কিবা এটা দিছে। তেওঁলোকে জনসাধাৰণক এটা বিশ্বাস দিছে আৰু উন্নত ভৱিষ্যতৰ ওপৰত দৃঢ় বিশ্বাসেই দেশখনক আগুৱাই লৈ যায়।

মোদীৰ নেতৃত্বৰ দ্বাৰা পৰিচালিত এই দৃষ্টিভংগী চাৰিটা সহজ অথচ শক্তিশালী স্তম্ভৰ ওপৰত প্ৰতিষ্ঠিত। আন্তঃগাঁথনি নিৰ্মাণ যি সংযোগী, বিকাশ যি সমাৱেশী, উৎপাদন যি চাকৰি সৃষ্টিকাৰী আৰু ব্যৱস্থাৰ সৰলীকৰণ যি শক্তিশালী কৰে।●

# ৰাজনীতিৰ যুৱ তুৰ্ক



উত্তৰ প্ৰদেশৰ পূব অঞ্চলত এটা কথা প্ৰচলিতআছে। ইয়াৰ লোকসকলৰ তেজত প্ৰচুৰ পৰিমাণেলৌহ পদাৰ্থ থকা বুলি বিশ্বাস কৰা হয়। ইয়াৰে বলীয়া ভূমিত চন্দ্ৰশেখৰৰ জন্ম হৈছিল। তেওঁ ছাত্ৰ ৰাজনীতিৰ পৰা উঠি দেশৰ প্ৰধানমন্ত্ৰী হোৱা এজন নেতা। তেওঁৰ দৃঢ়তা, সাহস আৰু বীৰত্বৰ বাবে তেওঁক ৰাজনীতিৰ যুৱ তুৰ্কৰ সৈতে তুলনা কৰা হৈছিল, যি কেতিয়াও কাৰো আগত শিৰণত কৰা নাছিল। চন্দ্ৰশেখৰে প্ৰায়ে কৈছিল, 'মোক কাৰাগাৰত বন্দীয়েই কৰি ৰাখক বা মোৰ মুখ বন্ধই কৰক, কিন্তু মোৰ প্ৰশ্নবোৰ তুমি কেতিয়াও বাধা দিব নোৱাৰিবা।' প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ ক্ষন্তেকীয়া কাৰ্যকালৰ পিছতো দেশে তেওঁৰ ধাৰণা আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত কৰা প্ৰচেষ্টাক সদায় মনত ৰাখিব...

১৯২৭ চনৰ ১৭ এপ্ৰিলত উত্তৰ প্ৰদেশৰ বলিয়া জিলাৰ ইব্ৰাহিমপট্টি গাঁৱৰ এটা খেতিয়ক পৰিয়ালত চন্দ্ৰ শেখৰৰ জন্ম হৈছিল। সৰুৰে পৰাই তেওঁ ৰাজনীতিৰ প্ৰতি আকৰ্ষিত হৈছিল। বিপ্লৱী উদ্যম আৰু অগ্নিবৰ্ষা ভাষণৰ বাবে তেওঁ পৰিচিত হৈ পৰিছিল। ইয়াৰ ফলত তেওঁ সেই সময়ৰ এজন প্ৰগতিশীল আৰু 'যুৱ তুৰ্ক' নেতা হৈ পৰিছিল যিয়ে দৃঢ়তা, সাহস আৰু সততাৰে ন্যস্ত স্বাৰ্থৰ বিৰুদ্ধে যুঁজিছিল। জৰুৰীকালীন অৱস্থাত গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰা শাসকীয় দলৰ সেইসকল সদস্যৰ ভিতৰত চন্দ্ৰ শেখৰো অন্যতম আছিল। তেওঁ সদায় ক্ষমতাৰ ৰাজনীতিৰ বিৰোধিতা কৰিছিল আৰু গণতান্ত্ৰিক মূল্যবোধ আৰু সামাজিক পৰিৱৰ্তনৰ প্ৰতি দায়বদ্ধতাৰ ৰাজনীতিক মূল্য দিছিল।

চন্দ্ৰ শেখৰৰ নৈতিকতা আৰু শালীনতা আছিল ব্যতিক্ৰমী। তেওঁৰ আচৰণত সেয়া স্পষ্ট হৈ পৰিছিল। উদাহৰণস্বৰূপে, ব্যক্তিগত আৰু ৰাজহুৱা দুয়োটা দিশতে তেওঁ অটল বিহাৰী বাজপেয়ীক 'গুৰুজী' বুলি প্ৰায়ে সম্বোধন কৰিছিল। কেৱল ইমানেই নহয়, তেওঁ সদনত কৈছিল, 'গুৰুজী, মোক ক্ষমা কৰিব; অলপ সমালোচনা কৰিম।' চন্দ্ৰ শেখৰ আঠবাৰ বলিয়াৰ সাংসদ আছিল। ১৯৮৩ চনৰ ৬ জানুৱাৰীৰ পৰা ২৫ জুনৰ ভিতৰত দক্ষিণ দিশৰ কন্যাকুমাৰীৰ পৰা প্ৰায় ৪২৬০ কিলোমিটাৰ খোজ কাঢ়ি নতুন দিল্লীৰ ৰাজঘাটলৈ গৈছিল চন্দ্ৰ শেখৰে। তেওঁৰ যাত্ৰাৰ প্ৰধান লক্ষ্য আছিল মানুহক লগ পোৱা আৰু তেওঁলোকৰ ডাঙৰ প্ৰত্যাহ্বানৰ বিষয়ে জানিব পৰাটো। সামাজিক আৰু ৰাজনৈতিক কৰ্মীসকলক প্ৰশিক্ষণ দিয়াৰ লক্ষ্যৰে কেৰালা, তামিলনাডুসহ কৰ্ণাটক, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, গুজৰাট,



জন্ম: ১৭ এপ্ৰিল, ১৯২৭। মৃত্যু: ৮ জুলাই ২০০৭

উত্তৰপ্ৰদেশ আৰু হাৰিয়ানাকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত ১৫টা ভাৰত যাত্ৰা কেন্দ্ৰ প্ৰতিষ্ঠা কৰে, যাতে তেওঁলোকে দেশৰ পিছপৰা অঞ্চলসমূহৰ লোকসকলক শিক্ষিত কৰি তৃণমূল পৰ্যায়ত কাম কৰিব পাৰে। ১৯৯০ চনৰ ১০ নৱেম্বৰৰ পৰা ১৯৯১ চনৰ ২১ জুনলৈ প্ৰধানমন্ত্ৰী ভি পি সিঙৰ পদত্যাগৰ পিছত তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০০৭ চনৰ ৮ জুলাইত তেওঁৰ মৃত্যু হয়। তেওঁৰ জন্ম বাৰ্ষিকীত তেওঁক স্মৰণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "চন্দ্ৰ শেখৰ জী আছিল এগৰাকী মহান ব্যক্তিত্ব, গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি তেওঁৰ দায়বদ্ধতা আৰু দৰিদ্ৰতা নিৰ্মূলৰ প্ৰচেষ্টাৰ বাবে বহুলভাৱে প্ৰশংসিত। তেওঁ সদায় দুৰ্বল শ্ৰেণী আৰু বঞ্চিতসকলৰ কল্যাণৰ বাবে কাম কৰিছিল।"



অপাৰেচন সিন্দূৰ অভিযানৰ প্ৰতিনিধি দলক সাক্ষাৎ প্ৰধানমন্ত্ৰী মোদীৰ

# সৰ্বদলীয় প্ৰতিনিধি দলে
# বিশ্ববাসীৰ আগত দাঙি ধৰিলে ভাৰতৰ কণ্ঠ

২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত কাপুৰুষৰ দৰে সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত কৰাৰ পিছত ভাৰতে সীমা অতিক্ৰম কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে অপাৰেচন সিন্দূৰ অভিযান হাতত লৈ স্থল, পানী, আকাশত নিজৰ কৌশলগত শক্তি প্ৰদৰ্শন কৰে। আনহাতে, পাকিস্তানৰ পৃষ্ঠপোষকতাত চলি থকা সন্ত্ৰাসবাদক বিশ্ব পৰ্যায়ত উদঙাই দিবলৈ মে' মাহৰ শেষৰ ফালে বিভিন্ন ৰাজনৈতিক দলৰ সাংসদ আৰু প্ৰাক্তন কূটনীতিবিদকে ধৰি ভাৰতৰ সাতটা প্ৰতিনিধি দলে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সদস্য দেশকে ধৰি প্ৰধান অংশীদাৰ দেশসমূহ ভ্ৰমণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১০ জুনত তেওঁৰ চৰকাৰী বাসগৃহত সকলো প্ৰতিনিধি দলৰ সদস্যক সাক্ষাৎ কৰি বিশ্ব মঞ্চত ভাৰতৰ কণ্ঠক আগুৱাই নিয়াৰ ক্ষেত্ৰত তেওঁলোকে দেখুওৱা নিষ্ঠাৰ প্ৰশংসা কৰে...

ভাৰতে এতিয়া কেৱল সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰমাণ দাখিল কৰাই নহয়, তীব্ৰ প্ৰত্যুত্তৰো দিছে। এনে প্ৰত্যুত্তৰ যাৰ প্ৰতিধ্বনি সমগ্ৰ বিশ্বতে শুনিবলৈ পোৱা গৈছে। পেহেলগামত কাপুৰুষৰ দৰে সংঘটিত কৰা সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত অপাৰেচন সিন্দূৰ আৰম্ভ হোৱাৰ লগে লগে বিশ্বই ভাৰতৰ শক্তি প্ৰত্যক্ষ কৰিলে। অপাৰেচন সিন্দূৰ আৰু সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ স্থিতিৰ বিষয়ে বিশ্ববাসীক অৱগত কৰি দেশলৈ উভতি অহা সৰ্বদলীয় প্ৰতিনিধি দলটোৰ সদস্যসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি ভ্ৰমণৰ অভিজ্ঞতা ব্যক্ত কৰে। নৈশ আহাৰ গ্ৰহণৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰতিনিধি দলটোৰ সৈতে এঘণ্টাৰো অধিক সময় কটায় আৰু ব্যক্তিগতভাৱে সাক্ষাৎ কৰে। প্ৰতিনিধি দলৰ প্ৰতিগৰাকী সদস্যৰ লগত তেওঁ কথা পাতে। প্ৰতিনিধি দলটোৱে পাকিস্তানৰ পৃষ্ঠপোষকতাত চলি থকা সন্ত্ৰাসবাদৰ সত্যতা বিশ্বৰ আগত দাঙি ধৰে। প্ৰতিনিধি দলে নতুন সংকল্পৰে পাকিস্তানৰ



বিভিন্ন দেশত ভাৰতক প্ৰতিনিধিত্ব কৰা প্ৰতিনিধি দলৰ সদস্যসকলক সাক্ষাৎ কৰিলোঁ। শান্তিৰ প্ৰতি ভাৰতৰ দায়বদ্ধতা আৰু সন্ত্ৰাসবাদৰ ভাবুকি দূৰ কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। তেওঁলোকে ভাৰতৰ কণ্ঠক যিদৰে আগুৱাই লৈ গ'ল তাক লৈ আমি সকলো গৌৰৱান্বিত।

**- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

# এক মিছন, এক বাৰ্তা, এক ভাৰত



গোট ৫

এই দলটোৱে আমেৰিকা, পানামা, গুয়ানা, ব্ৰাজিল, কলম্বিয়া ভ্ৰমণ কৰে। এই দলটোৰ নেতৃত্ব বহন কৰে কংগ্ৰেছ সাংসদ ডঃ শশী থাৰুৰে। দলটোত এল জেপি (ৰামবিলাস)ৰ সাংসদ শম্ভৱী চৌধুৰী, জেএমএমকেৰ সৰফৰাজ আহমেদ, তেলেগু দেশম পাৰ্টিৰ জিএম হৰিশ বালযোগী, শিৱসেনাৰ মিলিন্দ দেওৰা আৰু প্ৰাক্তন ৰাজনীতিক তৰণজিৎ সিং সন্ধু অন্তৰ্ভুক্ত।

গোট ২

বিজেপি সাংসদ ৰবি শংকৰ প্ৰসাদৰ নেতৃত্বত গঠিত দলটোৱে ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইউৰোপীয় সংঘ, ইটালী, ডেনমাৰ্ক ভ্ৰমণ কৰে। ইয়াৰ ভিতৰত আছিল শিৱসেনা (ইউবি টি)ৰ সাংসদ প্ৰিয়ংকা চতুৰ্বেদী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এমজে আকবৰ আৰু প্ৰাক্তন ৰাজনীতিক পংকজ সৰণ।



ৰাষ্ট্ৰীয় ঐক্যৰ এক শক্তিশালী প্ৰতিফলন

**সাতটা প্ৰতিনিধি দলৰ নেতাসকল**

গোট ৭

এনচিপি (শাৰদ চন্দ্ৰ পাৱাৰ)ৰ সাংসদ সুপ্ৰিয়া ছুলেৰ নেতৃত্বত দলটোৱে ইজিপ্ত, কাটাৰ, ইথিওপিয়া, দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰে। ইয়াত কংগ্ৰেছ সাংসদ মনীষ তিৱাৰী, বিজেপিৰ সাংসদ ৰাজীৱ প্ৰতাপ ৰুডী আৰু প্ৰাক্তন ৰাজনীতিক চৈয়দ আকবৰুদ্দিনো অন্তৰ্ভুক্ত আছিল।



১ শশী থাৰুৰ, কংগ্ৰেছ | ২ ৰবিশংকৰ প্ৰসাদ, বিজেপি | ৩ সঞ্জয় কুমাৰ ঝা জেডিইউ | ৪ বৈজয়ন্ত পাণ্ডা বিজেপি | ৫ কনিমোঝি কৰুণানিধি ডিএমকে | ৬ সুপ্ৰিয়া চুলে এনচিপি | ৭ শ্ৰীকান্ত একনাথ শিন্দে, শিৱসেনা



**গোট ৪**

শিৱসেনাৰ সাংসদ শ্ৰীকান্ত একনাথ শিণ্ডেৰ নেতৃত্বত গঠিত দলটোৱে সংযুক্ত আৰব আমিৰশ্বাহী, লিবিয়া, কংগো গণতান্ত্ৰিক গণৰাজ্য, ছিয়েৰা লিয়ন ভ্ৰমণ কৰে। দলটোত বিজেপিৰ সাংসদ বাঁসুৰী স্বৰাজ, ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগৰ ইটি মহম্মদ বছিৰ, বিজেডিৰ সস্মিত পাত্ৰ আৰু প্ৰাক্তন ৰাজনীতিক সুজান চিনয় অন্তৰ্ভুক্ত আছিল।

**গোট ৬**

ডি এম কেৰ সাংসদ কানিমোজি কৰুণানিধিৰ নেতৃত্বত গঠিত দলটোৱে স্পেইন, গ্ৰীচ, স্লোভেনিয়া, লাটভিয়া, ৰাছিয়া ভ্ৰমণ কৰে। ইয়াত সমাজবাদী পাৰ্টিৰ ৰাজীৱ ৰায়, ৰাষ্ট্ৰীয় জনতা দলৰ প্ৰেমচান্দ গুপ্তা, আম আদমি পাৰ্টিৰ অশোক কুমাৰ মিত্তল আদি ব্যক্তি আছিল।

**গোট ৩**

এই দলটোৱে ইণ্ডোনেছিয়া, মালয়েছিয়া, কোৰিয়া ৰিপাব্লিক, জাপান আৰু ছিংগাপুৰ ভ্ৰমণ কৰে। ইয়াৰ নেতৃত্বত আছিল জেডিইউৰ ৰাজ্যসভাৰ সাংসদ সঞ্জয় কুমাৰ ঝা। দলটোত বিজেপিৰ সাংসদ অপৰাজিতা সাৰংগী, চিপিআই (এম)ৰ সাংসদ ড° জন ব্ৰিটাছ, কংগ্ৰেছৰ ছলমান খুৰশ্বিদ আৰু প্ৰাক্তন ৰাজনীতিক মোহন কুমাৰ অন্তৰ্ভুক্ত থাকে।

**গোট ১**

বিজেপি সাংসদ বৈজয়ন্ত পাণ্ডাৰ নেতৃত্বত গঠিত প্ৰতিনিধি দলটোৱে চৌদি আৰব, কুৱেইট, বাহৰেইন, আলজেৰিয়া ভ্ৰমণ কৰে। ইয়াত বিজেপিৰ ড° নিশিকান্ত ডুবে, সাংসদ ফাংনন কনিয়াক, এআইএমআইএমৰ সাংসদ আছাদুদ্দিন ওৱেইছি, গুলাম নবী আজাদ আৰু প্ৰাক্তন ৰাজনীতিক হৰ্ষ শ্ৰিংলা আদি ব্যক্তি আছিল।

পৃষ্ঠপোষকতাত চলা সন্ত্ৰাসবাদৰ সত্যক পৃথিৱীৰ সন্মুখত দাঙি ধৰিলে। ই সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ সামূহিক সংকল্প প্ৰতিফলিত কৰিছে। সৰ্বদলীয় প্ৰতিনিধি দলে সন্ত্ৰাসবাদৰ সকলো ৰূপ আৰু প্ৰকাশভংগীৰ বিৰুদ্ধে প্ৰতিহত কৰাৰ ক্ষেত্ৰত ভাৰতৰ ৰাষ্ট্ৰীয় ঐকমত্য আৰু শক্তিশালী দৃষ্টিভংগী প্ৰদৰ্শন কৰে। একে সময়তে, তেওঁলোকে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি সম্পৰ্কে বিশ্ববাসীক এক শক্তিশালী বাৰ্তা প্ৰদান কৰিলে।


G
S
T



# অৰ্থনীতিৰ অমৃত যাত্ৰা



স্বাধীনতাৰ ৬৭ বছৰৰ পাছত অৰ্থাৎ ২০১৪ চনলৈকে দেশখনৰ জিডিপি ২.০৪ ট্ৰিলিয়ন ডলাৰলৈকেহে উপনীত হ'ব পাৰিছিল। এনে পৰিস্থিতিত ধাৰাবাহিক সংস্কাৰৰ প্ৰয়োজন হৈছিল, যিয়ে দেশৰ অৰ্থনৈতিক স্বাস্থ্য শক্তিশালী কৰাই নহয়, বৰং আগলৈ গৈ এক শক্তিশালী অৰ্থনীতি গঢ়ি তুলিব পৰাকৈ এক ভেটিও প্ৰস্তুত কৰিব। উত্তৰাধিকাৰী সূত্ৰে পোৱা অসুবিধাৰ মাজতে আৰম্ভ হৈছিল এই সংস্কাৰ। সংস্কাৰৰ এই যাত্ৰাৰ এক মাইলৰ খুঁটি আহিছিল ২০১৭ চনৰ ১ জুলাইত জিএছটিৰ ৰূপত, যিটো দেশে ১৭ বছৰৰ পৰা অপেক্ষা কৰি আছিল। ইয়াৰ ফলস্বৰূপে আন এক গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সাফল্য লাভ কৰি, ভাৰতে জাপানক পিছপেলাই বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। এই অভূতপূৰ্ব সাফল্যৰে দেশে এখন উন্নত ভাৰত গঢ়াৰ দিশত আৰু এখোজ আগুৱাই গৈছে...



**ৰাষ্ট্ৰক আগবঢ়াই নিব লাগিলে ভাৰতক আধুনিকতাৰ দিশত লৈ যোৱাৰ বাহিৰে অন্য উপায় নাই। এয়া সময়ৰ দাবী যে এতিয়া আমি সময় নষ্ট কৰিব নোৱাৰোঁ।**

যেতিয়া দেশৰ শীৰ্ষ নেতৃত্বৰ সংকল্প ইমানেই শক্তিশালী হয়, তেতিয়া ইয়াৰ ফল সদায় অভূতপূৰ্ব হয়। উন্নত ভাৰতৰ সংকল্পৰে অমৃত যাত্ৰাৰ দিশে আগবাঢ়ি যোৱা ভাৰতৰ বাবে ইয়াতকৈ সুখদায়ক অনুভূতি কি হ'ব পাৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰি ৰাষ্ট্ৰই এক গুৰুত্বপূৰ্ণ অৰ্থনৈতিক প্ৰাপ্তি আহৰণ কৰি দেখুৱালে। আজি ভাৰত ৪ ট্ৰিলিয়ন ডলাৰেৰে বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। ভাৰতে এই কৃতিত্ব জাপানক পিছপেলাই অৰ্জন কৰিছে। আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ)ৰ শেহতীয়া প্ৰতিবেদন অনুসৰি, ভাৰত এতিয়া বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। আইএমএফৰ মতে ভাৰতৰ জিডিপি এতিয়া



৪.১৯ ট্ৰিলিয়ন ডলাৰ হৈছেগৈ। কোৱা হয় যে অতীতৰ তথ্যৰ ওপৰত ভৱিষ্যৎ গঢ়িব নোৱাৰি। ইয়াৰ বাবে বৰ্তমানে সঠিক পথত আগবাঢ়িব লাগিব। এই কাৰণেই ২০১৪ চনত যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ শাসনভাৰ লৈছিল তেতিয়া তেওঁৰ সন্মুখত ভাৰতৰ অৰ্থনীতিক পুনৰ শুদ্ধ পথলৈ অনাৰ বাবে কঠোৰ সিদ্ধান্ত গ্ৰহণৰ দায়িত্ব আছিল। প্ৰধানমন্ত্ৰী মোদীয়ে সৰ্বপ্ৰথমে সেই বন্ধনবোৰ ভাঙিবলৈ উদ্যোগ গ্ৰহণ কৰে, যিবোৰে অৰ্থনৈতিক গতিত স্পীড ব্ৰেকাৰ হিচাপে কাম কৰি আছিল। অপ্ৰয়োজনীয় আইন আঁতৰাই পেলোৱা হ'ল, উদ্যোগ আৰু বিনিয়োগকাৰীৰ বাবে ছিংগল উইণ্ড' ক্লিয়াৰেন্স, অনুকূল নীতিৰ কাঠামো, উন্নত আন্তঃগাঁথনিৰে বিনিয়োগৰ বাবে এক সুদৃঢ় বাতাবৰণ সৃষ্টি কৰি ইজ অফ ডুইং বিজনেছৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ল। ইয়াৰ সমান্তৰালভাৱে সুশাসনৰ সৈতে প্ৰযুক্তিৰ সংমিশ্ৰণ ঘটাই, অৰ্থনৈতিক প্ৰগতিৰ প্ৰতি লক্ষ্য ৰাখি বিনিয়োগৰ বাবে এনে এক শক্তিশালী পৰিবেশৰ সৃষ্টি কৰা হ'ল যে ভাৰতবৰ্ষই সমগ্ৰ বিশ্বৰ বিনিয়োগকাৰীৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিলে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'উন্নত ভাৰত @ ২০৪৭'ৰ দৃষ্টিভংগীৰে ভাৰতে বিশ্বৰ ক্ষেত্ৰখনত নিজকে অপৰিহাৰ্য শক্তি হিচাপে প্ৰতিষ্ঠা কৰাৰ দিশত আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। সেইবাবেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "আজি আমি বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতি হৈ পৰিছোঁ। যিকোনো ব্যক্তিয়েই সন্তুষ্ট হ'ব যে আমি এতিয়া জাপানকো পিছ পেলাই আগবাঢ়িলোঁ আৰু মোৰ মনত আছে, যেতিয়া আমি ৬ৰ পৰা ৫ হৈছিলোঁ, তেতিয়া দেশত এক বেলেগ ধৰণৰ উৎসাহ আছিল, বহুত উত্তেজনা আছিল, বিশেষকৈ যুৱক-যুৱতীসকলৰ মাজত, আৰু তাৰ কাৰণ আছিল যে ২৫০ বছৰলৈকে যি আমাৰ ওপৰত ৰাজ কৰিছিল, সেই ব্ৰিটেইনক পিছপেলাই আমি ৫ হৈছিলোঁ। কিন্তু এতিয়া ৪ হোৱাৰ আনন্দ যিমান হ'ব লাগে, তাতকৈ বেছি ৩ কেতিয়া হ'ব, তাৰ হেঁচা বাঢ়ি আছে। এতিয়া দেশে অপেক্ষা কৰিবলৈ সাজু নহয় আৰু যদি কোনোৱে অপেক্ষা কৰিবলৈ কয়, তেন্তে পিছফালৰ পৰা শ্লোগান আহে, মোদী হে তো মুমকিন হে।"

ৰাষ্ট্ৰসংঘৰ এক প্ৰতিবেদন অনুসৰি, ভাৰত সবাতোকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতিত পৰিণত হৈছে। ৰাষ্ট্ৰসংঘৰ বিশ্ব অৰ্থনৈতিক পৰিস্থিতি আৰু সম্ভাৱনা (ডব্লিউ ই এছ পি)ৰ ছমহীয়া প্ৰতিবেদন অনুসৰি, বিশ্বৰ অনিশ্চয়তাৰ মাজতো চলিত বিত্তীয় বৰ্ষত ভাৰতৰ অৰ্থনীতি ৬.৩ শতাংশ হাৰত বৃদ্ধি পাব বুলি আশা

"আমাৰ বাবে বহুত ডাঙৰ সুযোগ আছে, ৪ৰ পৰা ৩ নম্বৰ অৰ্থনীতিত উপনীত হ'বলৈ আমি হিন্দুস্তানৰ চহৰসমূহৰ অৰ্থনীতিৰ ওপৰত যদি মনোনিবেশ কৰোঁ, তেতিয়া আমি অতি দ্ৰুতগতিত তাতো উপনীত হ'ব পাৰিম। এটা সময় আছিল, যেতিয়া কোৱা হৈছিল - ভাৰত কিয়? এতিয়া দেশত হোৱা সংস্কাৰৰ প্ৰভাৱ দেখি কৈ থকা হৈছে যে 'ভাৰত কিয় নহয়?"


**- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**



কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ জ্যেষ্ঠ অৰ্থনীতিবিদ ইংগো পিট্টেৰলেই কয় যে এই বৃদ্ধি ব্যক্তিগত খণ্ডৰ উদ্যোগত হ'বলগীয়া ব্যবহাৰিতা আৰু সৰ্বজনীন বিনিয়োগৰ দ্বাৰা অনুপ্ৰাণিত। ৰিপোৰ্টত অনুমান কৰা হৈছে যে অহা বছৰ ভাৰতৰ অৰ্থনীতি ৬.৪ শতাংশ হাৰত বৃদ্ধি পাব।

**ভাৰতীয় অৰ্থনীতিত আমূল পৰিৱৰ্তন**

২০১৩ চনত এটা সময় এনেকুৱাও আছিল যেতিয়া ভাৰতীয় অৰ্থনীতি 'ফ্ৰেজাইল ফাইভ' গোটৰ সদস্য বুলি গণ্য কৰা হৈছিল যদিও বিগত বছৰবোৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত এতিয়া বিশ্বৰ ভিতৰতে দ্ৰুতগতিত বৃদ্ধি পোৱা প্ৰধান অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। ইয়াৰ বাবে অৰ্থনৈতিক পৰ্যায়ত বহুতো বৃহৎ সংস্কাৰ কৰা হৈছে। প্ৰথমতে




**বছৰৰ পিছত বছৰ ধৰি এইদৰে বৃদ্ধি পাইছে ভাৰতৰ জিডিপিৰ হাৰ**






মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰা হৈছিল, ব্যৱসায় কৰাত সহজতা বৃদ্ধি কৰা হৈছিল আৰু বিশ্ব ৰেংকিঙত ২০১৪ চনত ১৪২ নম্বৰ স্থানৰ পৰা ভাৰতে এতিয়া ৬৩ নম্বৰ স্থানত উপনীত হৈছে। বিত্তীয় ঘাটি হ্ৰাস কৰাৰ বাবে উদ্যোগ লোৱা হয়। কৰৰ জাল নিৰ্মূল কৰি এটা ব্যৱস্থা ৰূপায়ণ কৰা হয়। এনপিএ হ্ৰাস কৰিবলৈ বেংকিং সংস্কাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ঘৰ ক্ৰয়ৰ বাবে বেংকৰ পৰা লোৱা ঋণৰ সুতৰ হাৰ হ্ৰাস পোৱাৰ বাবে কোটি কোটি মানুহৰ ঘৰ ক্ৰয়ৰ সপোন পূৰণ হ'ল। এই সকলোবোৰ তথ্যই ভাৰতীয় অৰ্থনীতিৰ এক ইতিবাচক ছবি দেখুৱাইছে। ভাৰত যে এক প্ৰধান অৰ্থনৈতিক শক্তি হোৱাৰ দিশত আগবাঢ়িছে সেই কথাও দেখুৱাইছে।

প্ৰায়ে ইমান ডাঙৰ বিপদত কঠোৰ সিদ্ধান্ত লোৱাটো কোনো চৰকাৰৰ বাবে সহজ নহয়। সেইটোও তেতিয়া যেতিয়া কৰোণাৰ দৰে মহামাৰীৰ সংক্ৰমণক ভাৰতৰ প্ৰেক্ষাপটত বিশ্ববাসীৰ বাবে ভয়ংকৰ ছবি হিচাপে দেখুওৱা হয়। কিন্তু ধুমুহাৰ সৈতে যুঁজা পৰম্পৰাগত 'টেক, মেক, ৰেষ্ট' উৎপাদন আৰু উপভোগ

"যোৱা এটা দশকত আমাৰ চৰকাৰে 'ব্যৱসায় কৰাৰ ভয়'ক 'ব্যৱসায় কৰাত সহজ'লৈ ৰূপান্তৰিত কৰিছে। আন্তঃগাঁথনিৰ ক্ষেত্ৰত অভূতপূৰ্ব উন্নয়ন হৈছে, যাৰ ফলত লজিষ্টিক খৰচ হ্ৰাস পাইছে আৰু দক্ষতা বৃদ্ধি পাইছে। আমাৰ চৰকাৰে ব্যক্তিগত খণ্ডক বিকশিত ভাৰতৰ যাত্ৰাত এক গুৰুত্বপূৰ্ণ অংশীদাৰ বুলি গণ্য কৰে।

**- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

## ভাৰতৰ অৰ্থনীতি ১০ বছৰত ১০৫% হাৰত বৃদ্ধি পালে

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধি (আইএমএফ)ৰ তথ্য অনুসৰি ২০১৫ চনৰ পৰা ২০২৫ চনৰ ভিতৰত ভাৰতৰ অৰ্থনীতি প্ৰায় ১০৫ শতাংশ হাৰত বৃদ্ধি পাইছে। বিশ্বৰ উন্নত দেশসমূহৰ তুলনাত এইটোৱেই হৈছে আটাইতকৈ দ্ৰুত অৰ্থনৈতিক বৃদ্ধি। এই ১০ বছৰৰ সময়ছোৱাত আমেৰিকাৰ জিডিপিৰ আকাৰ ১৮.৩ ট্ৰিলিয়ন ডলাৰৰ পৰা ৩০.৩ ট্ৰিলিয়ন ডলাৰলৈ ৬৬ শতাংশ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে। চীনৰ অৰ্থনীতি ১১.১ ট্ৰিলিয়ন ডলাৰৰ পৰা ১৯.৫ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি পাব, যিয়ে ৪৬ শতাংশ বৃদ্ধি দেখুৱাইছে।

### চক্ৰীয় অৰ্থনীতিৰ প্ৰসাৰৰ ক্ষেত্ৰত ভাৰত আগশাৰীৰ দেশ

## ...২০৫০ চনৰ ভিতৰত ই ২ ট্ৰিলিয়ন ডলাৰৰ বজাৰ হ'ব

পৰম্পৰাগত 'টেক, মেক, ৱেষ্ট' উৎপাদন আৰু ব্যৱহাৰৰ আৰ্হিটো বহুলাংশে পৰিত্যাগ কৰি, চক্ৰীয় অৰ্থনীতিয়ে ২০৩০ চনৰ ভিতৰত বিশ্বজুৰি ৪.৫ ট্ৰিলিয়ন ডলাৰৰ সম্ভাব্য অতিৰিক্ত অৰ্থনৈতিক উৎপাদন যোগ কৰিব পাৰে। বিশেষকৈ ভাৰতৰ সম্পৰ্কত অনুমান কৰা হৈছে যে, ২০৫০ চনৰ ভিতৰত ভাৰতৰ বৃত্তাকাৰ অৰ্থনীতিয়ে ২ ট্ৰিলিয়ন ডলাৰৰ ওপৰৰ বজাৰ মূল্য উৎপন্ন কৰিব পাৰে। কেৱল এয়াই নহয়, ইয়াৰ দ্বাৰা প্ৰায় এক কোটি চাকৰিৰ সৃষ্টিও হ'ব পাৰে। যোৱা ১১ বছৰত ভাৰতে চক্ৰীয় অৰ্থনীতিৰ প্ৰসাৰৰ বাবে বহু উদ্যোগ লৈছে। এই কাৰণেই ভাৰতে সময়ৰ আগতেই কাৰ্বন নিৰ্গমন আৰু পৰিৱেশ সম্পৰ্কীয় লক্ষ্যত উপনীত হৈছে...

- ১১টা আৱৰ্জনা শ্ৰেণীৰ বাবে চক্ৰীয় অৰ্থনীতি কাৰ্য্য পৰিকল্পনা চূড়ান্ত কৰা হৈছে।
- প্লাষ্টিক পেকেজিং আৱৰ্জনা, বেটাৰীৰ আৱৰ্জনা, ই-আৱৰ্জনা, পেলনীয়া টায়াৰ, ব্যৱহৃত তেল আৰু ম্যাদ উকলি যোৱা বাহনৰ ক্ষেত্ৰত বজাৰভিত্তিক বৰ্ধিত উৎপাদক দায়বদ্ধতা (ইপিআৰ) নীতি অন্তৰ্ভুক্ত কৰা নিয়মসমূহ অৱগত কৰা হৈছে।
- ইউএনএফচিচিচি আৰু ইয়াৰ পেৰিছ চুক্তিৰ পক্ষ হিচাপে ভাৰতে ২০১৫ চনত প্ৰথম ৰাষ্ট্ৰীয়ভাৱে নিৰ্ধাৰিত অৱদান (এনডিচি) দাখিল কৰিছিল।
- ভাৰতে ২০৭০ চনৰ ভিতৰত নিকা শূন্য লাভৰ বাবেও নিজৰ দীৰ্ঘম্যাদী কম নিৰ্গমন উন্নয়ন কৌশল দাঙি ধৰিছে। ভাৰতে অৰ্থনৈতিক বিকাশক সেউজ গৃহ গেছৰ নিৰ্গমনৰ পৰা বিচ্ছিন্ন কৰিছে।
- মঞ্চৰ মূল ফলাফল জয়পুৰ ঘোষণাপত্ৰ (২০২৫-২০৩৪) হৈছে এক স্বেচ্ছামূলক, অবাধ্যতামূলক আৰু অৰাজনৈতিক প্ৰতিশ্ৰুতি যিয়ে অহা ১০ বছৰত চক্ৰীয় অৰ্থনীতিৰ দিশত আগবাঢ়ি যোৱাৰ বাবে এক ব্যাপক কাঠামো প্ৰদান কৰে।


মডেলক ব্যাপক স্তৰত এৰি, চাৰ্কুলাৰ ইকনমী ২০৩০লৈকে বিশ্বজুৰি অতিৰিক্ত অৰ্থনৈতিক উৎপাদনত সম্ভাব্য ৪.৫ ট্ৰিলিয়ন ডলাৰৰ বৃদ্ধি কৰিব পাৰে। দুৰ্যোগত সুযোগ বিচাৰি উলিওৱা আৰু প্ৰত্যাহ্বানৰ বিৰুদ্ধে যুঁজ দিয়াটো প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বৰ বিশেষত্ব হৈ আহিছে। এই কাৰণেই চৰকাৰে ক'ৰোনাৰ দৰে বিশ্বব্যাপী মহামাৰীৰ সৈতে মোকাবিলা কৰিবলৈ এনে এক গাঁথনি সৃষ্টি কৰিলে, যে লকডাউনৰ মাজতো দেশৰ অগ্ৰগতি অবিৰত হৈ থাকিল। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "আমি দৃঢ়প্ৰতিজ্ঞ হ'লে কোনো লক্ষ্য অসম্ভৱ নহয়, কোনো পথেই কঠিন নহয়। আজি ভাৰতবৰ্ষক স্বাৱলম্বী কৰি তুলিব লাগিব সেই আকাংক্ষাৰ লগতে সেই পথো আছে।" নিশ্চিতভাৱে ভাৰতত কেৱল সম্পদ আৰু সামৰ্থ্যই নহয়, বিশ্বৰ শ্ৰেষ্ঠ প্ৰতিভাও আছে, আমি কৰিব পাৰো বুলি যিয়ে এবাৰ সিদ্ধান্ত লয়, তেওঁলোকে সেইটো সম্পন্নকৰালৈকে ক্ষান্ত নহয়। এই কাৰণেই বহু দেশ আৰু ৰেটিং এজেন্সীয়ে ক'বলৈ বাধ্য হৈছে যে অনাগত সময়ত ভাৰত বিশ্বৰ ভিতৰতে আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি হ'ব।

**নতুন অৰ্থনৈতিক লক্ষ্যৰ দিশে আগবাঢ়িছে**

এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি স্থাপন কৰি ভাৰত ২০১৯ চনত বিশ্বৰ ৫ম বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হয়, আৰু ২০২৫ চনত জাপানক এৰি চতুৰ্থ বৃহত্তম অৰ্থনীতি হিচাপে পৰিগণিত হয়। ২০১১ চনত আমি ১১ নম্বৰত আছিলো, আনকি ব্ৰিটেইনও ২০০ বছৰ দেশত শাসন কৰা ভাৰতৰ পিছত আছে। এয়া নতুন ভাৰত আৰু ইয়াৰ শক্তিৰ এক জীয়া নিদৰ্শন। এই সফলতা এনে এটা সময়ত আহিছে যেতিয়া বিগত কেইটামান বছৰ বিশ্ব অৰ্থনীতিৰ বাবে অতি প্ৰত্যাহ্বানজনক হৈ পৰিছে, কিয়নো সমগ্ৰ বিশ্বৰ অৰ্থনৈতিক কাৰ্যকলাপ ক'ভিড-১৯ মহামাৰী আৰু ৰাছিয়া-ইউক্ৰেইন সংঘাতৰ দৰে বৃহৎ পৰিঘটনাৰ পৰা ঠন ধৰি উঠিছে। এফালে বিশ্বই যোৰ পাবলৈ সংগ্ৰাম কৰি আছে, আনফালে ভাৰতীয় অৰ্থনীতি নতুন উচ্চতাত আৰোহণ কৰিছে। আন্তৰ্জাতিক মুদ্ৰা নিধিৰ শেহতীয়া হিচাপত বিশ্বৰ অৰ্থনৈতিক

## বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি

আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ ৱৰ্ল্ড ইকনমিক আউটলুক ২০২৫ অনুসৰি ভাৰত এই বছৰো বিশ্বৰ আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি হিচাপে থাকিব। ২০২৪-২৫ চনৰ অৰ্থনৈতিক জৰীপত অনুমান কৰা হৈছে যে ২০২৫-২৬ চনত ইয়াৰ বৃদ্ধি ৬.৩%ৰ পৰা ৬.৮% হ'ব। বিভিন্ন বিশ্ব প্ৰতিষ্ঠানৰ মূল্যায়ন অনুসৰি ভাৰত আটাইতকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা প্ৰধান অৰ্থনীতি হৈয়ে থাকিব।




## ভাৰতৰ জিডিপি যাত্ৰা

| জিডিপি | বছৰ |
|---|---|
| ১ ট্ৰিলিয়ন ডলাৰ | ২০০৭ (স্বাধীনতাৰ পিছত ৬০ বছৰ লাগিছিল) |
| ২ ট্ৰিলিয়ন ডলাৰ | ২০১৪ (৭ বছৰত দুগুণ) |
| ৩ ট্ৰিলিয়ন ডলাৰ | ২০২১ (৭ বছৰ লাগিছিল) |
| ৪ ট্ৰিলিয়ন ডলাৰ | ২০২৫ (মাত্ৰ ৪ বছৰ সময় লাগিছিল) |

### বিশ্বৰ শীৰ্ষ ৫খন অৰ্থনীতি

আইএমএফৰ শেহতীয়া প্ৰতিবেদন অনুসৰি ভাৰত এতিয়া বিশ্বৰ চতুৰ্থ বৃহত্তম অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছে। আইএমএফৰ তথ্য অনুসৰি ভাৰতৰ জিডিপি এতিয়া ৪.১৯ ট্ৰিলিয়ন ডলাৰ হৈছেগৈ। আটাইতকৈ বিশেষ বৈশিষ্ট্য হ'ল এই প্ৰক্ৰিয়াত ভাৰতে জাপানকো পিছুৱাই থৈ গৈছে। আইএমএফৰ শেহতীয়া তথ্য অনুসৰি বিশ্বৰ শীৰ্ষ অৰ্থনীতিৰ তালিকা এনেধৰণৰ-




আইএমএফে কয় যে ২০২৫ চনত ভাৰতৰ অৰ্থনৈতিক বৃদ্ধি ৬.২% আৰু ২০২৬ চনত ৬.৩% হ'ব বুলি অনুমান কৰা হৈছে। ২০২৭ চনৰ ভিতৰত ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হ'ব বুলিও অনুমান কৰা হৈছে। এই বৃদ্ধিৰ হাৰ বিশ্বৰ বাকী প্ৰধান অৰ্থনীতিতকৈ বেছি।

বিকাশৰ প্ৰসংগত ভাৰতক বিশ্বৰ সৰ্বাধিক দ্ৰুতগতিত বৃদ্ধি পোৱা বৃহৎ অৰ্থনীতি হিচাপে স্বীকৃতি দিছে।


জিএছটি সংগ্ৰহৰ যথেষ্ট বৃদ্ধি, মূলধনী ব্যয় বৃদ্ধি, আৰু অতুলনীয় ৰপ্তানি প্ৰদৰ্শনে এক সজীৱ আৰু স্থিতিস্থাপক অৰ্থনীতি প্ৰদৰ্শন কৰিছে যিয়ে মহামাৰীৰ পৰা সফলতাৰে উদ্ধাৰ হোৱাই নহয়, বিশ্বৰ ৰাজনৈতিক অনিশ্চয়তাৰ মাজতো দ্ৰুতগতিত বৃদ্ধি পাইছে। ইয়াৰ মূলতে আছে ক'ভিড মহামাৰীৰ সময়ত অৰ্থনৈতিক নীতিৰ সঠিক ব্যৱস্থাপনা, তাৰ পিছত সামগ্ৰিক দৃষ্টিভংগীৰে ইয়াক সঠিক দিশত লৈ যোৱাৰ ব্যৱস্থা, যিয়ে ভাৰতৰ অৰ্থনীতি শক্তিশালী কৰিছে। কেন্দ্ৰীয় চৰকাৰে 'আতমনিৰ্ভৰ ভাৰত'ৰ লগতে 'মেক ইন ইণ্ডিয়া' পদক্ষেপৰ অধীনত ভাৰতক উৎপাদন খণ্ডত স্বাৱলম্বী কৰি তোলাৰ বাবে কেইবাটাও কাৰ্যসূচী আৰম্ভ কৰিছে।

১৪টা খণ্ডত প্ৰডাকচন লিংকড ইনচেণ্টিভ (পিএলআই) আঁচনিখনে এই খণ্ডটোক আৰু অধিক উৎসাহিত কৰিছে। এই উৎপাদন-সংলগ্ন প্ৰৰোচনামূলক আঁচনিখন অনাৰ আঁৰৰ উদ্দেশ্য হৈছে ঘৰুৱা উৎপাদনক বিশ্বব্যাপী প্ৰতিযোগিতামূলক কৰি তোলা আৰু ঘৰুৱা উদ্যোগীসকলক প্ৰস্তুত কৰা। পিএলআই আঁচনিসমূহে লাখ লাখ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিছিল আৰু

## জিএছটিয়ে ব্যৱসায়ৰ পথ সহজ কৰি তুলিলে

২০১৭ চনৰ ৩০ জুন আৰু ১ জুলাইৰ মাজৰ মাজনিশা ফেডাৰেলিজমৰ এক ডাঙৰ উদাহৰণ দাঙি ধৰি দেশখনে ১৭ বছৰীয়া যাত্ৰাক বাস্তৱলৈ ৰূপান্তৰিত কৰিলে। অৰ্থনীতিৰ জগতখনত জিএছটি এক বিপ্লৱত পৰিণত হৈছিল, যিয়ে সমগ্ৰ দেশক দিশ আৰু অৰ্থনীতিক এক নতুন মাত্ৰা প্ৰদান কৰিছিল। জিএছ টিৰ সম্পূৰ্ণ ৰূপ হৈছে সামগ্ৰী আৰু সেৱা কৰ। জিএছটি কাৰ্যকৰী হোৱাৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইয়াক গুড আৰু চিম্পল টেক্স বুলি অভিহিত কৰিছিল। দেশ আৰু ৰাজ্যত প্ৰযোজ্য হোৱা কৰ ব্যৱস্থা জিএছটিৰ আগতে ব্যৱসায়ীসকলে বহু ধৰণৰ কৰৰ মাজেৰে পাৰ হ'বলগীয়া হৈছিল। কিন্তু এতিয়া সমগ্ৰ দেশতে একেধৰণৰ কৰ ব্যৱস্থা প্ৰযোজ্য।




ভাৰতীয় অৰ্থনীতিক উন্নয়নৰ দ্ৰুত গতিত ৰাখিছিল। ভাৰতৰ মোবাইল উৎপাদন খণ্ডটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চিন্তাধাৰাৰ আৰু ইয়াক সৰ্বোচ্চ সম্ভাৱনালৈ অনাৰ দৃষ্টিভংগীৰ উদাহৰণ। পূৰ্বে মোবাইল ফোন আমদানিকাৰক হিচাপে থকা ভাৰত এতিয়া বিশ্বব্যাপী উৎপাদন কেন্দ্ৰত পৰিণত হৈছে। ২০১৪-১৫ চনত প্ৰায় ৬ কোটিৰ পৰা ২০২৩-২০২৪ চনত প্ৰায় ৩৩ কোটিলৈ ৫গুণ বৃদ্ধি পাইছে।

**উৎপাদন খণ্ডটোৰেই অৰ্থনীতিৰ মেৰুদণ্ড হৈ পৰিল**

> "আজি দেশত এনে এখন চৰকাৰ আছে যি ৰাষ্ট্ৰীয় স্বাৰ্থত সৰ্বাধিক ৰিস্ক ল'বলৈ সাজু। ইমান বছৰে জিএছটি আবদ্ধ হৈ আছিল কাৰণ আগতে চৰকাৰত থকাসকলে ৰাজনৈতিক ৰিস্ক লোৱাৰ সাহস গোটাব পৰা নাছিল। আমি কেৱল জিএছটি কাৰ্যকৰী কৰাই নহয় আজি আমি অভিলেখ সৃষ্টি কৰা জিএছটি সংগ্ৰহ দেখিবলৈ পাইছো।
>
> **- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

## অৰ্থনৈতিক সংস্কাৰৰ বাবে গ্ৰহণ কৰা ডাঙৰ পদক্ষেপ (২০১৪-২০২৪)




### সংস্কাৰেৰে ভৰা এক যাত্ৰা

- ২০১৪ চনৰ পৰা প্ৰায় ৪০ হাজাৰ অপ্ৰয়োজনীয় অনুবৰ্তী নাইকিয়া কৰা হৈছে।
- ব্যৱসায়ত বাধাৰ সৃষ্টি কৰা প্ৰায় ৩৮০০ আইন নিৰ্মূল বা সৰল কৰা হৈছে।
- কোম্পানী সংশোধনী আইন, ইনছলভেন্সি দেউলীয়া সংহিতা, একক খিৰিকী অনুমোদন, কৰ্পৰেট কৰ হ্ৰাস, পিএলআই আঁচনিৰ দৰে গুৰুত্বপূৰ্ণ সংস্কাৰ আৰু আঁচনিসমূহে ভাৰতত ব্যৱসায় সহজ কৰি তুলিছে।




প্ৰত্যক্ষ বিদেশী বিনিয়োগ নীতিৰ উদাৰীকৰণৰ লগে লগে উদ্যোগসমূহত বিনিয়োগৰ নতুন পথ মুকলি হৈছে।

ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ড অৰ্থাৎ এমএছএমই ভাৰতীয় অৰ্থনীতিৰ এক শক্তিশালী মেৰুদণ্ড হিচাপে বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াক শক্তিশালী কৰাৰ দিশত বহু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰে। ক'ভিডৰ সময়ত চৰকাৰৰ ইমাৰ্জেন্সি ক্ৰেডিট লাইন গ্যাৰাণ্টী আঁচনিয়ে এক কোটিৰো অধিক ক্ষুদ্ৰ, লঘু, আৰু মজলীয়া উদ্যোগক সহায় কৰি সম্ভৱতঃ স্থায়ীভাৱে বন্ধ হোৱাৰ পৰা ৰক্ষা কৰিছিল। ইয়াৰ লগতে প্ৰথমবাৰৰ বাবে এমএছএমইৰ সংজ্ঞাও সংশোধন কৰা হয়। শ্ৰম আৰু পৰিৱেশ আইন পৰিৱৰ্তনৰ দৰে সংস্কাৰে ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ডই নিজৰ কাৰ্য্যকলাপ সম্প্ৰসাৰণ আৰু উন্নয়নৰ দিশত আগবাঢ়ি যোৱাৰ পথ প্ৰশস্ত কৰিছে। ২০১৪ বৰ্ষৰ পিছত কেন্দ্ৰীয় চৰকাৰৰ নীতিৰ ফল হৈছে যে উৎপাদন খণ্ডই ভাৰতীয় অৰ্থনীতিৰ মেৰুদণ্ড হিচাপে আত্মপ্ৰকাশ কৰিছে। মেক ইন ইণ্ডিয়াৰ দৰে অভিযানৰ প্ৰভাৱ হ'ল, বস্ত্ৰ, ঔষধ, বাহন, ৰাসায়নিক, তীখা, ইলেক্ট্ৰনিকছৰ দৰে ডাঙৰ উদ্যোগৰ বলত ভাৰত এতিয়া কৃষি খণ্ডৰ লগতে অন্যান্য সামগ্ৰীৰ প্ৰধান ৰপ্তানিকাৰক হিচাপে আত্মপ্ৰকাশ কৰিছে। যদি আমি যোৱা ৫ বছৰৰ তথ্য চাওঁ তেন্তে এই খণ্ডটো প্ৰায় ১২.৫ শতাংশ হাৰত বৃদ্ধি পাইছে, যিটো বিশ্বৰ ভিতৰতে সৰ্বোচ্চ

## ‘বৃদ্ধি’ৰ শক্তিশালী ভেটি

- ভাৰতীয় উদ্যোগে ২০২৪-২৫ চনত আইপিঅ’ৰ জৰিয়তে সৰ্বকালৰ সৰ্বোচ্চ ১,৬২,৩৮৭ কোটি টকা বৃদ্ধি কৰিছিল।
- ২০২৪ চনৰ ডিচেম্বৰ মাহত খুচুৰা বিনিয়োগকাৰীৰ সংখ্যা ১৩.২ কোটিলৈ বৃদ্ধি পাইছে, ২০২০ চনত ই আছিল ৪.৯ কোটি। এই দ্ৰুত বৃদ্ধিয়ে ভাৰতৰ দীৰ্ঘম্যাদী অৰ্থনৈতিক সম্ভাৱনাৰ ওপৰত প্ৰবল আস্থা প্ৰতিফলিত কৰিছে।



ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণ ২০১৪ চনত ৯১,২৮৭ কিলোমিটাৰৰ পৰা ২০২৫ চনৰ মাৰ্চ মাহলৈকে ১,৪৬,২০৪ কিলোমিটাৰলৈ বৃদ্ধি পাইছে।

**১৬০** টা দেশৰ কাৰ্যকৰী বিমানবন্দৰ। ইয়াৰ ভিতৰত আছে ১৪৫টা বিমানবন্দৰ, ২টা জল বিমানবন্দৰ, আৰু ১৩টা হেলিপৰ্ট।


- নতুন উৎপাদন ইউনিটৰ বাবে ২০২৪ চনলৈকে কৰ হাৰ ১৫% আৰু ষ্টাৰ্টআপৰ বাবে কৰ প্ৰৰোচনা এবছৰৰ বাবে ৰখাটোৱে যোৱা কেইবছৰমানৰ পৰা গঢ়ি উঠা খণ্ডসমূহক উন্নীত কৰিলে, আৰু নিয়োগৰ সৃষ্টি কৰিলে।
- ২০২৪ চনৰ ডিচেম্বৰ মাহত অনুসূচিত বাণিজ্যিক বেংকসমূহৰ (এছচিবি) মুঠ নন-পাৰফৰ্মিং এচেট (জিএনপিএ) অনুপাত ১২ বছৰৰ নিম্নতম ২.৬%লৈ হ্ৰাস পাইছে।


ইলেক্ট্ৰনিক সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰত ৩২% উন্নীত হৈ ২০২৪-২৫ চনত ৩৮ বিলিয়ন ডলাৰৰ শীৰ্ষত উপনীত হৈছে।

২০২৪-২৫ বিত্তীয় বৰ্ষত ভাৰতৰ অনা-পেট্ৰলিয়াম ৰপ্তানি আছিল **৩৭৪.১** বিলিয়ন ডলাৰ, যিটো সৰ্বকালৰ সৰ্বোচ্চ

## যোৱা দশকত ভাৰতৰ মুঠ ৰপ্তানি ক্ৰমাগতভাৱে বৃদ্ধি পাইছে








**৩৪** গুণ বৃদ্ধি যোৱা দশকত, ভাৰতীয় প্ৰতিৰক্ষা

সামগ্ৰী এতিয়া প্ৰায় ১০০খন দেশলৈ প্ৰেৰণ কৰা হৈছে, যিয়ে ভাৰতৰ কৌশলগত প্ৰতিৰক্ষা সঁজুলিৰ বিশ্বব্যাপী যোগানকাৰী হিচাপে ক্ৰমাৎ বৃদ্ধি পোৱা সুনামক প্ৰতিফলিত কৰিছে।

মোবাইল আমদানিকাৰকৰ পৰা ভাৰত বিশ্বব্যাপী উৎপাদন কেন্দ্ৰত পৰিণত হৈছে








“


আহক আমি এটা প্ৰতিশ্ৰুতি লওঁ যে আমাৰ জীৱনত যেতিয়াই সম্ভৱ, দেশত নিৰ্মিত সামগ্ৰীক অগ্ৰাধিকাৰ দিম। এয়া কেৱল অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতাৰ কথা নহয়, ই হৈছে এক ৰাষ্ট্ৰ গঠনত অংশগ্ৰহণৰ ভাৱ।

**- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**




# ব্যৱসায় কৰাত সহজতাৰ বাবে এফডিআইৰ আবেদন বৃদ্ধি পালে


ভাৰতত বিনিয়োগ বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ২০১৪ চনৰ পিছত এনে বহু খণ্ডত প্ৰত্যক্ষ বিদেশী বিনিয়োগ অৰ্থাৎ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি দিছিল, যিবোৰ পূৰ্বতে ইয়াৰ পৰা আঁতৰত আছিল, কিন্তু ইয়াৰ অপৰিসীম সম্ভাৱনা আছিল। মেক ইন ইণ্ডিয়া, মেক ফৰ দ্য ৱৰ্ল্ডৰ অভিযানৰ লগে লগে বেছিভাগ খণ্ডতে ১০০ শতাংশ পৰ্যন্ত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ নিয়ম শিথিল কৰাটোৱে ভাৰতৰ উৎপাদন খণ্ডটোক নৱ ৰূপত সজাই তুলিলে।





● ভাৰতত এতিয়া ১১২খন দেশে প্ৰত্যক্ষ বিদেশী বিনিয়োগ কৰিছে, ২০১৩-১৪ চনত এই তালিকাত মাত্ৰ ৮৯খন দেশহে অন্তৰ্ভুক্ত হৈছিল।





● যোৱা ২৫ বছৰত ভাৰতলৈ ১০৭২ বিলিয়ন ডলাৰৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগ আহিছিল, ইয়াৰে ৭০% বিগত ১১ বছৰত আহিছিল।




● ৬৯১ বিলিয়ন ডলাৰেৰে ভাৰতৰ বৈদেশিক মুদ্ৰাৰ মজুত বিশ্বৰ চতুৰ্থ স্থানত আছে।




● ২০২৪ চনৰ ছেপ্টেম্বৰৰ শেষত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ হাতত আছিল ৮৫৪.৭৩ মেট্ৰিক টন সোণ, ইয়াৰে ৫১০.৪৬ মেট্ৰিক টন ঘৰুৱাভাৱে ৰখা হৈছে।

● ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ দেশসমূহে অহা ১৫ বছৰত ১০০ বিলিয়ন ডলাৰৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে। ইয়াৰ ফলত ৫০০ বিলিয়ন ডলাৰৰ বিনিয়োগ হ'ব বুলি আশা কৰা হৈছে।

হাৰ। ২০২৫ চনত প্ৰায় ৮৩ লাখ কোটি টকাৰ ঐতিহাসিক স্তৰত উপনীত হয়। জিডিপিত প্ৰায় ১৭ শতাংশ অৱদানৰ সৈতে এই খণ্ডই চাকৰি সৃষ্টিৰ ক্ষেত্ৰতো সহায়ক।

চাকৰি সৃষ্টিৰ সমান্তৰালকৈ কেন্দ্ৰীয় চৰকাৰে উৎপাদিত ক্ষেত্ৰসমূহৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল যিবোৰৰ কথা আগতে কেতিয়াও ভবা নাছিল। অৰ্ধপৰিবাহী নিৰ্মাণ ইয়াৰ আটাইতকৈ শেহতীয়া আৰু সঠিক উদাহৰণ। বিশ্বৰ প্ৰতিটো ইলেক্ট্ৰনিক সামগ্ৰীত ব্যৱহৃত অৰ্ধপৰিবাহী চিপৰ বাবে ভাৰত সদায় আমদানিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু এতিয়া প্ৰথমবাৰৰ বাবে অৰ্ধপৰিবাহী অভিযানৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে খোদ ভাৰততে নিজৰ উৎপাদনত মনোনিৱেশ কৰিছে। প্ৰধানমন্ত্ৰী মোদীৰ গতিশীল নেতৃত্বত ভাৰতেও বিনিয়োগৰ পছন্দৰ গন্তব্যস্থান হিচাপে আত্মপ্ৰকাশ কৰিছে। জিএছটি, আইবিচি, প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ব্যৱস্থাৰ নিৰন্তৰ উন্নতি, ব্যৱসায় কৰাত সহজতা, অনুসৰণ হ্ৰাস, আৰু বহু দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰাৰ ফলত প্ৰত্যক্ষ বিদেশী বিনিয়োগ অৰ্থাৎ প্ৰত্যক্ষ বিদেশী

## ১১ বছৰত চৰম দাৰিদ্ৰৰ পৰা মুক্ত হ'ল ২৭ কোটি ভাৰতীয়

'বিশ্ব বেংক'ৰ শেহতীয়া প্ৰতিবেদন অনুসৰি ভাৰতত ১১ বছৰত প্ৰায় ২৭ কোটি লোক চৰম দৰিদ্ৰতাৰ পৰা ওলাই আহিছে। তথ্য অনুসৰি ২০১১-১২ চনৰ চৰম দৰিদ্ৰতাৰ হাৰ ২৭.১%ৰ পৰা ২০২২-২৩ চনত মাত্ৰ ৫.৩%লৈ হ্ৰাস পাইছে। একে সময়তে গ্ৰাম্যাঞ্চলৰ চৰম দাৰিদ্ৰ ১৮.৪%ৰ পৰা ২.৮%লৈ হ্ৰাস পোৱাৰ বিপৰীতে চহৰ অঞ্চলত চৰম দাৰিদ্ৰ ১০.৭%ৰ পৰা ১.১%লৈ হ্ৰাস পাইছে। প্ৰতিবেদন অনুসৰি ২০০৫-০৬ চনত ৫৩.৮% বহুমাত্ৰিক দাৰিদ্ৰ ২০১৯-২১ চনৰ ১৬.৪% আৰু ২০২২-২৩ চনত ১৫.৫% লৈ হ্ৰাস পাইছে। একে সময়তে চৰম দৰিদ্ৰতাত জীৱন কটোৱা লোকৰ সংখ্যা ১১ বছৰত ৩৪.৪৪ কোটিৰ পৰা ৭.৫২ কোটিলৈ হ্ৰাস পাইছে। ইয়াৰ কৃতিত্ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সম্পন্ন হোৱা অৰ্থনীতিৰ নীতি সংস্কাৰ আৰু সংশোধনক দিয়া হৈছে।

## মে' মাহত 'খুচুৰা মুদ্ৰাস্ফীতি' ২.৮২%লৈ হ্ৰাস পাইছে, যিটো হাৰ হৈছে ৬ বছৰৰ ভিতৰতে সৰ্বনিম্ন

ভাৰতত 'গ্ৰাহক মূল্য সূচকাংক'ৰ ভিত্তিত চলিত বৰ্ষৰ মে' মাহত মুদ্ৰাস্ফীতি ২.৮২%লৈ হ্ৰাস পাইছে, যিটো বিগত বছৰৰ এই একেখিনি সময়ৰ তুলনাত বহু কম। পৰিসংখ্যা মন্ত্ৰালয়ৰ তথ্য অনুসৰি 'খুচুৰা মুদ্ৰাস্ফীতি'ৰ এই হাৰ হৈছে ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহৰ পিছত সৰ্বনিম্ন। মে' মাহত 'খাদ্যৰ মুদ্ৰাস্ফীতি' ০.৯৯% লৈ হ্ৰাস পাইছে, যিটো হাৰ হৈছে ২০২১ চনৰ অক্টোবৰৰ পিছত সৰ্বনিম্ন। মূলতঃ কৃষি উৎপাদন বৃদ্ধিৰ বাবেএকেৰাহে ৭ মাহ ধৰি 'খাদ্যৰ মুদ্ৰাস্ফীতি'অৱনমিত হৈছে। তদুপৰি ইন্ধনৰ মূল্যত হোৱা প্ৰশমন আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য হ্ৰাস পোৱাৰ বাবেও মুদ্ৰাস্ফীতি হ্ৰাস পাইছে। 'আৰ বি আই'য়ে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ মুদ্ৰাস্ফীতিৰ পূৰ্বানুমানৰ হাৰ ৩.৭%লৈ হ্ৰাস কৰিছে, যিটো ইতিপূৰ্বে ৪% হ'ব বুলি কৰা হৈছিল।

## 'আত্মনিৰ্ভৰ ভাৰত'-য়ে প্ৰতিকূলতাক সুযোগলৈ ৰূপান্তৰিত কৰিছে

- মহামাৰীৰ আৰম্ভণিৰে পৰা প্ৰধানমন্ত্ৰী মোদীৰ শক্তিশালী অৰ্থনৈতিক ব্যৱস্থাপনাই প্ৰতিকূলতাক সুযোগলৈ ৰূপান্তৰিত কৰিলে... সকলো অৰ্থনৈতিক সূচকে ভাৰতৰ অৰ্থনৈতিক পুনৰুজ্জীৱনৰ দিশলৈ আঙুলিয়াই দিছে।
- 'এমএছএমই'ৰ পৰা 'এমএনচি'লৈকে সকলো কোম্পানীৰে উৎপাদন সম্প্ৰসাৰিত হৈছে। ইয়াৰ দ্বাৰা সেৱা আৰু ৰপ্তানি খণ্ডলৈ এক ঐতিহাসিক অৱদান আগবঢ়াইছে।
- বহু খণ্ডত নিযুক্তিৰ প্ৰৱণতা সৰ্বোচ্চ পৰ্যায়ত আছে। ইয়াৰ ফলত বিকাশ চাকৰিলৈ ৰূপান্তৰিত হোৱাটো নিশ্চিত হৈছে।

## সহমতৰ আধাৰত সংস্কাৰ

- জটিল সময়ত ব্যক্তিগতভাৱে গাঁথনিগত বহু সংস্কাৰ আগুৱাই নি প্ৰধানমন্ত্ৰী মোদীয়ে সহমতৰ আধাৰত সংস্কাৰৰ নতুন ধাৰা আৰম্ভ কৰিলে।
- সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয়তাবাদৰ প্ৰসাৰৰ লগে লগে ৰাজ্যসমূহক কেন্দ্ৰীয় চৰকাৰে স্বেচ্ছাই সংস্কাৰ সাধন প্ৰক্ৰিয়া গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিছিল।
- সংস্কাৰে সকলো অংশীদাৰৰ স্বাৰ্থ সুৰক্ষিত কৰিছিল।

## এক উন্নত অৰ্থনীতিৰ নিৰ্মাণ

- 'সামগ্ৰী আৰু সেৱা কৰ' (জিএছটি) প্ৰৱৰ্তনৰ জৰিয়তে আনুষ্ঠানিকতাৰ অধিক সম্প্ৰসাৰণ।
- বকেয়া ধন আদায়ৰ বাবে চৰকাৰে লোৱা কঠোৰ ব্যৱস্থাৰ ফলত 'এনপিএ' আৰু অৰ্থনৈতিক অপৰাধ দ্ৰুতগতিত হ্ৰাস পায়।
- জটিল সময়ত 'আইবিচি'য়ে ভাৰতীয় 'বেংকিং আৰু কৰ্পৰেট' খণ্ডক উদ্ধাৰ কৰিছিল।
- ভাৰত দ্ৰুতগতিত 'ডিজিটেল ইকনমী'লৈ ৰূপান্তৰিত হৈছে।

বিনিয়োগ ক্ৰমাগতভাৱে বৃদ্ধি পাইছে।

বহু দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তি স্বাক্ষৰ কৰাৰ ফলত 'এফডিআই' অৰ্থাৎ 'প্ৰত্যক্ষ বিদেশী বিনিয়োগ' ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। চৰকাৰৰ এই প্ৰচেষ্টাসমূহে বিগত ১১ বছৰত ভাৰতীয় অৰ্থনীতিত এক উল্লেখযোগ্য পৰিৱৰ্তন সাধিত কৰিছে, আৰু একে সময়তে ইয়াৰ ইতিবাচক প্ৰভাৱ সমাজৰ সকলো শ্ৰেণীৰ ওপৰতো পৰিছে।

**'এমএছএমই'-ৰ খণ্ডত বিশেষ গুৰুত্ব**

ভাৰতৰ অৰ্থনীতিত যথেষ্ট অৰিহণা যোগোৱা 'এমএছএমই' খণ্ডক বিশেষ গুৰুত্ব দিয়া হৈছে। ক'ভিড-ৰ সময়ছোৱাত যেতিয়া সকলো স্তব্ধ হৈ পৰিছিলতেতিয়া 'এমএছএমই'খণ্ডক 'জৰুৰীকালীন ক্ৰেডিট লাইন গ্যাৰাণ্টী' আঁচনিৰ দ্বাৰা সুৰক্ষিত কৰা হৈছিল। কেৱল এয়াই নহয়'এমএছএমই'সমূহক ঋণ প্ৰদান কৰি ২.৩৯ লাখ কোটিতকৈটো অধিক টকা 'এনপিএ' হোৱাৰ পৰা ৰক্ষা কৰা হ'ল। ১.১৩ কোটি এমএছএমইক সহায় কৰি ১.৫ কোটিতকৈয়ো অধিক চাকৰি ৰক্ষা কৰা হ'ল আৰু যদি

## ডিজিটেল লেনদেনৰ বিপ্লৱ

জেপত মানিবেগ থাককেই বা নাথাককেই, এতিয়া মানুহে হাতত মোবাইল লৈ বজাৰলৈ যায় কাৰণ 'ইউনিফাইড পেমেণ্ট ইণ্টাৰফেচ' (ইউপিআই)ৰ দ্বাৰা বিক্ৰেতা আৰু ক্ৰেতা উভয়ৰে পথ সহজ হৈ পৰিছে। ইউপিআই আৰু ৰূপে কাৰ্ড-ৰ ব্যৱহাৰ দেশৰ সীমান্তৰ সিপাৰলৈকো বিয়পি পৰিছে। 'ইউপিআই পেমেণ্ট' এতিয়া ইউএই, ছিংগাপুৰ, ভূটান, নেপাল, শ্ৰীলংকা, ফ্ৰান্স, আৰু মৰিচাছত সক্ষম কৰা হৈছে।



যোৱা ৫টা বছৰত 'ইউপিআই'ৰে কৰা লেনদেন ১০ গুণে বৃদ্ধি পাইছে




**৪৯%**

ই 'গ্লোবেল ৰিয়েল টাইম ডিজিটেল পেমেণ্ট'ৰ সম্পন্ন হয় ভাৰতত।

(এচিআই ৱৰ্ল্ডৱাইড ৰিপৰ্ট ২০২৪)

## আত্মনিৰ্ভৰ ভাৰত পেকেজ

সমগ্ৰ বিশ্ব স্তব্ধ হৈ পৰা ক'ভিড-১৯ৰ সময়ছোৱাত 'আত্মনিৰ্ভৰ ভাৰত পেকেজ'ৰ জৰিয়তে চৰকাৰে কেৱল অৰ্থনীতিক সহায় কৰাই নহয়, সাধাৰণ মানুহৰ লগতে উদ্যোগসমূহৰো যত্ন লৈছিল। 'আত্মনিৰ্ভৰ ভাৰত ৰোজগাৰ যোজনা'-ৰ অধীনত ২০২৪ চনৰ জানুৱাৰী পৰ্যন্ত ৬০.৪৯ লাখ হিতাধিকাৰীক সুবিধা প্ৰদান কৰা হয়। নতুন চাকৰি সৃষ্টি কৰাৰ লগতে ক'ভিড-১৯ মহামাৰীৰ সময়ত হেৰুৱা চাকৰিসমূহ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ নিয়োগকৰ্তাসকলক উতসাহিত কৰাৰ উদ্দেশ্যে ২০২০ চনৰ অক্টোবৰ মাহত এই আঁচনিখন আৰম্ভ কৰা হৈছিল।

**২৯.৮ লাখ কোটি**

টকাৰ 'আত্মনিৰ্ভৰ ভাৰত পেকেজ' ক'ভিড-১৯ৰ সময়ত ভাৰতৰ অৰ্থনীতি সবল কৰি ৰাখিবলৈ আৰম্ভ কৰা হৈছিল।

চাৰিজনীয়া পৰিয়াল এটাই প্ৰতিটো চাকৰিৰ পৰা লাভৱান হয় তেন্তে ই ৬ কোটি লোকক সহায় কৰিলে।

**ভাৰতীয় অৰ্থনীতিক নতুন উচ্চতালৈ নিয়াৰ প্ৰয়াস**

ভাৰতবৰ্ষৰ ৫০ শতাংশ জনসংখ্যা ২৫ বছৰৰ তলৰ। এইখন দেশ অহৰহভাৱে বিকশিত হোৱা, যৌৱনৰ উৎসাহ আৰু ধাৰণাৰে ভৰা। পিচে, দেশৰ অৰ্থনীতিক আগুৱাই নিবলৈ কেন্দ্ৰীয় চৰকাৰৰ হাতত থকা সম্পদ- সাধাৰণ বাজেটখন কেৱল আয়-ব্যয়ৰ কাম-কাজতে সীমাবদ্ধ আছিল। কিন্তু, প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াত নতুন উৎসাহৰ সঞ্চাৰ কৰিলে যাতে যুৱক-যুৱতীসকলে ইয়াত অংশগ্ৰহণ নিশ্চিত কৰিব পাৰে। সমগ্ৰ দেশখনে উন্নয়নত অংশগ্ৰহণ কৰাৰ বাবে প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১১৫খন পিছপৰা জিলাক অভিলাষী জিলা বুলি উল্লেখ কৰি কয় যে এতিয়া অৰ্থনীতিৰ উন্নয়নে কেৱল দিল্লী আৰু মুম্বাইৰ প্ৰয়োজনীয়তা পূৰণ কৰাই নহয়, বৰঞ্চ, সমাজৰ অন্তিম স্থানত অৱস্থান গ্ৰহণ কৰা সকললৈকে সুবিধাসমূহ উপলব্ধ হোৱাটো নিশ্চিত কৰি সকলোকে আনুষ্ঠানিক অৰ্থনীতিৰ অংশীদাৰ হিচাপে



### ‘এমএছএমই’সমূহক শক্তিশালী কৰাৰ পদক্ষেপ

ভাৰত চৰকাৰে ২০২০ চনৰ মে’ মাহত জৰুৰীকালীন ঋণ সুবিধা নিশ্চয়তা আঁচনি আৰম্ভ কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল ‘ক্ষুদ্ৰ, লঘু, আৰু মজলীয়া উদ্যোগ’ (এমএছএমই) আৰু ব্যৱসায়িক উদ্যোগসমূহক ক’ভিড-১৯ মহামাৰীৰ ফলত সৃষ্টি হোৱা অসুবিধাসমূহ দূৰ কৰি ব্যৱসায় পুনৰ আৰম্ভ কৰাত সহায় কৰা।

- ‘ইচিএলজিএছ’-ৰ অধীনত এমএছএমইসমূহৰ বাবে ৩.৬৮ লাখ কোটি টকাতকৈয়ো অধিক অনুমোদন। ইয়াৰ দ্বাৰা ১.২০ কোটিৰো অধিক ঋণ গ্ৰহণকাৰী লাভৱান হৈছিল।
- ‘এমচিজিএছ-এমএছএমই’সমূহৰ অধীনত নিশ্চয়তাৰ সীমা ১০০ কোটি টকালৈ বৃদ্ধি কৰা হৈছিল। ‘মিউচুৱেল ক্ৰেডিট গ্যাৰাণ্টী আঁচনি’ৰ জৰিয়তে ‘এমএছএমই’সমূহক অনুমোদিত ১০০ কোটি টকা পৰ্যন্ত ঋণৰ সুবিধা দিয়াৰ বাবে ৬০% ‘গ্যাৰাণ্টী কভাৰেজ’ প্ৰৱৰ্তন কৰা হয়।

### ১২ বছৰৰ নিম্নতম স্তৰত ‘জিএনপিএ’

ভাৰতৰ মুদ্ৰা আৰু বিত্তীয় খণ্ডই ২০২৪-২৫ চনত ভাল প্ৰদৰ্শন কৰিছে। বিত্তীয় বৰ্ষটোত ‘বেংক ক্ৰেডিট’ সুস্থিৰ হাৰত বৃদ্ধি পাইছে। অনুসূচিত বেংকসমূহৰ লাভজনকতাৰ ধাৰাবাহিক উন্নতি ঘটিছে। ‘গ্ৰছ ননপাৰফৰ্মিং এচেটছ’ (জিএনপিএ) হ্ৰাস পোৱা কথাই ইয়াৰ সংকেত দিছে।

- ২০২৪ চনৰ ডিচেম্বৰ মাহত ‘জিএনপিএ’ ২.৬% লৈ হ্ৰাস পাইছে, যিটো হৈছে ১২ বছৰৰ ভিতৰতে সৰ্বনিম্ন স্তৰ। শক্তিশালী হৈছে বেংকিং ব্যৱস্থা।

### উৎপাদন সংযোগী উদগণি আঁচনি

ভাৰত চৰকাৰে ২০২০ চনত আৰম্ভ কৰা ‘উৎপাদন সংযোগী উদগণি আঁচনি’ (পিএলআই) আঁচনিখন হৈছে ঘৰুৱা উৎপাদন বৃদ্ধি, বিনিয়োগ আকৰ্ষণ, আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস, আৰু ৰপ্তানি বৃদ্ধি কৰাৰ লক্ষ্যৰে এক ৰূপান্তৰণশীল পদক্ষেপ

- ‘পিএলআই’ আঁচনিখনৰ জৰিয়তে ১.৬১ লাখ কোটি টকাৰ বিনিয়োগ, ১৪ লাখ কোটি টকাৰ উৎপাদন, ৫.৩ৰ লাখ কোটি টকাৰ ৰপ্তানি, আৰু ১১.৫ লাখ চাকৰিৰ সৃষ্টি কৰা হয়।

(*২০২০ চনৰ এপ্ৰিল মাহৰ পৰা)





গঢ়ি তুলিব লাগিব, কাৰণ মূলতঃ, মানুহ কৰ্মক্ষম বয়স গোটত কাম কৰিবলৈ সক্ষমসকল পছন্দৰ ভিত্তিত দুখীয়া নহয়। বহু সুবিধা আৰু সুযোগৰ সুবিধা নথকাৰ বাবেহে তেওঁলোক দুখীয়া হয়। ভাৰতৰ যিকোনো ঠাইতে বসবাস কৰা নাগৰিকে, পুৰুষেই হওক বা মহিলাই হওক ব্যক্তিগত আৰু সামূহিক সা-সুবিধাসমূহ উপভোগৰ সুবিধা লাভ কৰা উচিত। ইয়াৰ ফলত জীৱন-যাপনৰ সহজতা বৃদ্ধি পায়। এই দিশত কেন্দ্ৰীয় চৰকাৰে যি কাম কৰিছিল, ক’ভিড কালটোৰ সাধাৰণ বাজেট এই একেটা দীৰ্ঘম্যাদী চিন্তাৰ ভিত্তিতে যুগুতোৱা হৈছিল।

নিশ্চিতভাৱে, ভাৰতীয় অৰ্থনীতিয়ে কেৱল উন্নত প্ৰদৰ্শন কৰাই নহয়ই সুস্থিৰ হ’বলৈও আৰম্ভ কৰিছে। বিশ্বৰ সকলো সংস্থাৰ অনুমানতকৈ ভাৰতে ভাল প্ৰদৰ্শন কৰিছে, কাৰণ দেশ আৰু ইয়াৰ শীৰ্ষ নেতৃত্বই ‘ত্ৰিমাসিকৰ পৰা ত্ৰিমাসিকলৈ নহয়, দীৰ্ঘম্যাদী দৃষ্টিকোণেৰে চিন্তা কৰিছে। দূৰদৰ্শিতাৰে জীৱন আৰু অৰ্থনীতিৰ সমন্বয়ৰ দ্বাৰা ‘বিকশিত ভাৰত @ ২০৪৭’ৰ সংকল্পৰে ‘অমৃত কাল’ৰ যাত্ৰাৰ দিশে আগবাঢ়িছে।


# জম্মু আৰু কাশ্মীৰৰ আন্তঃগাঁথনিয়ে নতুন উচ্চতা স্পৰ্শ কৰিছে



বিকাশৰ বাবে নতুন পথ মুকলি কৰাৰ উপৰিও আন্তঃগাঁথনি উন্নয়নে একোটা সম্প্ৰদায়ৰ আকাংক্ষাক সুখ আৰু আশাৰ সৈতে সংযুক্ত কৰে। বিশেষকৈ কাশ্মীৰৰ দৰে অঞ্চলত, য'ত প্ৰত্যাহ্বানমূলক ভূখণ্ড আৰু প্ৰতিকূল বতৰৰ পৰিস্থিতিৰ সন্মুখত ৰে'ল নেটৱৰ্ক নিৰ্মাণ কৰাটো এক সমস্যা আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যৱসায়ৰ বাবেএতিয়া কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈকে ৰে'ল নেটৱৰ্ক বাস্তৱত পৰিণত হৈছে। দশক দশক ধৰি চলি থকা অপেক্ষাৰ অন্ত পেলাই প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ আন্তঃগাঁথনিৰ নতুন আশ্চৰ্য্য হিচাপে 'বিশ্বৰ সৰ্বোচ্চ' 'চেনাব ৰে'ল দলং' আৰু প্ৰথমখন 'কেবল ষ্টেইড' দলং 'অঞ্জি খাদ' উদ্বোধন কৰে...

শক্তিশালী আৰু বিশ্বমানৰ আন্তঃগাঁথনি এতিয়া কেৱল নতুন ভাৰতৰ পৰিচয়েই নহয় বৰঞ্চ ইয়াৰ শক্তিৰ ঘোষণাও। বিশ্বই ভাৰতৰ শক্তিৰ আন এখন ছবি দেখা পালে ৬ জুনত যেতিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৭২ কিলোমিটাৰ দৈৰ্ঘ্যৰ 'উধমপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল সংযোগ প্ৰকল্প'টো ৰাষ্ট্ৰৰ বাবে উৎসৰ্গা কৰাৰ লগতে 'চেনাব ৰে'ল দলং' আৰু 'অঞ্জি খাদ ৰে'ল দলং' উদ্বোধন কৰি কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈকে ৰে'ল নেটৱৰ্কৰ দেশৰ সপোনটো পূৰণ কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে শ্ৰী মাতা বৈষ্ণো দেৱী কাট্ৰাৰ পৰা শ্ৰীনগৰলৈ যোৱা দুখন বন্দে ভাৰত ৰে'লৰে 'ফ্লেগ অফ' কৰে। ইয়াৰ লগে লগে ১৯৭২ চনতে জম্মুত উপস্থিত হোৱা ৰে'লখনে অৱশেষত দীঘলীয়া যাত্ৰাৰ অন্তত পোনে পোনে শ্ৰীনগৰ পালেগৈ। উদ্বোধনী অনুষ্ঠানত জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই দিয়া ভাষণৰ পৰাও কাশ্মীৰ উপত্যকাৰ বাবে এই ৰে'ল প্ৰকল্পৰ গুৰুত্ব স্পষ্ট হৈ পৰিছে, য'ত তেওঁ কয় যে এই প্ৰকল্পৰ ভেটি স্থাপন কৰা হৈছিল যেতিয়া তেওঁ অষ্টম শ্ৰেণীত অধ্যয়ন কৰি আছিল। এই ৰেল সংযোগৰ সপোন দেখি দেখিয়েই জম্মু-কাশ্মীৰৰ বহু প্ৰজন্মই ইতিমধ্যে বিদায় লৈছে।

প্ৰধানমন্ত্ৰী মোদীয়ে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহত গুৰুত্ব আৰোপ কৰে, যেনে দুৰ্গম ভূখণ্ড, বিপৰ্যয়পূৰ্ণ বতৰ, আৰু পাহাৰত শিল সৰি পৰা, যাৰ ফলত প্ৰকল্পটো অপৰিসীম কঠিন আৰু অভিযন্তা আৰু শ্ৰমিকসকলৰ



## চেনাব দলং...

'আইফেল টাৱাৰ'তকৈয়ো ৩৫ মিটাৰ ওখ

**৩৫৯**

৩৫৯ মিটাৰ উচ্চতাত অৱস্থিত চেনাব ৰেল দলংখন বিশ্বৰ সৰ্বোচ্চ তোৰণসদৃশ ৰে'লৱে' দলং, স্থাপত্যৰ এক আশ্চৰ্য।

**১,৩১৫**

মিটাৰ দীঘল তীখাৰে নিৰ্মিত তোৰণসদৃশ দলংখন' আইফেল টাৱাৰ'তকৈ ৩৫ মিটাৰ ওখ।

**২৬০**

কিলোমিটাৰ বেগত ঘণ্টাত বলা বতাহো সহ্য কৰিব পাৰে এই নিৰ্মাণে।

**২৮,৬৬০**

মেট্ৰিক টন তীখা দলংখন নিৰ্মাণৰ কামত ব্যৱহাৰ কৰা হৈছে।

দলংখনৰ আয়ুস হৈছে ১২০ বছৰ।

ভূমিকম্প আৰু বতাহৰ দৰে প্ৰতিটো পৰিস্থিতিকে সহ্য কৰিবলৈ ই সাজু।

**১,৪৮৬**

কোটি টকা ইয়াৰ নিৰ্মাণত ব্যয় কৰা হৈছে

এই দলঙেৰে 'বন্দে ভাৰত এক্সপ্ৰেছ' পাৰ হোৱাৰ লগে লগে কাট্ৰা আৰু শ্ৰীনগৰৰ মাজৰ যাত্ৰাৰ সময় প্ৰায় তিনি ঘণ্টালৈ হ্ৰাস পাব, যাৰ ফলত বৰ্তমানৰ যাত্ৰাৰ সময় দুঘণ্টাৰ পৰা তিনি ঘণ্টা হ্ৰাস পাব।

# অপাৰেছন সিন্দূৰ

## স্বাৱলম্বী ভাৰতৰ শক্তি

*প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে 'অপাৰেছন সিন্দূৰ'-য়ে 'আত্মনিৰ্ভৰ ভাৰত'ৰ শক্তি কেনেকৈ দেখুৱাইছে। এই কাৰণেই আজি বিশ্বই ভাৰতৰ প্ৰতিৰক্ষা পৰিৱেশতন্ত্ৰৰ বিষয়ে আলোচনা কৰিছে। ইয়াৰ আঁৰত এটাই কাৰণ আছে, সেয়া হৈছে দেশৰ সেনাৰ 'মেক ইন ইণ্ডিয়া'ৰ প্ৰতি দেখুওৱা বিশ্বাস।*

- সেনাই যি কৰিছে, এতিয়া প্ৰতিগৰাকী ভাৰতীয়ই পুনৰাবৃত্তি কৰিব লাগিব। চৰকাৰে বাজেটত 'মিছন মেনুফেকশ্যাৰিং'-ৰ কথা ঘোষণা কৰে। এই অভিযানৰ অধীনত চৰকাৰে 'মেনুফেকশ্যাৰিং'-ক নতুন উৰণ দিয়াৰ কাম কৰি আছে।
- যোৱা ১০টা বছৰত ভাৰত প্ৰতিৰক্ষা সামগ্ৰীৰ এক প্ৰধান ৰপ্তানিকাৰী হিচাপে পৰিগণিত হৈছে। এতিয়া লক্ষ্য হৈছে ভাৰতৰ নাম বিশ্বৰ প্ৰতিৰক্ষা সামগ্ৰীৰ শীৰ্ষ শীৰ্ষ ৰপ্তানিকাৰী দেশসমূহৰ তালিকাত অন্তৰ্ভুক্ত কৰা। এই লক্ষ্যৰ দিশত দেশ যিমানেই দ্ৰুতগতিত আগবাঢ়িব সিমানেই ভাৰতত কৰ্মসংস্থাপনৰ সুযোগ দ্ৰুতগতিত সৃষ্টি হ'ব।
- সীমান্তত বসবাস কৰা জনসাধাৰণক কেন্দ্ৰীয় চৰকাৰে দেশৰ সন্মুখৰ ৰক্ষক হিচাপে গণ্য কৰে। এই কাৰণেই সীমান্ত জিলাসমূহৰ উন্নয়ন আৰু নিৰাপত্তা সুদৃঢ় কৰাৰ বাবে বিগত দশকত অভূতপূৰ্ব প্ৰচেষ্টা চলোৱা হৈছে।
- অঞ্চলটোত প্ৰায় ১০ হাজাৰ নতুন বাংকাৰ নিৰ্মাণ কৰা হৈছে, যিবোৰে অপাৰেছন সিন্দূৰৰ পিছত জীৱন ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল
- জম্মু-কাশ্মীৰ সংমণ্ডলৰ বাবে দুটা নতুন সীমান্ত বেটেলিয়নৰ লগতে দুটা উতসৰ্গিত মহিলা বেটেলিয়ন সৃষ্টি কৰি প্ৰতিৰক্ষাৰ সামৰ্থ্য শক্তিশালী কৰা হৈছে।
- আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল আৰু প্ৰত্যাহ্বানমূলক ভূখণ্ডৰ উন্নয়নত কোটি কোটি টকা বিনিয়োগ কৰা হৈছে। 'ভাইব্ৰেণ্ট ভিলেজ প্ৰগ্ৰেম'ৰ অধীনত সীমান্তৱৰ্তী গাঁওসমূহত উন্নয়নমূলক পদক্ষেপ ত্বৰান্বিত কৰা হৈছে।
- জম্মু-কাশ্মীৰৰ ৪০০খন গাঁও পূৰ্বে বেয়া বতৰত সংযোগৰ পৰা বঞ্চিত হৈ থাকিছিল; এতিয়া সেই গাঁওসমূহৰ বাবে ১৮০০ কিলোমিটাৰ নতুন পথ নিৰ্মাণ কৰা হৈছে। ইয়াৰ ফলত জীৱন সহজ হৈ উঠিছে।



> 'উধমপুৰ-শ্ৰীনগৰ-বৰামুল্লা ৰেলৱে লাইন প্ৰজেক্ট'...কেৱল এক নামেই নহয়...এয়া হৈছে জম্মু-কাশ্মীৰৰ নতুন শক্তিৰো পৰিচয়...ই হৈছে ভাৰতৰ নতুন শক্তিৰ ঘোষণা।
>
> **- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

### উধমপুৰ-শ্ৰীনগৰ বাৰামুল্লা ৰে'ল সংযোগী প্ৰকল্প

'উধামপুৰ-শ্ৰীনগৰ-বাৰামুল্লা ৰে'ল সংযোগ' হৈছে স্বাধীন ভাৰতত গ্ৰহণ কৰা অন্যতম অভিলাষী ৰে'ল প্ৰকল্প। জম্মু-কাশ্মীৰৰ আৰ্থ-সামাজিক বিকাশৰ এক নতুন কাহিনী ৰচনা কৰা এই প্ৰকল্পটো হৈছে অভিযন্তা আৰু প্ৰকৃতিক জয় কৰাৰ মানৱীয় দৃঢ়তাৰ প্ৰমাণ, কিন্তু ততোধিক হৈছে ৰাজনৈতিক ইচ্ছাশক্তিৰ এক মুখৰ নিদৰ্শন। হিমালয়ৰ দুৰ্গম পাহাৰত ২৭২ কিলোমিটাৰ দৈৰ্ঘ্য যত বিস্তৃত এই প্ৰকল্পটো ৪৩, ৭৮০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ইয়াত ১১৯ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৩৬টা সুৰংগ আৰু উপত্যকা, শৃংগ আৰু পৰ্বতীয়া পথ সংযোগ কৰা ৯৪৩খন দলং অন্তৰ্ভুক্ত কৰা হৈছে।





## অঞ্জি খাদ

### ভাৰতৰ প্ৰথমখন কেবল-ষ্টেড দলং

জম্মু চহৰৰ পৰা প্ৰায় ৮০ কিমি দূৰত্বত তুষাৰ-আবৃত শৃংগৰ মাজত নিৰ্মিত এই দলংখন আকৰ্ষণীয়ভাৱে ডিজাইন কৰা হৈছে। নদীগৰ্ভৰ পৰা এই দলংখনৰ উচ্চতা ৩৩১ মিটাৰ। অঞ্জি খাদৰ মূল দলংখন হৈছে ৪৭৩.২৫ মিটাৰ দৈৰ্ঘ্যৰ কেবল-আধাৰিত দলং, ইয়াৰ মূল স্পেন ২৯০ মিটাৰ। এই দলংখন ৯৬ হাই-টেন্সিল কেবলৰ দ্বাৰা সমৰ্থিত; এই কেবলবোৰৰ মুঠ দৈৰ্ঘ্য ৬৫৩ কিমি। দলংখনক ঘণ্টাত ২১৩ কিমি বেগেৰে বতাহ বলা প্ৰচণ্ড ধুমুহা সহ্য কৰিব পৰাকৈ নিৰ্মাণ কৰা হৈছে। এই দলঙৰ ডেকত ৪০ কেজি টিএনটি (বিস্ফোৰক) বিস্ফোৰিত হ'লেও দলংখনৰ কোনো ক্ষতি নহ'ব।

### জম্মু-শ্ৰীনগৰ বন্দে ভাৰত এক্সপ্ৰেছ

উধমপুৰ-শ্ৰীনগৰ-বাৰামুলা ৰেল লিংকেৰে জম্মু আৰু শ্ৰীনগৰৰ মাজত বন্দে ভাৰত এক্সপ্ৰেছ প্ৰৱৰ্তন কৰা হৈছে। এই ৰেলখন হিমালয়ৰ হিম-চেঁচা জাৰৰ বাবে ডিজাইন কৰা হৈছে। -২০ ডিগ্ৰী চেলছিয়াছ পৰ্য্যন্ত নিম্ন তাপমানতো ই মসৃণভাৱে চলিব। ইয়াৰ হিটেড উইণ্ডশ্বিল্ড, উন্নত হিটিং চিষ্টেম আৰু ইনচুলেটেড টয়লেটে ৰেলখন গোটেই বছৰ কাৰ্য্যক্ষম আৰু আৰামদায়ক হৈ থকাটো নিশ্চিত কৰিছে। এই পথটোত তুষাৰ আঁতৰোৱা ৰেলে সহায় কৰে, যিয়ে ট্ৰেকৰ তুষাৰ আৰু বৰফ আঁতৰ কৰে, ইয়াৰ ফলশ্ৰুতিত বছৰজুৰি সেৱা নিশ্চিত হ'ব। ভূমিকম্পৰ কঁপনি স্তিমিত কৰিবলৈ ছিছমিক ডেম্পাৰো ইয়াত সংস্থাপন কৰা হৈছে।

লগতে চৰকাৰৰ বাবেও প্ৰত্যাহ্বানপূৰ্ণ হৈ পৰিছিল, কিন্তু ভাৰত কৃত্ৰিম বুদ্ধিমত্তা সম্পৰ্কীয় দক্ষতাৰ ৰাজধানী হৈ পৰিছে ভাৰতক আটাইতকৈ নিৰ্ভৰযোগ্য ৰেংকিং অনুসৰি এ আই দক্ষতা, এ আই ক্ষমতা আৰু এ আই ব্যৱহাৰৰ নীতি সম্পন্ন শীৰ্ষ দেশসমূহৰ অন্যতম বুলি গণ্য কৰা হয়। ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ে ৪২টা সূচকৰ ভিত্তিত বৈশ্বিক আৰু ৰাষ্ট্ৰীয় এ আই লাইভেবিলিটি ৰেংকিঙত যুক্তৰাষ্ট্ৰ, চীন আৰু যুক্তৰাজ্যৰ লগতে ভাৰতক শীৰ্ষ চাৰিখন দেশৰ ভিতৰত স্থান প্ৰদান কৰিছে। গিটহাবে সকলো প্ৰজেক্টৰ ২৪ শতাংশ বিশ্বজনীন অংশীদাৰিত্বৰে ভাৰতক শীৰ্ষস্থান প্ৰদান কৰিছে। ভাৰতে ২০২৪-ৰ ৭ মাৰ্চত এ আই অভিযানতো অনুমোদন জনায়, ইয়াৰ উদ্দেশ্য হৈছে দেশৰ উন্নয়ন লক্ষ্যৰে সংগতি ৰাখি এক শক্তিশালী আৰু সৰ্বাংগীণ এ আই বাতাবৰণ স্থাপন কৰা।

২০১৮-ৰ পৰা ২০২৪-ৰ ডিচেম্বৰৰ ভিতৰতজন শিক্ষণ প্ৰতিষ্ঠানসমূহত ৩০ লাখৰো অধিকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ইয়াৰে ৮২ শতাংশ হৈছে মহিলা।


# দক্ষতা বিকাশ...
# ভৱিষ্যতৰ ৰূপৰেখা



কৰ্মক্ষম জনসংখ্যাৰ ৭৫ শতাংশৰো অধিকেৰে ভাৰত হৈছে বিশ্বৰ ভিতৰতে সৰ্বাধিক যুৱ জনসংখ্যাৰো দেশ। ভৱিষ্যতৰ ঔদ্যোগিক আৰু সেৱাৰ প্ৰয়োজনীয়তা অনুসৰি যুৱ প্ৰজন্মক সাজু কৰি তুলিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৫-ৰ জুলাইত কৌশল ভাৰত যোজনা আৰম্ভ কৰিছিল। ১০ বছৰ পূৰ্ণ হোৱা এই অভিযানৰ জৰিয়তে এতিয়ালৈকে ১.৬৩ কোটি যুৱক-যুৱতীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ভাৰত দক্ষতা প্ৰতিবেদন-২০২৩ অনুসৰি, দেশত নিয়োজিত প্ৰশিক্ষণপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীৰ শতকৰা হাৰ ২০১৪-ত ৩৩.৯ শতাংশৰ পৰা ২০২৪-ত ৫১.৩ শতাংশলৈ বৃদ্ধি পাইছে...

যোৱা ১১ বছৰত ভাৰতে ভৱিষ্যতৰ প্ৰয়োজনীয়তা অনুসৰি দক্ষতা আৰু শিক্ষণ প্ৰেক্ষাপটৰ সংজ্ঞা পুনৰ নিৰূপণ কৰিছে। ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষভাৱে ২০১৪-ৰ নৱেম্বৰত দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয় স্থাপন কৰিছিল। ইয়াৰ পিছত ২০১৫-ৰ ১৫ জুলাইৰ পৰা কৌশল ভাৰত অভিযান আৰম্ভ কৰা হৈছিল। যোৱা দশকটোত দক্ষতা-সম্পৰ্কীয় কাৰ্য্যসূচীৰ এক বিস্তৃত নেটৱৰ্কে কোটি-কোটি যুৱক-যুৱতীক দক্ষতাৰে সমৃদ্ধ কৰিছে। স্কিল ইণ্ডিয়া মিছনৰ লক্ষ্য হৈছে ভাৰতৰ যুৱক-যুৱতীসকলক উদ্যোগটোৰ প্ৰয়োজনীয়তা অনুসৰি দক্ষতাৰে


> দক্ষতা, সামৰ্থ্যই কেৱল উপাৰ্জনৰ বাটেই মুকলি নকৰে। বৰঞ্চ ই জীৱনত এক নতুন শক্তি, আত্ম-বিশ্বাসৰ সঞ্চাৰ কৰে। মোৰ বিশ্বাস, মই বিশ্বৰ যিকোনো প্ৰান্তলৈ যোৱা মাত্ৰকে মোৰ এই শক্তিৰে ভোক গুচাম আৰু কেতিয়াও হাত নাপাতো।
>
> - নৰেন্দ্ৰ মোদী
> প্ৰধানমন্ত্ৰী



## ভৱিষ্যতৰ বাবে কৰ্মশক্তি সাজু

**৬.৪২+** কোটি লোকে যোৱাটো দশকত ভিন্ন কাৰ্য্যসূচীৰ জৰিয়তে প্ৰশিক্ষণ লাভ কৰিছে

### দক্ষতা বিকাশ আঁচনিৰ অধীনত প্ৰশিক্ষণ প্ৰদান




(১৮ এপ্ৰিল, ২০২৫ অনুসৰি)

- ২০১৬-ৰ পৰা ৪০ লাখ প্ৰশিক্ষাৰ্থীক প্ৰত্যক্ষ জলপানি প্ৰদানেৰে ৰাষ্ট্ৰীয় এপ্ৰেণ্টিছশ্বিপ প্ৰচাৰ আঁচনিৰ সুবিধা আগবঢ়োৱা হৈছে, ইয়াত মহিলাৰ অংশগ্ৰহণ ২১%ৰো অধিক হৈছে।

২০১৮-ৰ পৰা ২০২৪-ৰ ডিচেম্বৰৰ ভিতৰত জন শিক্ষণ প্ৰতিষ্ঠানসমূহত **৩০** লাখৰো অধিকক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ইয়াৰে ৮২ শতাংশ হৈছে মহিলা।

- ক্ৰাফ্টমেন প্ৰশিক্ষণ আঁচনিৰ অধীনত ২০১৮-ৰ পৰা ২০২৪-ৰ ভিতৰত সমগ্ৰ দেশৰে আই টি আই সমূহত ৮০ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। বৰ্তমান সমগ্ৰ দেশতে ১৪,৬১৫খন আই টি আই আছে। ২০১৪ লৈকে মাত্ৰ ৯,৯৭৭খন আই টি আই হে আছিল।
- ২০২২-২৩ৰ পৰা ২০২৩-২৪ৰ ভিতৰত কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা (এ টি এম এ)-ত ৭৬.৭২ লাখ কৃষকক কৃষি, উদ্যান শস্য, পশুপালন, মীনপালন আৰু মৌপালনকে প্ৰমুখ্য কৰি একাধিক শিতানত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

**৬.১৪** লাখ যুৱক-যুৱতীক দীন দয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনাৰ অধীনত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।



### ভাৰতক আটাইতকৈ নিৰ্ভৰযোগ্য ৰেংকিং অনুসৰি এআই দক্ষতা

এআই ক্ষমতা আৰু এআই ব্যৱহাৰৰ নীতি সম্পন্ন শীৰ্ষ দেশসমূহৰ অন্যতম বুলি গণ্য কৰা হয়। ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ে ৪২টা সূচকৰ ভিত্তিত বৈশ্বিক আৰু ৰাষ্ট্ৰীয় এআই লাইভেবিলিটি ৰেংকিঙত যুক্তৰাষ্ট্ৰ, চীন আৰু যুক্তৰাজ্যৰ লগতে ভাৰতক শীৰ্ষ চাৰিখন দেশৰ ভিতৰত স্থান প্ৰদান কৰিছে। গিটহাবে সকলো প্ৰজেক্টৰ ২৪ শতাংশ বৈশ্বিক অংশীদাৰিত্বৰে ভাৰতক শীৰ্ষস্থান প্ৰদান কৰিছে। ভাৰতে ২০২৪-ৰ ৭ মাৰ্চত এআই অভিযানতো অনুমোদন জনায়, ইয়াৰ উদ্দেশ্য হৈছে দেশৰ উন্নয়ন লক্ষ্যৰে সংগতি ৰাখি এক শক্তিশালী আৰু সৰ্বাংগীণ এআই বাতাবৰণ স্থাপন কৰা।

**১৭.৪৪** লাখক গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

কৌশল ভাৰত অভিযানৰ অধীনত ৪ লাখৰো অধিক যুৱক-যুৱতীক কৃত্ৰিম বুদ্ধিমত্তা, ৰবটিক্স আৰু ডাটা আদি অগ্ৰণী ক্ষেত্ৰ সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

**১,০০০**-ৰো অধিক শিক্ষানুষ্ঠানক কৌশল ভাৰত কেন্দ্ৰ হিচাপে সংযুক্ত কৰা হৈছে।

সমৃদ্ধকৰণেৰে ভৱিষ্যতৰ বাবে সাজু কৰি তোলা। এই অভিযানৰ অধীনত ভাৰত চৰকাৰে সমগ্ৰ দেশৰ কৌশল বিকাশ কেন্দ্ৰ আৰু প্ৰতিষ্ঠানৰ নেটৱৰ্কৰ জৰিয়তে স্কিল, ৰিস্কিল আৰু আপস্কিল প্ৰশিক্ষণ প্ৰদান কৰে। এই অভিযানৰ অধীনত প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা (পি এম কে ভি ৱাই), জন শিক্ষণ প্ৰতিষ্ঠান, ৰাষ্ট্ৰীয় এপ্ৰেণ্টিছশ্বিপ প্ৰচাৰ আঁচনি আৰু ক্ৰাফ্টমেন প্ৰশিক্ষণ আঁচনিৰ জৰিয়তে যুৱক-যুৱতীসকলক দক্ষ কৰি তোলাৰ কাম অব্যাহত আছে।

ইয়াৰ সমান্তৰালকৈ গ্ৰামীণ পৰ্য্যায়তো কৃষি উন্নয়ন মন্ত্ৰালয়ে দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা আৰু গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জৰিয়তে যুৱক-যুৱতীসকলক দক্ষতাৰে সমৃদ্ধ কৰি তুলিছে। যোৱা দশকটোত ভিন্ন দক্ষতা বিকাশৰ পদক্ষেপৰ জৰিয়তে দেশৰ ছ কোটিৰো অধিক যুৱক-যুৱতীক ভৱিষ্যতৰ বাবে আৱশ্যকীয় দক্ষতাৰে সাজু কৰা হৈছে। ২০১৫-ত আৰম্ভ হোৱা পি



## প্ৰধানমন্ত্ৰী কৌশল বিকাশ যোজনা-পি এম কে ভি ৱাই ৪.০

পি এম কে ভি ৱাই ৪.০-এ ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা কাঠামো অনুসৰি হ্ৰস্বম্যাদী প্ৰশিক্ষণৰ জৰিয়তে দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কৰে। ইয়াত বিশেষ প্ৰকল্প আৰু ১৫-৫৯ বছৰ বয়সৰ প্ৰাৰ্থীসকলক পূৰ্বৰ শিক্ষণক স্বীকৃতি জনাই ৰি-স্কিলিং আৰু আপস্কিলিং কৰা কাৰ্য্য অন্তৰ্ভুক্ত হৈছে। হ্ৰস্বম্যাদী দক্ষতা কাৰ্য্যসূচীৰ ভিতৰত চাকৰিৰ সময়ত প্ৰশিক্ষণ কাৰ্য্যৰ একত্ৰীকৰণকে প্ৰমুখ্য কৰি ৰাষ্ট্ৰীয় অগ্ৰাধিকাৰৰাজিৰে সংগতি ৰাখি দক্ষতা বিকাশ প্ৰশিক্ষণক উদ্যোগ-মুখী, অধিক সুলভ কৰি তুলিবলৈ উল্লেখযোগ্য পৰিৱৰ্তন সাধন কৰা হৈছে। ইয়াৰ ফলশ্ৰুতিত প্ৰশিক্ষাৰ্থীসকলে বাস্তৱ-জগত আৰু উদ্যোগৰ অভিজ্ঞতা লাভ কৰাটো নিশ্চিত হৈছে। উদ্যোগটোৰ উদীয়মান চাহিদা আৰু নতুন-যুগৰ প্ৰযুক্তিৰ সৈতে খোজ মিলাবলৈ এ আই, ৫জি প্ৰযুক্তি, চাইবাৰ সুৰক্ষা, সেউজ হাইড্ৰজেন আৰু ড্ৰোন প্ৰযুক্তি সন্দৰ্ভত ৪০০-ৰো অধিক নতুন পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে।

ৱৰ্ল্ড ইকনমিক ফৰামৰ প্ৰতিবেদন অনুসৰি

**১০০**

কোটি লোকে পৰৱৰ্তী ২৫ বছৰত বিশ্বৰ কৰ্মশক্তিত যোগদান কৰিব, ইয়াৰে প্ৰতি চাৰিজনৰ মাজৰ তিনিগৰাকী ব্যক্তি ভাৰতীয় হ'ব। আগন্তুক বছৰকেইটাই ভাৰতে বিশ্ব অৰ্থনীতিত এটি মূল ভূমিকা পালন কৰা কাৰ্য্যৰ লগতে ডলাৰ অৰ্থনীতিত যথেষ্ট অৰিহণা যোগোৱাটো নিশ্চিত কৰিব।

বিশ্ব দক্ষতা প্ৰতিযোগিতাত ভাৰতৰ ক্ৰমবৰ্ধমান বিশ্বাসযোগ্যতা

| বৰ্ষ | দক্ষতা | স্থান |
|---|---|---|
| ২০১৩ | ২২ | ৩৩ |
| ২০১৯ | ৪৩ | ১৩ |
| ২০২২ | ৫০ | ১১ |



### এই পদক্ষেপৰাজিয়ে দক্ষতা বিকাশক সমৃদ্ধ কৰিব

১ ১০খন দেশৰ সৈতে চুক্তিঃ ভাৰত চৰকাৰে ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, ইজৰাইল, টাইৱান, অষ্ট্ৰিয়া, মৰিচাছ, অষ্ট্ৰেলিয়া, পৰ্তুগাল আৰু ফিনলেণ্ডৰ সৈতে মাইগ্ৰেচন আৰু ম'বিলিটি চুক্তি স্বাক্ষৰিত কৰিছে। এই দেশসমূহৰ চাহিদাৰ সৈতে দক্ষতাক সংযোগকৰণৰ লক্ষ্যৰে এই চুক্তিসমূহ সম্পন্ন কৰা হৈছে।

২ ৩০ স্কিল ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰঃ কেন্দ্ৰীয় চৰকাৰে বহিঃৰাষ্ট্ৰত দক্ষ শ্ৰমিকৰ চাহিদা পৰিপূৰণৰ বাবে ৩০টা স্কিল ইণ্ডিয়া আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰ স্থাপনৰ কথা ঘোষণা কৰিছে। বাৰাণসী আৰু ভুৱনেশ্বৰত এনে কেন্দ্ৰ মুকলি কৰা হৈছে। প্ৰথম পৰ্য্যায়ত ১০টা এনে কেন্দ্ৰ স্থাপন কৰা হ'ব।

৩ স্কিল ইণ্ডিয়া ডিজিটেল হাবঃ ডিজিটেল লাৰ্নিং অংশীদাৰসকলে প্ৰদান কৰা বিগ ডাটা, মেচিন লাৰ্নিং আৰু এনালাইটিক্সকে প্ৰমুখ্য কৰি একাধিক দিশত ভৱিষ্যতৰ পাঠ্যক্ৰম আগবঢ়াই ভাৰতীয় কৰ্মশক্তিক উদ্যোগ ৪.০-ৰ বাবে সাজু কৰাত এটি গুৰুত্বপূৰ্ণ ভূমিকা পালন।

৪ উদ্যোগ ৪.০ পাঠ্যক্ৰমঃ উন্নত এ আইৰ সৈতে পাইথন, কৃত্ৰিম বুদ্ধিমত্তা ফাউণ্ডেচন, জেনেৰেটিভ এ আই, চুপাৰভাইজড লাৰ্নিংৰ সৈতে ক্লাছিকেল মেচিন লাৰ্নিং মডেল নিৰ্মাণ, ডাটা এনালাইটিৰ প্ৰয়োজনীয়তা, ৰিলেচনেল ডাটা ৱেৰহাউচত এনালাইটিক্স ডাটা, চাইবাৰ নিৰাপত্তা প্ৰয়োজনীয়তা, ডাটা বিজ্ঞানৰ পৰিচয়, কিষাণ ড্ৰোন অপাৰেটৰ, ইভি সেৱা টেকনিচিয়ান, জৈৱিক-আৱৰ্জনা ব্যৱস্থাপনা, আন-আন চাৰ্টিফিকেচন পাঠ্যক্ৰম এই মঞ্চত আগবঢ়োৱা হৈছে।

৫ ৫ ৰাষ্ট্ৰীয় উৎকৰ্ষ কেন্দ্ৰঃ যুৱক-যুৱতীসকলক দক্ষতাৰে সমৃদ্ধ কৰিবলৈ ২০২৫-২৬ ৰ বাজেটত ৫টা ৰাষ্ট্ৰীয় উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ কথা ঘোষণা কৰা হৈছে।

এম কে ভি ৱাই ভাৰতত হ্ৰস্ব-ম্যাদী দক্ষতা প্ৰশিক্ষণ প্ৰদান ব্যৱস্থাৰ মেৰুদণ্ড হৈ পৰিছে। ইয়াৰ জৰিয়তে ২০২৫-ৰ ১৮ এপ্ৰিললৈকে উৎপাদন, স্বাস্থ্যসেৱা, আই টি আৰু নিৰ্মাণৰ দৰে ক্ষেত্ৰসমূহত প্ৰামাণিক প্ৰশিক্ষণৰ জৰিয়তে ১.৬৩ কোটিৰো অধিক যুৱক-যুৱতীক ব্যৱহাৰিক দক্ষতাৰে সমৃদ্ধ কৰা হৈছে। এই আঁচনিখনত সৰ্বাংগীণতাত গুৰুত্ব আৰোপেৰে মহিলা আৰু প্ৰান্তীয় সমাজসমূহৰ অংশগ্ৰহণ নিশ্চিত কৰা হৈছে। সময়ৰ লগে-লগে ভৱিষ্যতৰ ডমেইন যেনেঃ কৃত্ৰিম বুদ্ধিমত্তা আৰু মেকাট্ৰনিক্সৰ সৈতে জড়িত প্ৰশিক্ষণো এই কাৰ্য্যসূচীত অন্তৰ্ভুক্ত কৰা হৈছে।

# কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্তৰাজি

# দুটা ৰেলৱে প্ৰকল্পত অনুমোদন

আন্তঃগাঁথনিৰ উন্নয়ন সাধনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ সম্পূৰ্ণ দায়বদ্ধ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অৰ্থনৈতিক পৰিক্ৰমা কেবিনেট কমিটিয়ে যোৱা ১১ জুনত দুটা মাল্টিট্ৰেকিং প্ৰকল্পত অনুমোদন জনায়। ইয়াৰ ফলশ্ৰুতিত ঝাৰখণ্ড, কৰ্ণাটক আৰু অন্ধ্ৰপ্ৰদেশৰ সাতখন জিলাৰ জনসাধাৰণ প্ৰত্যক্ষভাৱে উপকৃত হ'ব। প্ৰকল্প দুটাৰ মুঠ ব্যয় ৬,৪০৫ কোটি টকা। এই প্ৰকল্পসমূহে ৰাজ্য কেইখনৰ উন্নয়নৰ যাত্ৰাক ত্বৰান্বিত কৰিব। এইসমূহে ব্যৱসায় আৰু জনসাধাৰণৰ সমৃদ্ধিক ত্বৰান্বিত, কাৰ্বন নিৰ্গমন হ্ৰাস আৰু যথেষ্ট নিয়োগৰ সুযোগ সৃষ্টি কৰিব...

**সিদ্ধান্তঃ** অৰ্থনৈতিক পৰিক্ৰমা কেবিনেট কমিটিয়ে কোডাৰমা-বাৰকাকানা মাল্টিট্ৰেকিং প্ৰকল্পত অনুমোদন জনায়। ৩, ০৬৩ কোটি টকা ব্যয় সাপেক্ষে **১৩৩** কিমি দৈৰ্ঘ্যৰ প্ৰকল্পটো নিৰ্মাণ কৰা হ'ব।

**প্ৰভাৱঃ** প্ৰকল্পটো ঝাৰখণ্ডৰ কয়লা-উৎপাদন হোৱা এটা প্ৰধান অঞ্চলৰ মাজেৰে পাৰ হৈ গৈছে। ইয়াৰ উপৰিও ই পাটনা আৰু ৰাঁচীৰ মাজৰ আটাইতকৈ চুটি আৰু ফলপ্ৰসূ ৰেল সংযোগ। ই ঝাৰখণ্ডৰ কোডাৰমা, চতৰা, হাজৰিবাগ আৰু ৰামগড়ক সংযুক্ত কৰিব। এই প্ৰকল্পই ৯৩৮খন গাঁও আৰু ১৫ লাখ লোকৰ বাবে উন্নত যোগাযোগ ব্যৱস্থা প্ৰশস্ত কৰিব। প্ৰকল্পটোত ১৭খন ডাঙৰ দলং, ১৮০খন সৰু দলং, ৪২খন আৰ অ' বি আৰু ১৩খন আৰ ইউ বি থাকিব। ইয়াৰ জৰিয়তে ৩০.৪ নিযুত টন অতিৰিক্ত কাৰ্গ'ৰ সৰবৰাহত সুবিধা হ'ব। ইয়াৰ জৰিয়তে বছৰি ১৬৩ কোটি কিলোগ্ৰাম কাৰ্বন ডাই-অ'ইডৰ নিৰ্গমন হ্ৰাস পাব, যি ৭ কোটি গছপুলি ৰোপণৰ সমতুল্য। ইয়াৰ উপৰিও ৩২ কোটি লিটাৰ ডিজেল ৰাহি হ'ব।

**সিদ্ধান্তঃ** অৰ্থনৈতিক পৰিক্ৰমা কেবিনেট কমিটিয়ে বাল্লাৰী-চিকজাজুৰ দ্বৈতকৰণত অনুমোদন জনায়। ১৮৫ কিমি দৈৰ্ঘ্যৰ এই লাইনত ৩,৩৪২ কোটি টকা ব্যয় কৰা হ'ব।

**প্ৰভাৱঃ** প্ৰকল্পটো কৰ্ণাটকৰ বাল্লাৰী আৰু চিত্ৰদুৰ্গ জিলা তথা অন্ধ্ৰপ্ৰদেশৰ অনন্তপুৰ জিলাৰ মাজেৰে পাৰ হৈ গৈছে। এই গুৰুত্বপূৰ্ণ লাইনে মাংগালুৰু বন্দৰক ছেকেন্দ্ৰাবাদৰ সৈতে সংযোগ কৰিব। প্ৰকল্পটোত ১৯টা ষ্টেচন, ২৯ ডাঙৰ দলং, ২৩০খন সৰু দলং, ২১খন আৰ অ' বি আৰু ৮৫খন আৰ ইউ বি আছে। এই মাল্টিট্ৰেকিঙৰ জৰিয়তে লৌহ আকৰিক, কৰ্কিং কয়লা, ফিনিছড ষ্টীল, সাৰ, খাদ্য শস্য, পেট্ৰলিয়াম সামগ্ৰী আদি পৰিবহণত সুবিধা হ'ব। ইয়াৰ উপৰিও ৪৭০খন গাঁও আৰু প্ৰায় ১৩ লাখ লোকৰ বাবে উন্নত যোগাযোগ ব্যৱস্থা প্ৰশস্ত হ'ব। এই প্ৰকল্পৰ জৰিয়তে ১৮.৯ নিযুত টন অতিৰিক্ত কাৰ্গ' সৰবৰাহত সুবিধা হ'ব আৰু বছৰি ১০১ কোটি কিলোগ্ৰাম কাৰ্বন ডাই-অক্সাইডৰ নিৰ্গমন হ্ৰাস পাব, যি ৪ কোটি গছপুলি ৰোপণৰ সমতুল্য। এই প্ৰকল্পৰ জৰিয়তে ২০ কোটি লিটাৰ ডিজেলো ৰাহি হ'ব।



> ৰেলৱে সম্পৰ্কীয় দুটা গুৰুত্বপূৰ্ণ প্ৰকল্পত অনুমোদন জনোৱা হৈছে। ভিন্ন ৰাজ্যক সামৰি লোৱা এই প্ৰকল্পসমূহে যোগাযোগ ব্যৱস্থাৰ বৰ্ধন, বাণিজ্যৰ অগ্ৰগতি সাধনৰ লগতে বহনক্ষমতাক প্ৰসাৰিত কৰিব।
>
> - নৰেন্দ্ৰ মোদী, **প্ৰধানমন্ত্ৰী**



# ...যাতে বিশ্বখন

# দুৰ্য্যোগৰ বেলিকা একত্ৰিত হৈ থাকে

**প্ৰাকৃতিক দুৰ্য্যোগৰ পৰিণতিত বছৰি লাখ-লাখ লোক গৃহহীন হৈ পৰে। শক্তিশালী দুৰ্য্যোগ-প্ৰতিৰোধী আন্তঃগাঁথনি আৰু আগতীয়া প্ৰস্তুতিয়েই হৈছে ভয়ংকৰ দুৰ্য্যোগেৰে মোকাবিলাৰ একমাত্ৰ উপায়। ২০১৯-ৰ জলবায়ু পৰিৱৰ্তন সন্মিলনত ভাৰতে বিশ্বৰ বাবে দুৰ্য্যোগ প্ৰতিৰোধী আন্তঃগাঁথনি মিত্ৰজোঁট (চি ডি আৰ আই) আৰম্ভৰে এই দিশত এক উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউৰোপত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় সন্মিলনত পোন-প্ৰথমবাৰৰ বাবে বিশ্ব সহযোগিতা, বহনক্ষম উন্নয়ন আৰু শক্তিশালী দুৰ্য্যোগ ব্যৱস্থাপনা আন্তঃগাঁথনিতো গুৰুত্ব আৰোপ কৰিছিল।**

এক প্ৰতিবেদন অনুসৰি, বিগত ১০ বছৰত প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে ২৬ কোটিৰো অধিক লোক গৃহহীন হ'বলগীয়া হৈছে। কেৱল ২০২৩-তে বিশ্বজুৰি বানপানী, ভূমিকম্প আৰু ধুমুহাৰ পৰিণতিত ১৭০ বিলিয়ন ডলাৰৰো অধিক লোকচান হৈছে। এনে লোকচান হ্ৰাস কৰিবলৈ ৭ জুনত ফ্ৰান্সত 'উপকূলীয় অঞ্চলৰ এক স্থিতিস্থাপক ভৱিষ্যৎ গঢ় দিয়া' শীৰ্ষক এখনি আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হয়। এই কাৰ্য্যসূচীত ভাষণ প্ৰদানেৰে প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত আৰু বাংলাদেশত ঘূৰ্ণীবতাহ ৰেমাল, কেৰিবিয়ানত হাৰিকেন বেৰিল, দক্ষিণ-পূব এছিয়াৰ টাইফুন য়াগী, যুক্তৰাষ্ট্ৰত হাৰিকেন হেলিন, ফিলিপাইনছত টাইফুন উছাগী আৰু আফ্ৰিকাৰ কিছু অংশত ঘূৰ্ণীবতাহ চিডোকে প্ৰমুখ্য কৰি শেহতীয়া দুৰ্য্যোগৰাজিৰ কথা উল্লেখ কৰে। তেওঁ কয় যে এই দুৰ্য্যোগসমূহে জীৱন আৰু সম্পত্তিৰ যথেষ্ট ক্ষতিসাধন কৰিছে, এনে প্ৰেক্ষাপটত স্থিতিস্থাপক আন্তঃগাঁথনি আৰু সক্ৰিয় দুৰ্য্যোগ ব্যৱস্থাপনাৰ প্ৰয়োজনীয়তা বৃদ্ধি পাইছে। ১৯৯৯-ৰ ছুপাৰ চাইক্ল'ন আৰু ২০০৪-ৰ চুনামিকে প্ৰমুখ্য কৰি বিধ্বংসী দুৰ্য্যোগসমূহৰ বেলিকা ভাৰতৰ পূৰ্বৰ অভিজ্ঞতাৰ কথা স্মৰণেৰে প্ৰধানমন্ত্ৰীগৰাকীয়ে তেনে পৰিস্থিতিত ভাৰতে কেনেদৰে স্থিতিস্থাপকতাৰ প্ৰদৰ্শনেৰে অভিযোজনা তথা পুনৰ নিৰ্মাণ কৰিছিল, বিপদসংকুল অঞ্চলসমূহত ঘূৰ্ণীবতাহৰ সময়ত আশ্ৰয়ৰ বাবে শিবিৰ স্থাপন কৰিছিল আৰু ২৯খন দেশক উপকৃতকৰণেৰে চুনামি সতৰ্কবাণী ব্যৱস্থা স্থাপনত অৰিহণা যোগাইছে, সেই সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

উপযোগী গৃহ, চিকিৎসালয়, বিদ্যালয়, শক্তি ব্যৱস্থা, জল সুৰক্ষা ব্যৱস্থা আৰু আগতীয়া সতৰ্কবাণী ব্যৱস্থা স্থাপনৰ ক্ষেত্ৰত ২৫খন ক্ষুদ্ৰ দ্বীপ উন্নয়নশীল ৰাষ্ট্ৰৰ সৈতে দুৰ্য্যোগ প্ৰতিৰোধী আন্তঃগাঁথনি মিত্ৰজোঁট (চি ডি আৰ আই)-ৰ অব্যাহত কাম-কাজত আলোকপাতেৰে প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াত প্ৰশান্ত মহাসাগৰ আৰু কেৰিবিয়ান অঞ্চলৰ প্ৰতিনিধিসকল উপস্থিতি থকা কাৰ্য্যৰ শলাগ লয় আৰু এই মিত্ৰজোঁটত অংশগ্ৰহণৰ বাবে আফ্ৰিকান ইউনিয়নক আদৰণি জনায়।২৫খন ক্ষুদ্ৰ উন্নয়নশীল দ্বীপ ৰাষ্ট্ৰৰ সহযোগত ক'ৱালিচন ফৰ ডিজাষ্টাৰ ৰেজিলিয়েণ্ট ইনফ্ৰাষ্ট্ৰাকচাৰ (চি ডি আৰ আই)ৰ চলি থকা প্ৰচেষ্টাসমূহৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে স্থিতিস্থাপক ঘৰ, চিকিৎসালয়, বিদ্যালয়, শক্তি ব্যৱস্থা, জল সুৰক্ষা






## দুৰ্যোগৰ আশংকা হ্ৰাসৰ বাবে ভাৰতে গ্ৰহণ কৰা পদক্ষেপবোৰ

- চৰকাৰে ছাংহাই সহযোগিতা সংস্থা (এছ চি অ'), বে' অব বেংগল ইনিচিয়েটিভ ফৰ মাল্টি-ছেক্টৰেল টেকনিকেল এণ্ড ইকনমিক ক'অপাৰেশ্যন চমুকৈ বিমষ্টেক, আৰু ইণ্ডিয়ান অ'চেন ৰিম এছ'চিয়েশ্যন (আই অ' আৰ এ)কে ধৰি বিভিন্ন আঞ্চলিক সংস্থাৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ দুৰ্যোগৰ বিপদ ব্যৱস্থাপনাৰ ক্ষেত্ৰত আঞ্চলিক সহযোগিতা শক্তিশালী কৰিছে।
- ভাৰতে এই সংস্থাসমূহৰ সৈতে যৌথ অনুশীলন চলাইছে আৰু লগতে দুৰ্যোগ ব্যৱস্থাপনাৰ উত্তম পদ্ধতিসমূহ বিনিময় কৰাত সহায় কৰিছে।
- সমগ্ৰ ভাৰত মহাসাগৰ অঞ্চললৈ সেৱা আগবঢ়োৱা ভাৰতীয় চুনামী আগতীয়া সতৰ্কবাণী কেন্দ্ৰ (আই টি ই ডব্লিউ চি)ৰ জৰিয়তে উপকূলীয় অঞ্চলৰ প্ৰতি ভাবুকি, অহা ঢৌৰ উচ্চতাৰ আগজাননী দিব পৰা আৰু দুৰ্বল অট্টালিকাসমূহ 'বাস্তৱ সময়ত' চিনাক্ত কৰিব পৰা মাত্ৰ পাঁচখন দেশৰ ভিতৰত ভাৰতক ৰাষ্ট্ৰসংঘৰ দুৰ্যোগৰ আশংকা হ্ৰাসৰ কাৰ্যালয়ে স্বীকৃতি প্ৰদান কৰিছে।
- 'বাসুধৈৱ কুটুম্বকম' (পৃথিৱীখন এক পৰিয়াল)ৰ মনোভাৱক মূৰ্ত কৰি চৰকাৰে আৰ্তজনৰ দেশসমূহলৈ মানৱীয় আৰু দুৰ্যোগ সাহায্য সাহায্য প্ৰদান কৰি আহিছে। ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত হোৱা ভয়াবহ ভূমিকম্পৰ পিছত ভাৰতে অত্যাৱশ্যকীয় সাহায্য সামগ্ৰীৰ লগতে এন ডি আৰ এফ আৰু চিকিৎসা দল মোতায়েন কৰি তুৰ্কী আৰু ছিৰিয়াক তৎক্ষণাত সাহায্য প্ৰদান কৰে।



ভাৰতৰ জি-২০ অধ্যক্ষতাৰ সময়ত দুৰ্যোগৰ বিপদ হ্ৰাসৰ ওপৰত এক কৰ্মগোট গঠন কৰা হৈছিল, যিয়ে দুৰ্যোগৰ আশংকা হ্ৰাসৰ ক্ষেত্ৰত বিশ্বব্যাপী প্ৰচেষ্টা শক্তিশালী কৰাৰ বাবে পাঁচটা মূল অগ্ৰাধিকাৰ ক্ষেত্ৰ চিনাক্ত কৰিছিল।

## বিশ্বৰ বাবে এক শক্তিশালী আৰু স্থিতিস্থাপক ভৱিষ্যতৰ অগ্ৰাধিকাৰবোৰ

- গোলকীয় অগ্ৰাধিকাৰবোৰৰ ওপৰত আলোকপাত কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে দুৰ্যোগ সম্পৰ্কীয় পাঠ্যক্ৰম, মডিউল, আৰু দক্ষতা বিকাশৰ কাৰ্যসূচীক উচ্চ শিক্ষাৰ সৈতে একত্ৰিত কৰি অধিক স্থিতিস্থাপক আৰু প্ৰস্তুত সমাজ গঢ়ি তোলাৰ প্ৰয়োজনীয়তা আছে।
- বহু দেশে দুৰ্যোগৰ সন্মুখীন হয় আৰু শক্তিশালীভাৱে পুনৰ নিৰ্মাণ কৰে। তেওঁলোকে লাভ কৰা অভিজ্ঞতা আৰু উত্তম পদ্ধতিৰ এক বিশ্বব্যাপী ডিজিটেল ভঁৰাল স্থাপন কৰাটো বিশ্বজুৰি দুৰ্যোগৰ বাবে প্ৰস্তুতি আৰু সঁহাৰি বৃদ্ধিৰ বাবে এক মূল্যৱান সম্পদ হ'ব।
- দুৰ্যোগৰ সৈতে মোকাবিলা কৰিবলৈ উদ্ভাৱনীমূলক বিত্তীয় সাহায্যৰ প্ৰয়োজন। আমি কাৰ্য্যকৰী কাৰ্যসূচী প্ৰস্তুত কৰা উচিত আৰু উন্নয়নশীল দেশসমূহৰ বিত্তীয় সুবিধা নিশ্চিত কৰা উচিত।
- আমি সৰু উন্নয়নশীল দ্বীপ ৰাষ্ট্ৰসমূহক বৃহৎ সাগৰীয় ৰাষ্ট্ৰ হিচাপে গণ্য কৰো। দুৰ্যোগৰ বিৰুদ্ধে তেনে দেশবোৰৰ স্থিতিস্থাপকতা শক্তিশালী কৰিবলৈ বিশেষ মনোযোগৰ প্ৰয়োজন।
- সময়মতে সিদ্ধান্ত গ্ৰহণ আৰু ফলপ্ৰসূ অন্তিম পৰ্যায়ৰ যোগাযোগ নিশ্চিত কৰাৰ বাবে আগতীয়া সতৰ্কবাণী ব্যৱস্থাৰ শক্তিশালী আৰু উন্নত সমন্বয় অতি গুৰুত্বপূৰ্ণ।

ব্যৱস্থা, আৰু আগতীয়া সতৰ্কবাণী ব্যৱস্থা নিৰ্মাণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ প্ৰশান্ত মহাসাগৰীয়, ভাৰত মহাসাগৰীয় আৰু কেৰিবিয়ান অঞ্চলৰ প্ৰতিনিধিসকলৰ অংশগ্ৰহণক আদৰণি জনায় আৰু মিত্ৰজোঁটত আফ্ৰিকান ইউনিয়ন শেহতীয়াকৈ জড়িত হোৱা বিষয়টোক উষ্ম আদৰণি জনায়। বিশ্ব ঐক্যৰ আহ্বানেৰে তেওঁ কয়, "আহক আমি প্ৰতিটো প্ৰত্যাহ্বানৰ বিৰুদ্ধে শক্তিশালীভাৱে থিয় দিয়া এক আন্তঃগাঁথনি গঢ়ি তোলোঁ। আহক আমি বিশ্বৰ বাবে এক শক্তিশালী আৰু স্থিতিস্থাপক ভৱিষ্যত গঢ়ি তোলোঁ।"

# বিমান পৰিবহণ মানচিত্ৰত ভাৰতৰ চমকপ্ৰদ উত্থান

## আঞ্চলিক সংযোগৰ পৰা বিশ্বব্যাপী সম্প্ৰসাৰণলৈ

ভাৰতৰ বিমান পৰিবহণ খণ্ডই অভূতপূৰ্ব বিকাশ লাভ কৰিবলৈ সক্ষম হৈছে আৰু ক্ষিপ্ৰতাৰে বিশ্বৰ তৃতীয় বৃহত্তম ঘৰুৱা বিমান বজাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। এই বিকাশ কেৱল অভিলেখ ভংগকাৰী যাত্ৰীৰ সংখ্যাই নহয়, বিমানবন্দৰৰ আন্তঃগাঁথনিৰ অভূতপূৰ্ব উন্নতি, আঞ্চলিক সংযোগ বৃদ্ধি, ব্যক্তিগত খণ্ডৰ বিনিয়োগ বৃদ্ধিৰ দ্বাৰাও চিহ্নিত কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় বিমান পৰিবহণ সংস্থাৰ অধিৱেশন আৰু বিশ্ব বিমান পৰিবহণ সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ অসামৰিক বিমান পৰিবহণৰ পৰিৱেশত আগন্তুক বৰ্ষবোৰৰ বাবে বিশাল আৰু আশাব্যঞ্জক ব্যৱসায়িক সুযোগসমূহৰ ওপৰত আলোকপাত কৰে।

২ জুনত দিল্লীৰ ভাৰত মণ্ডপমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বিমান পৰিবহণ সন্থাৰ ৮১ সংখ্যক বাৰ্ষিক সাধাৰণ সভা আৰু বিশ্ব বিমান পৰিবহণ সন্মিলন (ৱাটছ)ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰে যে ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম ঘৰুৱা বিমান বজাৰ হিচাপে পৰিগণিত হৈছে। এই অনুষ্ঠানত বিশ্বৰ শীৰ্ষ বিমান বিশেষজ্ঞ, বিমান উদ্যোগৰ আগশাৰীৰ ব্যক্তিসকল, উচ্চপদস্থ চৰকাৰী বিষয়াসকলেও অংশগ্ৰহণ কৰে। উল্লেখ্য যে ভাৰতত শেষৰখন বাৰ্ষিক সাধাৰণ সভা ৪২ বছৰ পূৰ্বে অৰ্থাৎ ১৯৮৩ চনত অনুষ্ঠিত হৈছিল। তেতিয়াৰ পৰা ভাৰতৰ বিমান পৰিবহণৰ পৰিৱেশৰ নাটকীয় পৰিৱৰ্তন হৈছে। কেৱল উড়ান আঁচনিৰ জৰিয়তে ১.৫ কোটিৰো অধিক যাত্ৰীয়ে সুলভ মূল্যৰ বিমান যাত্ৰাৰ সুবিধা লাভ কৰিছে, যাৰ ফলত যথেষ্ট পৰিমাণে সংযোগ বৃদ্ধি পাইছে। এই কাৰণেই ভাৰতৰ বিমান উদ্যোগ দ্বিসাংখ্যিক ৰূপত ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। কেন্দ্ৰীয় চৰকাৰৰ উড়ান আঁচনিখনে ভাৰতৰ বিমান পৰিবহণৰ মানচিত্ৰত সৰু চহৰসমূহক স্থান দিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। বিগত দশকত বিমানবন্দৰ আৰু বিমান যাত্ৰী দুয়োটাৰে সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে - যিটো ধাৰা অহা পাঁচ বছৰত আৰু অধিক ত্বৰান্বিত হ'ব। অনুমান কৰা হৈছে যে এই সময়ছোৱাত ২৫ কোটিৰো অধিক অতিৰিক্ত







যাত্ৰীয়ে আকাশী যাত্ৰা কৰিব। ২০৩০ চনৰ ভিতৰত ভাৰতত বছৰি প্ৰায় ৫০ কোটি লোকে বিমানযোগে যাত্ৰা কৰাৰ সম্ভাৱনা আছে, যিটো সংখ্যা বহু দেশৰ মুঠ জনসংখ্যাক অতিক্ৰম কৰিছে। যাত্ৰী যাতায়তৰ উপৰিও বিমানযোগে স্থানান্তৰ কৰা সামগ্ৰীৰ পৰিমাণো যথেষ্ট বৃদ্ধি হৈছে। বৰ্তমান প্ৰতি বছৰে প্ৰায় ৩৫ লাখ মেট্ৰিক টন সামগ্ৰী বিমানযোগে পৰিবহণ কৰা হয়, আৰু এই দশকৰ শেষলৈকে এক কোটি মেট্ৰিক টনলৈ বৃদ্ধি পোৱাৰ আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে যে এয়া কেৱল এক পৰিসংখ্যা নহয়, বৰঞ্চ ভাৰতৰ বিশাল সম্ভাৱনীয়তাৰ প্ৰমাণ, আৰু ইয়াৰ ভিতৰত সমাহিত হৈ থকা সুযোগ।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দৃঢ়তাৰে কয় যে বিমান পৰিবহণৰ সুৰক্ষা সদায় ভাৰতৰ বাবে সৰ্বোচ্চ অগ্ৰাধিকাৰৰ বিষয় হৈ আহিছে। তেওঁ উল্লেখ কৰে যে দেশখনে আন্তঃৰাষ্ট্ৰীয় অসামৰিক বিমান পৰিবহণ সংস্থাই (আই চি এ অ') নিৰ্ধাৰণ কৰা বিশ্বব্যাপী মানদণ্ডৰ সৈতে নিজৰ নিয়মসমূহ একেই কৰি ৰাখিছে। আই চি এ অ'ৰ শেহতীয়া সুৰক্ষা নিৰীক্ষণত বিমান সুৰক্ষা বৃদ্ধিৰ ক্ষেত্ৰত ভাৰতৰ অগ্ৰগতি স্বীকাৰ কৰা হৈছে আৰু এছিয়া-পেচিফিক মন্ত্ৰী সন্মিলনত দিল্লী ঘোষণাপত্ৰ গ্ৰহণে বিশ্ব বিমান পৰিবহণৰ উৎকৃষ্টতাৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাক আৰু অধিক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে সকলো অংশীদাৰক এনে ভৱিষ্যত গঢ়ি তোলাত সহযোগিতা কৰিবলৈ আহ্বান জনায় য'ত বিমান যাত্ৰা সুলভ, আহৰণযোগ্য, আৰু সকলোৰে বাবে সুৰক্ষিত হয়।

**ভাৰতবৰ্ষ বিমান ৰক্ষণাবেক্ষণৰ বাবে বিশ্বজনীন কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতৰ বিমান উদ্যোগত উদীয়মান খণ্ড হিচাপে তদাৰকী, মেৰামতি আৰু অভাৰহ'ল (এম আৰ অ')ৰ উত্থানৰ ওপৰত আলোকপাত কৰি বিমান ৰক্ষণাবেক্ষণৰ বাবে বিশ্বজনীন কেন্দ্ৰ হিচাপে দেশখনৰ ক্ৰমবৰ্ধমান উচ্চাকাংক্ষাৰ কথা উল্লেখ কৰে। তেওঁ লগতে কয় যে ভাৰতত ২০১৪ চনত এম আৰ অ'ৰ সুবিধাৰ সংখ্যা ৯৬ আছিল আৰু সেই সংখ্যা আজি ১৫৪টালৈ বৃদ্ধি পাইছে। স্বয়ংক্ৰিয় পথৰ অধীনত ১০০% প্ৰত্যক্ষ বিদেশী বিনিয়োগ, জি এছ টি হ্ৰাস, আৰু কৰ যুক্তিসংগতকৰণ আদিৰ দৰে মূল নীতি সংস্কাৰে এই খণ্ডটোৰ বিকাশত যথেষ্ট বৰঙনি যোগাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে ২০৩০ চনৰ ভিতৰত বিমান খণ্ডৰ সম্প্ৰসাৰণৰ ব্যাপক কৌশলৰ সৈতে সংগতি ৰাখি ৪ বিলিয়ন ডলাৰৰ এম আৰ অ' কেন্দ্ৰ স্থাপনৰ বাবে ভাৰতৰ দৃষ্টিভংগীৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

## শীঘ্ৰেই ভাৰতৰ আকাশত উৰিব ২০০০ৰো অধিক নতুন বিমান

উন্নত ভাৰতৰ দৃষ্টিভংগী আৰু দেশখনৰ পৰিৱৰ্তনশীল প্ৰয়োজনীয়তাৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰে বিশ্বমানৰ বিমানবন্দৰৰ আন্তঃগাঁথনিত বিনিয়োগক অগ্ৰাধিকাৰ দিছে। ২০১৪ চনৰ পৰা দেশত বিমানবন্দৰৰ সংখ্যা ৭৪টাৰ পৰা ১৬২টালৈ বৃদ্ধিৰে দুগুণতকৈও অধিক বৃদ্ধি পাইছে। বিমান পৰিবহণ খণ্ডৰ দ্ৰুত বিকাশৰ প্ৰতিফলন ঘটাই ভাৰতীয় বিমান কোম্পানীসমূহে শেহতীয়াকৈ ২০০০ৰো অধিক নতুন বিমানৰ অৰ্ডাৰ দিছে। বিমান উদ্যোগত এই পৰিৱৰ্তনে কেৱল সংযোগ সম্প্ৰসাৰণেই নহয়, বৰঞ্চ ই বহনক্ষমতা, সেউজ উন্নয়ন আৰু সমতাপূৰ্ণ প্ৰৱেশৰ বিশ্বব্যাপী লক্ষ্যকো সমৰ্থন কৰে। ভাৰতৰ বিমানবন্দৰসমূহে এতিয়া বছৰি ৫০ কোটি যাত্ৰী চম্ভালিব পৰা ক্ষমতা লাভ কৰিছে, যিয়ে ভৱিষ্যতৰ বাবে এই খণ্ডৰ প্ৰস্তুতিৰ ওপৰত যথেষ্ট তাৎপৰ্য বহন কৰিছে।

> আজি ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম ঘৰুৱা বিমান বজাৰ। আমাৰ উড়ান আঁচনিৰ সফলতা ভাৰতীয় অসামৰিক বিমান পৰিবহণৰ ইতিহাসৰ এক সোণালী অধ্যায়।
>
> **- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী**

### ১৫ শতাংশতকৈ অধিক মহিলা পাইলট

ভাৰতৰ বিমান পৰিবহণ খণ্ডত গোলকীয় গড়ৰ তিনিগুণ অৰ্থাৎ ১৫%তকৈ অধিক মহিলা পাইলটৰ সংযোজনেৰে, সমগ্ৰ খণ্ডটোকেই সৰ্বাংগীণ আৰু প্ৰগতিশীল আৰ্হিৰ দ্বাৰা শক্তিশালী কৰা হৈছে। কেবিন ক্ৰুৰ ভূমিকাত মহিলাৰ বিশ্বব্যাপী গড় প্ৰায় ৭০%ৰ বিপৰীতে ভাৰতে ৮৬%ৰে মহিলা ক্ৰুৰে আগবাঢ়ি আছে। ইয়াৰ উপৰিও ভাৰতৰ এম আৰ অ' খণ্ডত মহিলা অভিযন্তাৰ অংশগ্ৰহণে বিশ্বৰ মানদণ্ড অতিক্ৰম কৰিছে, যিয়ে বিমান উদ্যোগৰ সকলো খণ্ডতে মহিলাৰ ক্ৰমবৰ্ধমান ভূমিকাক প্ৰতিফলিত কৰিছে।

# মধুবনী কলাকুশলীৰ এটা দলক আদৰণি



মধুবাণী শিল্পই ৰাস, কোহবৰ, আৰু অষ্টদলৰ পৰম্পৰাগত বিষয়বস্তুৰ বাহিৰলৈ গৈ ইয়াৰ নান্দনিক প্ৰকাশৰ জৰিয়তে সমসাময়িক পৰিঘটনাসমূহক ধৰি ৰাখি ৰাষ্ট্ৰীয় আৰু বিশ্বস্তৰত এক অনন্য পৰিচয় খোদিত কৰিছে। ৰাষ্ট্ৰপতি ভৱনত সপ্তাহজোৰা কাৰ্যসূচীৰে আয়োজিত 'আৰ্টিষ্ট ইন ৰেচিডেন্স প্ৰগ্ৰেম - কলা উৎসৱ'ৰ অংশ হিচাপে বিহাৰৰ মধুবনী পৰম্পৰা আৰু মধ্যপ্ৰদেশৰ গোণ্ড শিল্পৰ শিল্পীসকলে ভিতৰত নিজৰ কৰ্মৰাজি প্ৰদৰ্শন কৰে। ২৬ মে'ত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে প্ৰদৰ্শনীখন পৰিদৰ্শন কৰি শিল্পীসকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ সৃষ্টিশীল ব্যাখ্যাৰ শলাগ লয়, যিয়ে আজিৰ প্ৰেক্ষাপটত ভাৰতৰ পৰম্পৰাগত শিল্পৰূপসমূহৰ সমৃদ্ধি আৰু প্ৰাসংগিকতাক উজ্জ্বল কৰি তুলিছে।

মধুবনী আৰু গোণ্ড চিত্ৰশিল্পীৰ এটা দলে এইবাৰৰ কলা উৎসৱত ভাৰতৰ চহকী পৰম্পৰাগত শিল্পকলাৰ নান্দনিক ৰূপ প্ৰদৰ্শন কৰে। ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এই কলা উৎসৱে ভাৰতৰ বৈচিত্ৰ্যময় কলাত্মক ঐতিহ্যক প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি সংৰক্ষণ আৰু চৰ্চা কৰি অহা লোকসকল, জনজাতীয়, আৰু পৰম্পৰাগত শিল্পীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰে। আৰ্টিষ্ট-ইন-ৰেচিডেন্স কাৰ্যসূচীৰ অংশ হিচাপে মধ্যপ্ৰদেশৰ গোণ্ড চিত্ৰকলা আৰু বিহাৰৰ মধুবনী চিত্ৰকলাৰ বিশেষজ্ঞ শিল্পীসকলে ২০২৫ চনৰ ২০ৰ পৰা ২৭ মে'লৈ এসপ্তাহ ধৰি ৰাষ্ট্ৰপতি ভৱনত থাকি ভাৰতৰ সাংস্কৃতিক ধাৰাৰ অনুপম ৰূপৰেখা উদযাপনৰ বাবে নিজৰ কৰ্ম সৃষ্টি আৰু প্ৰদৰ্শন কৰে। গোণ্ড চিত্ৰকলাৰ শিল্পীদলটোত আছিল বিশিষ্ট শিল্পদ্বয় ক্ৰমে দুৰ্গাবাই ব্যাম আৰু সুভাষ ব্যাম গোণ্ড চিত্ৰকলাৰ শিল্পী দলটোত আছিল ক্ৰমে দুৰ্গবাই ব্যাম, সুভাষ ব্যাম, নাংকুছিয়া শ্যাম, ৰাম সিং উৰ্বেটি, দিলীপ শ্যাম, চম্পাকলি, হীৰামন উৰ্বেটি, আৰু জাপানী শ্যাম ধুৰ্বে'। ●



## ৰাষ্ট্ৰপতিগৰাকীয়ে মধুবনী চিত্ৰকলাৰ ভালেমান শিল্পীক সাক্ষাৎ কৰে

ৰাষ্ট্ৰপতি ভৱনত কলা উৎসৱৰ সময়ত মধুবনীৰ চিত্ৰকলা শিল্পীসকল ক্ৰমে শান্তি দেৱী, অম্বিকা দেৱী, মনীষা ঝা, প্ৰীতি কৰ্ণ, ৰঞ্জন পাছোৱান, শান্তি দেৱী, উৰ্মিলা দেৱী, শ্ৰৱণ পাছোৱান, কুমাৰী নলিনী শ্বাহ, আৰু মোতী কৰ্ণৰ সৈতে সাক্ষাৎ কৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁলোকৰ শিল্পকৰ্মৰ শলাগ লৈ ভৱিষ্যতৰ কলাত্মক প্ৰচেষ্টাত তেওঁলোকৰ সাফল্য কামনা কৰাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰে।



PMO India
@PMOIndia

The Chenab and Anji Bridges will serve as gateways to prosperity for Jammu and Kashmir.






Rajnath Singh
@rajnathsingh

भारत आज सिर्फ़ सीमाओं की रक्षा नहीं कर रहा, बल्कि एक ऐसी व्यवस्था खड़ी कर रहा है, जो हमें सामरिक, आर्थिक और तकनीकी दृष्टि से मजबूत बना रही है।

पहले हम रक्षा उपकरणों के लिए पूरी तरह से विदेशों पर निर्भर थे, लेकिन आज भारत डिफ़ेंस के मामले में बड़ी तेज़ी से 'आत्मनिर्भर' बन रहा है।



Amit Shah
@AmitShah

#11YearsOfSeva राष्ट्रीय सुरक्षा की दिशा में भी मील का पत्थर सिद्ध हुए हैं। नक्सलवाद अपनी अंतिम साँसे गिन रहा है, जम्मू-कश्मीर और पूर्वोत्तर में शांति की स्थापना हुई है, भारत अब आतंकवादी हमलों का जवाब आतंकियों के घर में घुस कर देता है। यह मोदी सरकार में भारत की बदलती तस्वीर को दर्शाता है।

मोदी 3.0 में नया भारत रिफॉर्म, परफॉर्म और ट्रांसफॉर्म की शक्ति से विकसित और आत्मनिर्भरता की ओर तेजी से आगे बढ़ रहा है। देशवासियों के जीवन में सकारात्मक परिवर्तन लाकर हर क्षेत्र में नंबर 1 भारत बनाने की यह यात्रा ऐसे ही जारी रहेगी।



Nitin Gadkari
@nitin_gadkari

Under the visionary leadership of PM Shri @narendramodi Ji, India has witnessed a historic transformation in infrastructure. In just 11 years, 18,926 km of roads were built under Bharatmala, and National Highway 🛣️ length rose by 60%—from 91,287 km in 2014 to 1,46,204 km in 2024. With ₹46,000 Cr invested in 35 multimodal logistics parks 🏬, logistics is being revolutionized.

#11YearsOfInfraRevolution



Piyush Goyal
@PiyushGoyal

भारत की Digital क्रांति!

2014 से पहले जहां भारत के विकास को रोकने की मंशा रखने वाले कुछ लोग इस बात का मजाक उड़ाते थे वहीं प्रधानमंत्री @NarendraModi जी की दृढ़ इच्छाशक्ति एवं पुरजोर प्रयासों से यह आज दुनिया के समक्ष सर्वोत्तम उदाहरण प्रस्तुत कर रहा है।

इन 11 वर्षों ने यह सिद्ध कर दिखाया कि भारत अब किसी के रोके, रुकने वाला नहीं है।

#11YearsOfDigitalIndia



Dharmendra Pradhan
@dpradhanbjp

पिछले 11 वर्षों में भारत में एक ऐतिहासिक डिजिटल क्रांति ने आकार लिया है। प्रधानमंत्री श्री @narendramodi जी की दूरदर्शी सोच ने तकनीक को सिर्फ एक सुविधा नहीं, बल्कि करोड़ों देशवासियों के जीवन में उम्मीद और अवसर के रूप में स्थापित किया है।

DBT, UPI, BharatNet, UMANG, DigiLocker, AI for India— ये केवल उपक्रम नहीं, बल्कि उस सशक्त राष्ट्र की गाथा है, जो तकनीक को जनसेवा और जनसशक्तिकरण का सबसे बड़ा माध्यम बना चुका है।

#11YearsOfDigitalIndia

# NDA govt has delivered significant changes in 11 yrs, will do more: PM

Times News Network

**New Delhi:** Prime Minister Narendra Modi Monday marked the milestone of him completing 11 years in office, saying the NDA govt, in its three terms, had delivered significant changes, and promising to do more in the rest of his current tenure.

"We are proud of our collective success but at the same time, we look ahead with hope, confidence and a renewed resolve to build a Viksit Bharat," he posted on X.

Modi shared a series of hashtags and social media links, which — while focusing on his govt's initiatives — also represented a pitch for OBCs, tribals, Dalits and women.

A link shared by him noted that 60% of Union ministers were from the SC, ST and OBC categories, a message aimed at burnishing the social justice credentials of his govt amid attempts by opposition parties to paint it as working against their interests. This is the highest representation of these groups in the Union Council of Ministers, it added.

He also said that the NDA govt had redefined the concept of "women-led development".




▶Related report, P 22

# Proud of outreach on terror: PM after meeting MP delegations

7 teams, comprising MPs from across political spectrum, sent to 33 countries starting May 21



**Light-hearted moments during Modi briefing**

# Infra revolution boosting 'ease of living', says PM

ARCHIS MOHAN
New Delhi, 11 June

The Union government and Bharatiya Janata Party (BJP) ruled state governments on Wednesday continued to highlight the achievements of the 11 years of the Narendra Modi-led National Democratic Alliance (NDA) dispensation, with the Prime Minister posting on social media details of the "infrastructure revolution" during this period.

"It's been 11 years of infrastructure revolution with outstanding infrastructure being added that has enhanced India's growth trajectory," Modi said on X.

From railways to highways, ports to airports, India's rapidly expanding infrastructure network is boosting "Ease of Living" and enhancing prosperity, he said.

In another post, Modi said: "India's push for next-gen infrastructure is powered by sustainability and long-term vision." It is laying the foundations of a self-reliant India, he said.

In a document prepared by the newly launched Press Information Bureau (PIB) Research, the government also pointed to the efficacy of the Pragati (pro-active governance and timely implementation) platform, which was put in place 10 years ago, in fast-tracking of infrastructure projects.



Push for next-gen infrastructure is powered by sustainability and long-term vision, said PM Narendra Modi

ity, such as the threat of Naxalism. In Raipur, Chhattisgarh Chief Minister Vishnu Deo Sai said the PM's target of uprooting Naxalism by March next year is being fulfilled.

In Chhattisgarh, 425 Maoists have been neutralised, 1,443 arrested, 1,388 others have surrendered in the last one-and-a-half years, Sai said. "Our security forces

# PM HIGHLIGHTS TRANSFORMATIVE PROGRESS IN DEFENCE SECTOR

**HT Correspondent**
letters@hindustantimes.com

**NEW DELHI:** Prime Minister Narendra Modi said on Tuesday that the defence sector has undergone significant changes during the 11 years of the National Democratic Alliance (NDA) government, with a clear focus on modernisation and becoming self reliant when it comes to defence production.

"The last 11 years have marked significant changes in our defence sector, with a clear focus on both modernisation and becoming self reliant when it comes to defence production. It is gladdening to see how the people of India have come together with the resolve of making India stronger! #11YearsOfRakshaShakti," Modi said in a post on X.

Modi's remarks comes close on the heels of India's military strikes in Pakistan and Pakistan-occupied Kashmir (PoK) on May 7 under Operation Sindoor — the country's direct response over the April 22 Pahalgam terror attack that claimed 26 lives.

According to MyGovIndia's X post that Modi responded to, India's defence exports soared from ₹1,940 crore in 2014-15 to ₹23,622 in 2024-25. It also said that India unveiled its first indigenous aircraft carrier during the Bharatiya Janata Party (BJP)-led NDA government at the Centre.

"In just 11 years under PM @narendramodi's visionary leadership, India has revolutionized its defence capabili-

# CCEA clears railway projects of ₹6,405 crore in three States

**POSITIVE IMPACT.** They will enhance links for 1,400 villages in Jharkhand, Karnataka, AP

Our Bureau
New Delhi

The Cabinet Committee on Economic Affairs (CCEA), chaired by Prime Minister Narendra Modi, on Wednesday, approved two Railway projects worth over ₹6,400 crore. The projects include Koderma-Barkakana Doubling (133 km), a section of which passes through the coal producing areas of Jharkhand. Further, it serves



**BETTER CONNECTIVITY.** The projects include Koderma-Barkakana Doubling (133 km), a section of which passes through the coal producing areas of Jharkhand

Broadcasting, the increased line capacity will signific-

Andhra Pradesh, will increase the existing network

"The capacity augmentation works will result in addi-

# PM has put country on path of long-term growth, says Vaishnaw

JATIN ANAND
NEW DELHI, JUNE 11

**BJP LISTS WORK OF LAST 11 YEARS**

INFRASTRUCTURE

WOMEN'S EMPOWERMENT

EASE OF LIVING



HEALTHCARE

INCLUSIVE GROWTH

FARMERS WELFARE



ৰাষ্ট্ৰীয় চিকিৎসক দিৱস - ১ জুলাই

নিষ্ঠা, দক্ষতা আৰু অটল প্ৰতিশ্ৰুতিলৈ

# শ্ৰদ্ধা নিবেদন

চিকিৎসকক ঈশ্বৰৰ দ্বিতীয় ৰূপ বুলি কোৱা হয় কাৰণ যেতিয়াই মানুহ বিপদত পৰে, কোনো ৰোগ বা দুৰ্ঘটনাত ভুগি থাকে, বা আপোনজনক হেৰুৱাৰ ভয়ত থাকে তেতিয়াই চিকিৎসকসকলে সৰগী দূত হৈ জীৱনৰ গতিপথ সলনি কৰে। ৰাষ্ট্ৰীয় চিকিৎসক দিৱসত আমি সকলো চিকিৎসকক তেওঁলোকৰ অটল দায়বদ্ধতা আৰু আন্তৰিক যত্নৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই দিৱসত এগৰাকী ব্যতিক্ৰমী চিকিৎসক আৰু স্বাধীন ভাৰতৰ চিকিৎসা বৃত্তিৰ অন্যতম আগশাৰীৰ ব্যক্তি ডাঃ বিধান চন্দ্ৰ ৰয়ৰ জন্ম আৰু মৃত্যু বাৰ্ষিকী স্মৰণ কৰা হয়, যাৰ কৰ্মৰাজিয়ে স্বাস্থ্যসেৱাৰ সৈতে জড়িত প্ৰতিগৰাকী লোকক প্ৰজন্মই প্ৰজন্মই অনুপ্ৰাণিত কৰি আহিছে।



"চিকিৎসক দিৱসৰ শুভেচ্ছা জনাইছো। আমাৰ স্বাস্থ্যসেৱাৰ এই নায়কসকলৰ অবিশ্বাস্য নিষ্ঠা আৰু কৰুণাক সন্মান জনোৱাৰ এটা দিন এয়া। তেওঁলোকে নিখুত দক্ষতা আৰু দায়বদ্ধতাৰে আটাইতকৈ প্ৰত্যাহ্বানমূলক জটিলতাসমূহ চিনাক্ত কৰে আৰু তাৰ নিষ্পত্তি প্ৰদান কৰে। ভাৰতৰ স্বাস্থ্য আন্তঃগাঁথনি শক্তিশালী কৰাৰ লগতে চিকিৎসকসকলে যাতে তেওঁলোকৰ প্ৰাপ্য ব্যাপক সন্মান আৰু স্বীকৃতি লাভ কৰাটো নিশ্চিত হয়, তাৰ বাবে আমাৰ চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।" -নৰেন্দ্ৰ মোডী, প্ৰধানমন্ত্ৰী

নিউ ইণ্ডিয়া সমাচাৰ পযেকীয়া

**RNI No. : DELASS/2020/78827, July 1-15, 2025**
RNI Registered No DELASS/2020/78827, Delhi Postal License No DL(S)-1/3547/2023-25, WPP NO U(S)-95/2023-25, posting at BPC, Market Road, New Delhi-110001 on 26-30 advance Fortnightly (Publishing June 18, 2025, Pages-44)

**Editor in Chief**
**Dhirendra Ojha**
Principal Director General,
Press Information Bureau, New Delhi

**Published & Printed by:**
**Kanchan Prasad,**
Director General, on behalf of
**Central Bureau Of Communication**

**Published from:**
**Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003**

**Printed at**
Chandu Press, 469, Patparganj Industrial Estate, Delhi 110 092

**Assamese**